Assam Legislative Assembly Debates



OFFICIAL REPORT

TENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

NO. - 16

The 6th April, 1995

Price— 95·50

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Thursday, the 6th April, 1995

The House met at 9 A. M. of the Clock in the Assembly Chamber at Dispur with Prof. Debesh Chakraborty, Speaker in the Chair.

STARRED

Questions And Answers

(To which oral answers were given)

Mr. Speaker : The Position of Questions for 6.4.95 are as follows :—

Oral— Sl. No. 281 to Sl. No. 300

Written— Sl. No. 657 to Sl. No. 706

Deferred— Sl. No. 700 and Sl. No. 703

Postponed— Sl. No. 702

(Deferred Question from 16.3.95 to 6.4.95)

Written— Sl. No. 27

(Starred Question Nos 281, 282, 283, 284, 285, 286 and 287 were lapsed as the questioners were absent when called for)

Now Starred Question No. 288. Questioner Shri Moulana Abdul Jalil Ragibi, Hon'ble Minister, Revenue is to reply.

Questions And Answers

Re : New Circle Office

Shri Moulana Abdul Jalil Ragibi, asked :

★ 288. Will the Minister of Revenue be pleased to state :

(a) Whether the Government has any decision to set up a new circle office (Revenue) in Jamunamukh Constituency ? If so, when it will be executed ?

(b) If not, will the Government consider to set up a new circle office in Jamunamukh Constituency ?

Shri Mukut Sarma, (Minister, Revenue) replied :

(a) No.

(b) Not at present.

★ মৌলানা আব্দুল জলিল ৰাগিৰী : চাৰ, মন্ত্ৰী মহোদয়ে পোনপটীয়াকৈ উত্তৰ দিছে। কিন্তু নিজে জানে যে যমুনামুখ সমষ্টিৰ উন্নয়ণৰ ক্ষেত্ৰত হোজাই মহকুমাই ঠিক কৰি আছে। বিভিন্ন উন্নয়ণৰ ক্ষেত্ৰত চাৰ্কোল অফিচ দুটা ভাগত ভাগ হৈ আছে। এটা বহু দিনীয়া দাবী আছে যমুনামুখত এটা চাৰ্কোল অফিচ কৰিব লাগে। এই বিষয়ত ১৯৮৬-৮৭ চনত চৰকাৰৰ ওচৰত প্ৰস্তাৱ দিয়া হৈছিল। গতিকে এই চৰকাৰৰ কাৰ্য্যকালতে যমুনামুখ সমষ্টিত এটা চাৰ্কোল অফিচ দিয়াৰ আশ্বাস দিব নেকি ?

★ শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী) : মই জনাব বিচাৰিছো যে ৰাজহ বিভাগ নন-প্লেন টকাৰ। সেয়ে চাৰ্কোল অফিচ প্লেনত ধৰিব নোৱাৰো। নন-প্লেনৰ পুজি টনকীয়াল নহয়। সেয়ে বৰ্তমান সময়ত ৰাজহ চক্ৰ খোলা সম্পৰ্কত বিবেচনা কৰা নাই।

★ শ্ৰীপানীৰাম ৰাভা : নতুন ৰাজহ চক্ৰ খোলাৰ নীতি নিয়ম কি ? মধ্যবাস্কা এটা প্ৰকাণ্ড মৌজা। এটা অতৰাংকিত প্ৰশ্নৰ উত্তৰত নীতি নিয়মত নপৰে বুলি কৈছে।

★ Speech not corrected.

Questions And Answers

☆ শ্রীমুকুট শর্মা (ৰাজহ মন্ত্রী) : এটা ৰাজহ চক্র কৰিবলৈ হলে জনসংখ্যা অতি কমেও ২ লাখ হব লাগিব, ৰাজহ ডেৰ লাখ টকাৰ পৰা ৩ লাখ টকাৰ ভিতৰত হব লাগিব, গাওঁ পঞ্চায়ত অতি কমেও ৮ খন হব লাগিব আৰু মৌজা কমেও ৪ টা হব লাগিব ।

☆ শ্রীমুনীন মহন্ত : নতুন এচ, ডি, চি অফিচ কৰাত অসুবিধা আছে । মৰিগাওঁ সমষ্টিৰ মিকিৰ ভেটাত এটা পুৰণা এচ, ডি, চি অফিচ এতিয়াও ভাড়া ঘৰত আছে । ইয়াৰ বাবে প্রয়োজনীয় মাটিও দিয়া আছে । গতিকে কার্য্যালয়টোৰ গৃহ নির্মাণৰ ব্যৱস্থা কৰিব নেকি ?

☆ শ্রীমুকুট শর্মা (ৰাজহ মন্ত্রী) : গোটেই অসমত ২৭টা চার্কোল অফিচ ভাড়া ঘৰত আছে । পুজিৰ অভাৱৰ কাৰণে এইখিনি কাম কৰিব পৰা নাই । গতিকে পর্য্যায়ক্রমে পুৰণা চার্কোল অফিচ বিলাক নির্মাণ কৰাৰ ব্যৱস্থা গ্রহণ কৰিছো ।

☆ মৌলানা আব্দুল জলিল ৰাগিৰী : মোৰ সমষ্টিত ২৪টা গাওঁ পঞ্চায়ত আছে আৰু জনসংখ্যা ২ লাখৰ অধিক হব, ৰাজহ ডেৰ লাখ টকাতকৈ বেছি, মৌজা মাত্র এটা । গতিকে তেখেতে সেই সমষ্টিৰ ভা�ৰপ্রাপ্ত মন্ত্রী হিচাবে সেই সমষ্টিত এটা চার্কোল অফিচ দিয়াৰ আশ্বাস দিবনে ?

☆ শ্রীমুকুট শর্মা (ৰাজহ মন্ত্রী) : মাননীয় সদস্য গৰাকীৰ সন্তুষ্টিৰ কাৰণে আশ্বাস দিব পাৰো । পুজিৰ অভাৱৰ কাৰণে আশ্বাস দিয়াত অসুবিধা হৈছে ।

☆ মৌলানা আব্দুল জলিল ৰাগিৰী : চৰকাৰে কৰিম বুলি কলে কি কৰিব নোৱাৰে । গতিকে যিমানদুৰ পৰা যায় কৰাৰ আশ্বাস দিব পাৰিবনে ?

☆ শ্রীমুকুট শর্মা (ৰাজহ মন্ত্রী) : পুজি সাপেক্ষে চিন্তা কৰা হব ।

☆ শ্রীমতী ৰেণুপমা ৰাজখোৱা : চার্কোল অফিচ বিলাকত গাড়ীৰ ব্যৱস্থা নাই । গতিকে নতুনকৈ চার্কোল অফিচ কৰাৰ আগতে চার্কোল অফিচ বিলাকত একোখন গাড়ী দিয়াৰ ব্যৱস্থা কৰিবনে ?

☆ Speech not corrected

Questions And Answers

★ শ্রীমুকুট শর্মা (ৰাজহ মন্ত্রী) ঃ মই আগতে কৈছো ৰাজহ বিভাগটো পৰিকল্পনা বৰ্হিঃ ভূত । নিজস্ব ধন নাই । চাৰ্কেল অফিচাৰ সকল তৃণমূল পৰ্য্যায়ত বিশেষ বিষয়া হিচাবে আছে । আইন শৃংখলাৰ কথাটো থাকিব লাগে আৰু সেই সময়ত ডি, চিয়ে পৰিবহনৰ ব্যৱস্থা কৰিব ।

★ শ্রীকপম কুমাঁ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে আমাৰ মৰিয়ণি সমষ্টিত এটা ৰাজহ চক্র দিব নেকি ? কিয়নো সমষ্টিটো বহুতো দুৰত্ব কাৰণে এটা ৰাজহ চক্র দিয়াৰ ব্যৱস্থা কৰিবনে ? যোৱাবাৰ বিধান সভাৰ মজিয়াতে তেখেতে মৰিয়ণিত এটা ৰাজহ চক্র দিয়াৰ সম্পর্কে পুজিৰ সাপেক্ষে দিয়া হব বুলি জনাইছিল । আমি জনাত এই বছৰত যথেষ্ট পৰিমাণে চৰকাৰৰ হাতলৈ ধন আহিব । গতিকে তাত এটা ৰাজহ চক্র খুলিলে ভাল হয় ।

★ শ্রীমুকুট শর্মা (ৰাজহ মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যা গৰাকীয়ে যিটো কথা কৈছে মই তেখেতৰ প্রশ্নৰ উত্তৰ যোৱাবাৰ বাজেট অধিবেশনত দিছিলো । আজি সেই একেটা প্রশ্নকে উত্তৰ দিব লাগিব যে আমি পুজি সাপেক্ষে তাত এটা ৰাজহ চক্র দিয়াৰ ব্যৱস্থা কৰিম ।

★ শ্রীচিতেন্দ্র নাথ মজুমদার ঃ মাননীয় অধ্যক্ষ মহোদয়, আসামের বিভিন্ন যায়গায় সরকার থেকে সার্কেল অফিস করার জন্য মাটি দেওয়া হচ্ছে । হাইলাকান্দি জেলার লালা সার্কেল অফিসটি দীর্ঘদিন যাবৎ ভাড়া ঘরে রয়েছে । লালাতে আমাদের জানা মতে অনেক খাস জমি আছে এবং এই খাস জমি থেকে যদি কিছু জমি লালা সার্কেল অফিস বানানোর জন্য দেওয়া হয় তাহলে সরকারের অনেক টাকা বাঁচবে । সুতরাং এই জমি দেওয়ার জন্য আমি মন্ত্রী মহোদয়কে অনুরোধ করছি । তাছাড়া, এই লালা সার্কেল অফিসে দীর্ঘ ২ বৎসর যাবৎ কোন সার্কেল অফিসার নেই । সুতরাং অতিশীঘ্র এই অফিসের জন্য একজন সার্কেল অফিসার দেওয়া হবে কি না মন্ত্রী মহোদয়ের নিকট থেকে জানতে চাই ?

★ Speech not corrected.

☆ শ্রীমুকুট শর্মা (ৰাজহ মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, চাকোঁল অফিচৰ নির্মাণ সম্পর্কে মই একেই উত্তৰ দিব লাগিব সেইটো পুঁজি সাপেক্ষে চিন্তা কৰিম। চাকোঁল অফিচ যে নাই সেইটো মই চাইপেলাই ব্যৱস্থা গ্রহণ কৰিম।

★ শ্রীগহীন চন্দ্র দাস : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ৰ পৰা মই আশ্বাস বিচাৰিছো যে চৰকাৰৰ যিবিলাক গ্রেজিং আছে, যিবিলাক পতিত মাটি আছে সেইবিলাকত বে-দখলকাৰী জধে-মধে দখল কৰি বহি গৈছে। এইটো গতিত যদি বহি যায় তেতিয়াহলে অসমৰ..... .....

Mr. Speaker : Next question.

★ শ্রীগহীন চন্দ্র দাস : এইবিলাক ৰোধ কৰাৰ কিবা ব্যৱস্থা কৰিব নেকি ?

Mr. Speaker : Now question No. 289. Questioner Shri Pranab Kumar Nath.

বিষয় : মূল্য বৃদ্ধি প্রতিরোধ।

শ্রীপ্রণব কুমার নাথ জিজ্ঞাসা করছেন :

★ ২৮৯। মাননীয় খাদ্য এবং অসামরিক যোগান বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি :

(ক) Export Licence এর মাধ্যমে করিমগঞ্জ হইতে বাংলাদেশে নিয়মিত চাউল, ডাল, তেল, লবন ইত্যাদি নিত্য প্রয়োজনীয় দ্রব্য সামগ্রী সরবরাহ করার ফলে করিমগঞ্জ জিলার স্বর্ব্বত্র মূল্য বৃদ্ধি পাচ্ছে এবং কৃত্রিম অভাবের সৃষ্টি হয়েছে এ বিষয়ে সরকার অবহিত আছেন কি ?

(খ) যদি না কেন ? যদি আছেন তাহলে জনস্বার্থে নিত্য প্রয়োজনীয় সামগ্রীর কৃত্রিম অভাবে প্রতিরোধ করতঃ মূল্য স্থিতিশীল রাখার জন্য কি কি কার্য্যকরী ব্যবস্থা নিয়েছেন বিশদ তথ্য সদনের মেঝে দাখিল করিবেন ?

ডাঃ তদ্ধেন্দু কুমার দে (খাদ্য এবং অসামরিক যোগান বিভাগের মন্ত্রী)য়ে উত্তর দিছেন :

★ Speech not corrected.

(ক) এবং (খ) কেন্দ্রীয় সরকারের মনোনীত রপ্তানী অনুজ্ঞা পত্রধারী ব্যবসায়ীরা কেবল মাত্র আসামের বাইরের অন্য রাজ্য হইতে আমদানীকৃত চাউল করিমগঞ্জ সীমানাদিয়ে বাংলাদেশে রপ্তানী করেন। এছাড়া আসাম থেকে আসামের জন্য বরাদ্দকৃত অন্য কোন চাউল, ডাল, তেল, লবন ইত্যাদি নিত্য প্রয়োজনীয় সামগ্রী Export Licence এর মাধ্যমে বাংলাদেশে রপ্তানী হয়না। ফলে করিমগঞ্জ জিলার সর্ব্বত্র কৃত্রিম অভাব এবং মূল্য বৃদ্ধির প্রশ্ন উঠেনা।

☆ শ্রীপ্রণব কুমার নাথ : মাননীয় অধ্যক্ষ মহোদয়, আমি মন্ত্রী মহোদয়ের নিকট থেকে জানতে চাই যে এই এক্সপোর্ট লাইসেন্সের মাধ্যমে যে সব জিনিষ পাঠানো হয় তা কোথা থেকে কিনে পাঠানো হয় ?

★ ডাঃ অর্দ্ধেন্দু কুমার দে (মন্ত্রী) : স্যার, মাননীয় সদস্য মহোদয়ের প্রশ্নর উত্তরে আমি বলেছি যে এক্সপোর্ট লাইসেন্সের মাধ্যমে যে সব জিনিষ পাঠানো হয়ে থাকে তা আসামের জন্য বরাদ্দকৃত কোন প্রয়োজনীয় জিনিষ নয়।

★ শ্রীমিশন রঞ্জন দাস : স্যার, মন্ত্রী মহোদয় স্বীকার করছেন যে কেন্দ্রীয় সরকারে দেওয়া এক্সপোর্ট লাইসেন্সের মাধ্যমে আমাদের রাজ্য থেকে চাউল, ডাল ইত্যাদি রপ্তানি হয়ে থাকে। আমাদের বাস্তব অভিজ্ঞতা থেকে আমরা জানি যে এইসব রপ্তানিকৃত চাউল, ডাল বা অন্যান্য সামগ্রী আসাম থেকেই ক্রয় করা হয় এবং ভুয়া রেলওয়ে বিল এবং কাগজ-পত্র দেখিয়ে স্থানীয়ভাবে ক্রয় করা জিনিষ এইসব লাইসেন্সের মাধ্যমে বংলাদেশে পাঠানো হয়ে থাকে। এরফলে করিমগঞ্জ এবং শিলচরে নিত্য প্রয়োজনীয় জিনিষ পত্রের দাম বেড়েছে। সুতারং এইসব ভুয়া পারমিট বন্ধ করার ব্যবস্থা সরকার করবেন কি ?

☆ ডাঃ অর্দ্ধেন্দু কুমার দে (মন্ত্রী) : স্যার আমি আগেই বলেছি যে আমাদের তরফ থেকে কোন এক্সপোর্ট লাইসেন্স দেওয়া হয় নি। এই ব্যাপারে করিমগঞ্জের ডি সি মহোদয় একটি চিঠি দিয়ে সরকারকে অনুরোধ জানিয়েছিল যে লোকালি চাউল/ডাল পারসেস্ করে বাংলাদেশে পাঠানোর অনুমতি

☆ Speech not corrected.

দেবা'র জন্য। এ ব্যাপারে সরকারের বক্তব্য গত ১/৩/৯৫ তারিখে একটি ডব্লিও টি মেসেজ দিয়ে জানানো হয়েছে। মেসেজটি হলো–

"No. FSB. 22/95/19 dt. 1.3.95. Kindly refer your letter No. DC. 5.95/3 dated twentyfourth January ninetyfive and wireless message No. DC. 5/95/203 dated nineteenth February ninetyfive regarding export of nonbasmati coarse rice to Bangladesh. In this regard please refer this department wireless message under Memo. No. FSB. 22/95/4–A dated third February and No. FSB. 22/95/6–A dated seventh February and No. FSB. 22/95-16-A dated thirteenth February respectively. He is requested not to allow any storage or movement of non-basmati coarse rice meant for export to Bangladesh without clearance from the Government. As for local purchase for export this cannot be allowed (.)"

★ শ্রীঅতুল বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী গৰাকীক মই দুটামান পৰামর্শ দিব বিচাৰিছো। যোৱা ২৪/৩/৯৫ তাৰিখে ফেন্সী বজাৰত পিয়াজৰ প্রতি কুইণ্টলত ২৫০ টকাকৈ বিক্রী হৈছে। ফেন্সী বজাৰৰ বাহিৰে অন্যান্য বজাৰত প্রতিকেজি পিয়াজত ৫/৬ টকা বিক্রী হৈছে। ইয়াৰ ফলত হ'লচেলাৰ সকলৰ মাজত অধিক লাভ কৰাৰ প্রৱণতা দেখি তেওঁলোকে ৩/৪ টকাকৈ দাম বঢ়াই দিয়াৰ সম্ভাৱনা আছে। গতিকে এইটো ৰোধ কৰিবৰ কাৰণে যোগান বিভাগৰ পৰা প্রচাৰ কৰাৰ ব্যৱস্থা কৰিব নেকি ? পিয়াজৰ মূল্য সম্পর্কে। ২ নম্বৰ কথাটো হল মিল বিলাকে গেলা পচা পিয়াজ মিল বিলাকলৈ লৈ যায়। এই তেলৰ দাম লিটাৰ প্রতি ২০ টকাৰ অধিক হব নেলাগে। কিন্তু মিল বিলাকৰ পৰা পিয়াজ বিলাক লৈ যোৱাৰ কাৰণে পিয়াজৰ দাম বঢ়াৰ অন্য এটা কাৰণ। গতিকে মিল বিলাকত কিমান

★ Speech not corrected.

Questions And Answers

পিয়াজ ৰাখিছে চেক কৰাৰ ব্যৱস্থা কৰিব নেকি ? ৩ নম্বৰ কথাটো হৈছে পেট্রোল ডিপুৰ মালিক সকলৰ পৰা কেৰাচিন তেলৰ ডিপুটো কাটি আনিব নেকি ? নহলে পেট্রোলৰ মালিক সকলে ৰাতি কেৰাচিন তেল পেট্রোলৰ লগত মিহলি কৰি বিক্রী কৰিছে। গতিকে এইকেইটাৰ ওপৰত ব্যৱস্থা গ্রহণ কৰিবনে ?

★ ডাঃ অর্দ্ধেন্দু কুমাৰ দে (যোগান মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে যি কেইটা প্রশ্ন কৰিছে সেই কেইটা ইয়াৰ লগত ৰিলেটেড নহয় । তথাপিটো মাননীয় সদস্য জনৰ প্রশ্ন কেইটা মই বিবেচনা কৰি চাম ।

★ ডঃ জয়নাথ শর্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রীয়ে জনাব নেকি কৰিমগঞ্জ জিলাৰ পৰা বাংলাদেশলৈ বস্তু নিয়াৰ কাৰণে ভাৰত চৰকাৰে দিয়া 'এক্সপর্ট লাইচেঞ্চ' আছে ? বাংলাদেশলৈ সামগ্রী বিলাক নিয়া বন্ধ কৰিব নেকি ?

★ ডাঃ অর্দ্ধেন্দু কুমাৰ দে (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মই প্রথমতে কৈছো এইবিলাক 'এলাউ' কৰা নাই ।

★ ডঃ জয়নাথ শর্মা : মাননীয় অধ্যক্ষ মহোদয়, 'এলাউ' কৰা নাই কিন্তু তেনে ধৰণৰ 'লাইচেঞ্চ' কিমান আছে ?

★ ডাঃ অর্দ্ধেন্দু কুমাৰ দে (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো ডি, চিৰ কাম কিন্তু আমি জনাত ২ জন মানুহে 'এক্সপোর্ট' লাইচেঞ্চ' লৈছিল । ডি, চি, এ আমাক জনাইছিল সেইটো 'এলাউ' কৰিব লাগে, আমি সেইটো 'এলাউ' কৰা নাই ।

★ মৌলানা আব্দুল জলিল বাগিবী : মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো. আগতে আমাৰ নিত্য প্রয়োজনীয় খাদ্য সামগ্রী সমূহৰ পাইকাৰী মূল্য তালিকা প্রচাৰ কৰাৰ নিয়ম আছিলনে নাই নেজানো। যদি নাই সেইটো দৈনন্দিন প্রচাৰ কৰাৰ ব্যৱস্থা কৰিব নেকি ?

★ Speech not corrected.

Questions And Answers

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, আগতে আছিলনে নাই নাজানো, আলোচনা কৰি আছো. প্ৰচাৰ মাধ্যমৰ দ্বাৰা প্ৰচাৰ কৰিব লাগিব ।

(Starred Question No. 290 was lapsed)

Mr. Speaker : Now Question No. 291. Questioner Shri Nizamuddin Khan.

বিষয় : বিনামূলীয়া বীজ যোগান ।

শ্ৰীনিজামুদ্দিন খানে সুধিছে ঃ

☆ ২৯১। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৪-৯৫ বিত্তীয় বৰ্ষত কৃষকলৈ বিনামূলীয়া ৰবি শস্যৰ বীজ যোগান ধৰা হৈছে নে ?

(খ) যদি হৈছে, কি কি বিধান যোগান ধৰা হৈছে ।

(গ) এই বিধানৰ বাবে কিমান টকা খৰছ কৰা হৈছে ? (জিলা ভিত্তিত জনাব) ।

(ঘ) এই বিধান কোন নিগম বা ক'ৰ পৰা সংগ্ৰহ কৰা হৈছে ?

(ঙ) বিধান সংগ্ৰহৰ কাৰণে নমুনাসহ নিবিদা বিচৰা হৈছিল নে ?

(চ) যদি হৈছিল, নমুনাসহ কিমান নিৰিখৰ কিমানটা নিবিদা পোৱা হৈছিল ?

(ছ) নিবিদাৰ নমুনামতে বীজ যোগান ধৰা হৈছে নে ?

(জ) ৰৰপেটা জিলাত বিতৰণ কৰা কৃষকৰ নাম ঠিকনাসহ তালিকা দিব ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) নাই । কেৱল মাত্ৰ প্ৰদৰ্শনমূলক খেতিৰ বাবে নতুন জাতৰ মিনিকিট দিয়া হৈছে ।

(খ) নতুন উন্নত জাতৰ ধান, চীনাবাদাম আৰু মটৰ মাহ ।

(গ) জিলা ভিত্তিক প্ৰদৰ্শনমূলক মিনিকিট বীজৰ আৱণ্টন আৰু সংশ্লিষ্ট মূল্যৰ তালিকা গাঠি দিয়া হ'ল । (See the Annexure-I)

★ Speech not corrected.

Questions And Answers

(ঘ) ষ্টেট ফার্মস কর্পোরেশন অব ইণ্ডিয়া (ভাৰত চৰকাৰ) পশ্চিমবঙ্গ বীজ নিগম, U. P. Beeds & T. D. C ৰ পৰা ক্রয় কৰি অসম বীজ নিগমে যোগান ধৰে ।

(ঙ) প্রশ্ন নুঠে ।

(চ) প্রশ্ন নুঠে ।

(ছ) প্রশ্ন নুঠে ।

(জ) উপকৃত কৃষকৰ তালিকা সদনৰ মেজত দাখিল কৰা হ'ল ।

★ শ্রীনিজামুদ্দিন খান : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰো যে ১৯৯৪-৯৫ বিত্তীয় বৰ্ষত ৰাইজক ৰবি শস্যৰ বীজ যোগান ধৰা হৈছিল, কিমান যোগান ধৰা হৈছিল, সেইবিলাক কৃষকসকলে পোৱা নাই সেই কথাটো জানেনে ?

★ শ্রীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, সেই-বিলাক 'মিনিকিট' হিচাবে দিয়া হৈছিল কেৱল প্রদর্শনমূলক খেতিৰ বাবে ।

★ শ্রীনিজামুদ্দিন খান : মাননীয় অধ্যক্ষ মহোদয়, সেই বস্তু বিলাক দিয়াৰ পিচটো কৃষকে ফচল কৰিব পৰা নাই ।

★ শ্রীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, তেনে খবৰ আমি পোৱা নাই ।

★ ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়াৰ পৰা জানিব বিচাৰিছো যে এই বীজবিলাক যোগান ধৰাৰ ক্ষেত্রত কামৰূপ জিলাৰ বকো চাবডিভিজনৰ কৃষি সম্প্রসাৰণ বিষয়া জনে কৃষক সকলক এই বিলাক যোগান নধৰি সেইবোৰ বিক্রী কৰি দিয়া বুলি অভিযোগ উঠিছে, তাৰ কিবা ব্যৱস্থা লব নেকি ?

★ শ্রীমতী আনোৱাৰা টাইমুৰ (মন্ত্রী) মাননীয় অধ্যক্ষ মহোদয়, সেইটো নিশ্চয় কৰা হ'ব ।

★ শ্রীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, চন্দ্রপুৰ সাৰ কাৰখানাৰ সাৰ বাংলা-দেশক বিক্রী কৰিবলৈ বিচাৰিছে অথচ অসমৰ খেতিয়কে সাৰ পোৱা নাই ।

★ Speech not corrected.

চাহবাগান বিলাকে সাৰ পাই আছে, যোৱাবাৰে এইটো কৰা কথা আছিল কিন্তু এতিয়ালৈকে কৰা নহল ।

★ শ্রীমতী আনোৱাৰা টাইমুৰ (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো সাৰৰ প্রশ্ন, সেই কথাটো ইয়াত নাহে যদিও মই কৈছো এই বিষয়ে দিল্লীত মিটিং হৈছিলে । আমি সেই মিটিঙত অসমে নিয়মীত ভাবে সাৰ পাব পাব লাগে তাৰ বিষয়ে আলোচনা কৰিছিলো । ইউৰীয়াকে আদি কৰি অন্যান্য সাৰ দিব লাগে ।

★ শ্রীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, আলোচনা কৰি এই সাৰ কাৰখানাটো ভাৰত চৰকাৰক দি দিছে নেকি ?

★ শ্রীমতী আনোৱাৰা টাইমুৰ (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, আমি এই বিষয়ত ভাৰত চৰকাৰলৈ বহুবাৰ টেলিগ্রাম কৰিছো এতিয়া হয়টো সাৰ ঠিকমতে দিব ।

Mr. Speaker, Now Question No. 292. Questioner Sri Parimal Suklabaidya.

Re : Number of Tea Garden

Shri Parimal Suklabaidya asked :

★ 292. **Will the Minister of Labour be Pleased to state :**

(a) **How many Tea Gurdens are there in Barak Valley ? Among them how many gardens are provided with electricity connection to their labour as well as ex-labour families ? (Mention the name of the garden).**

(b) **If there any Act or Rule for not providing electricity connection to the garden labour and ex-garden labour families residing under the jurisdiction of tea garden ?**

---

* Speech not corrected.

Questions And Answers

(c) Please state the name of the tea garden in which electricity connection has not given to labour and ex-labour families ?

(d) Whether the Government will take immediate measures for providing the electric connection to the garden labour and ex-garden labour families ?

Shri Dileswar Tanti (Minister labour) replied :

(a) There are 102 Tea Estates in Barak Valley. Only one i. e. Coomber Tea Estate in Cachar District has provided electrification.

The question of providing electricity connection to ex-labour families does not come under the purview of the Labour Department.

(b) There is no Act or Rule for not providing such connection to garden labour and ex-garden Labour families.

(c) The names of the Tea Gardens in which the electricity connection has not been given, are shown in Annexure-1. (See the Annexure— II)

(d) The matter has already been taken up with the managements of the tea gardens and the progress of implementation is periodically reviewed in the Standing Labour Committee of the State. A. S. E, B. has been requested to provide electricity to the workers quarter at the same rates as applicable to rural domestic consumers.

★ শ্রীপবিমল শুক্লাবৈদ্য : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রীয়ে উত্তৰত কৈছে যে ১০২ খন চাহ বাগানৰ মাজত ১ খনৰহে 'ইলেকট্রিফিকেশ্যান'

★ Speech not corrected.

হৈছে। মই ভাবো এইটো শতকৰা ১০০ ভাগৰে হোৱা নাই আৰু তেখেতে কৈছে যে চৰকাৰৰ তেনে কোনো এক্ট বা ৰুল নাই টি গাৰডেনত বা এক্স-টি গাৰডেনত ইলেকট্ৰিফিকেশ্যন দিব লাগে। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে তেখেতে এখন ৰাজহুৱা সভাত তাত মাননীয় মন্ত্ৰী শ্ৰীভি পি গোৱালা আছিল এখন টি গার্ডেনত 'ইলেকট্ৰিচিটি' কৰি দিয়াৰ আশ্চাস দিছিল। কিন্তু আজিলৈকে সেইটো হৈ নুঠিল।

★ শ্ৰীদিলেশ্বৰ তাঁতী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, চাহবাগিচা বিলাকত ইলেকট্ৰিফিকেশ্যন কম্পালচৰি দিয়াৰ আইন স্পষ্টভাৱে নাই। তাত মাত্ৰ লাইন বিলাকত ইলেকট্ৰিফিকেশ্যন দিয়াৰ উল্লেখ আছে। এই ক্ষেত্ৰত সেই কথাবিলাক চাবৰ কাৰণে 'ষ্টেনডিং কমিটি' আছে। তেওঁলোকে যোগাযোগ কৰাত এইটো 'কৰেল এবিয়া'ত দিয়া হৈছে। তেওঁলোকে এইটো 'পিকআপ' কৰিছে। এতিয়া এইটো এ, এচ, ই, বিত 'কৰেল'ত দিবনে 'বাল্ব ৰেটত দিবনে সেইটো চলি আছে। এইটো এতিয়া মাননীয় বিভাগীয় মন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ ওচৰত আছে। ইউনিয়নে ধৰিছে, ব্যৱস্থা কৰা হব।

★ ড. জয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে জনাবনে যে অসমত যিমানবিলাক চাহ বাগান আছে তেওঁলোকৰ প্ৰয়োজনীয় অধিকাংশ বিজুলি যোগান এ, এচ, ই, বি, য়ে ধৰে। এতিয়া অসমৰ চাহ বাগান বিলাকক নিজা ববীয়াকৈ ইলেকট্ৰিচিটি প্ৰডিউচ কৰাৰ কাৰণে চৰকাৰে নিৰ্দ্দেশ দিব পেকি ? এই ক্ষেত্ৰত ইতিমধ্যে কোনো চাহ বাগানে নিজা ববীয়াকৈ পাৱাৰ জেনেৰেট কৰাৰ কাৰণে সিদ্ধান্ত লোৱা সম্পৰ্কে চৰকাৰ অবগত নে ?

★ শ্ৰীদীলেশ্বৰ তাঁতী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, চাহ বাগান বিলাকে নিজা ববীয়াকৈ পাৱাৰ জেনেৰেট কৰাৰ কাৰণে এতিয়া চিন্তা কৰা হৈছে। এই ক্ষেত্ৰত যোৱাকালিও বিধান সভাত এগ্ৰিকালচাৰ ইন্‌কাম টেক্স সম্পৰ্কীয় বিল এখনত এই বিষটো আলোচনা কৰা হৈছে। কিন্তু সেইটো হৈ নুঠা-লৈকে চাহ বাগানবোৰত বিজুলি যোগান ধৰাৰ দায়িত্বটো চৰকাৰৰ আছে।

★ Speech not corrected.

অৱশ্যে এই প্ৰশ্নটোৰ সংক্ৰান্তত কৰেল বেট আৰু বাৰ্ষ বেট লৈ এটা সিদ্ধান্ত হব লাগে।

★ শ্ৰীপবিমল শুক্লাবৈদ্য : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এটা কথা কৈছে যে চাহ বাগানৰ লেবাৰ কোৱাৰ্টাৰ বিলাকত বিজুলি যোগান ধৰাৰ বাবে কোনো ধৰা-বন্ধা কল নাই। এই ক্ষেত্ৰত মই এটা কথা কব খোজো যে ৰবাক ভেলিত যিমানবিলাক চাহ বাগান আছে তাৰ বেছি ভাগতে লেবাৰ কোৱাৰ্টাৰ নাই। যিবিলাক বাগানত লেবাৰ কোৱাৰ্টাৰ আছে সেইবিলাক লেবাৰ সকলে নিজাকৈ কৰি লৈছে যদিও বাগান এৰিয়াত থকা কাৰণে তেওঁলোকে যেতিয়া ইলেকট্ৰিচিটি লব লগীয়া হয় তেতিয়া বাগান মেনেজমেণ্টৰ ওচৰলৈ যাব লগা হয়। গতিকে যিসকল লেবাৰৰ বাগান এৰিয়াত ঘৰ আছে তেওঁলোকক বিজুলি দিয়াৰ কাৰণে কিবা বন্দৰস্ত কৰিব নে ?

★ শ্ৰীদীলেশ্বৰ তাঁতী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ৰবাক ভেলিৰ চাহ বাগান বিলাকত কোম্পানীৰ ফালৰ পৰা বনাই দিয়া লেবাৰ কোৱাৰ্টাৰ নোহোৱা কথাটো নহয়। কিন্তু তুলনামূলক ভাৱে ষ্টেণ্ডাৰ্ড ঘৰৰ সংখ্যা কম। এই-খিনিতে মই এটা কথা কব লাগিব যে ৰবাক ভেলিৰ চাহ বাগানবোৰৰ বেছি ভাগৰে ইকনমিক কণ্ডিচন বেয়া হোৱাৰ কাৰণে কোৱাৰ্টাৰৰ সংখ্যা কম। কিন্তু যি সকলৰ নিজস্ব ঘৰ আছে তেওঁলোকক ইলেকট্ৰিচিটি দিয়াৰ ব্যৱস্থাটো হব লাগে।

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : অধ্যক্ষ মহোদয়, যোৱাকালি এই বিধান সভাত এগ্ৰিকালচাৰ ইনকাম টেক্স সম্পৰ্কে আলোচনা কৰোতে চাহ বাগান বিলাকে নিজা ৰবীয়াকৈ পাৰাৰ ভেনেৰেট কৰা বিষয়ে আলোচনা কৰা হৈছিল। এই ক্ষেত্ৰত মই এটা কথা জানিব বিচাৰিছো যে এতিয়া যিবোৰ চাহ বাগানত বিজুলি যোগানৰ ব্যৱস্থা নাই সেইবোৰ চাহ বাগানত মজদুৰ সকলক বিনামূলীয়াকৈ বিজুলি যোগান দিয়াৰ ব্যৱস্থা কৰিব নে ?

★ Speech not corrected.

Questions And Answers

★ শ্রীদীলেশ্বৰ তাঁতী (মন্ত্রী) : অধ্যক্ষ মহোদয়, মই শ্রম মন্ত্রী হিচাবে এই বিষয়টোত কোনো এচুৱেঞ্চ দিব নোৱাৰিম কিয়নো এইটো ইণ্ডাষ্ট্রি আৰু পাৱাৰ বিভাগৰ লগত জড়িত বিষয়।

★ মৌলানা আব্দুস জলিল বাগিবী : অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্রী মহোদয়ক এটা কথা সুধিব খুজিছো যে চৰকাৰৰ যিসকল কর্মচাৰী আছে তেওঁলোকক কোৱার্টাৰত চৰকাৰৰ ফালৰ পৰা বিজুলি যোগান ধৰা হয়। কিন্তু চাহ বাগানৰ মজদুৰ সকলৰ ক্ষেত্রত সেইটো কৰা হোৱা নাই। এতিয়া কথা হ'ল মজদুৰসকল একেবাৰে দৰিদ্র সীমাৰেখাৰ তলত থকা লোক, তেওঁলোকৰ কোনো নিজস্ব সম্পত্তি নাই। দিন হাজিৰা কৰি জীৱিকা নির্ব্বাহ কৰে। তেওঁলোকৰ ওপৰত ভিত্তী কৰি চাহ বাগানৰ কোম্পানী-বোৰে কোটি কোটি টকা উপার্জন কৰে। এই ক্ষেত্রত আমাৰ এটা দাবী হ'ল এই দৰিদ্র মজদুৰসকলক বাগান কোম্পানী বিলাকে বিনামূলীয়াকৈ বিজুলী যোগান ধৰিব লাগে। এই ক্ষেত্রত চৰকাৰে ব্যৱস্থা লবনে ?

★ শ্রীদীলেশ্বৰ তাঁতী (মন্ত্রী) : অধ্যক্ষ মহোদয়, এই সম্পর্কত যোগাযোগ কৰি থকা হৈছে আৰু চাহ বাগানৰ লেবাৰ ইউনিয়নৰ ফালৰ পৰাও বহু দিন ধৰি দাবী উৎথাপন কৰি আহিছে। এই ক্ষেত্রত চৰকাৰে ষ্টেনডিং লেবাৰ কমিটিত আলোচনা কৰাৰ পৰিপ্রেক্ষিতত চাহ বাগানৰ কোৱার্টাৰ বোৰত বিজুলি যোগান ধৰা কথাটো মেনেজমেণ্টে মানি লৈছে যদিও ৰুৱেল ৰেটত দিয়াৰ কাৰণে এ, এচ, ই, বি, ৰ লগত টনাটনি কৰি আছে। গতিকে এই ক্ষেত্রত এটা সিদ্ধান্ত লবলগীয়া আছে।

★ মৌলানা আব্দুল জলিল বাগিবী : অধ্যক্ষ মহোদয়, চাহ বাগানৰ মজদুৰসকল অতি দুখীয়া লোক। তেওঁলোকৰ পৰা বিজুলি যোগানৰ নামত কোনো টকা লব নালাগে। এইটো কোম্পানীয়ে দিব লাগে আৰু সেই ক্ষেত্রত চৰকাৰে এটা নীতি ঘোষণা কৰিব লাগে।

★ শ্রীৰমেন্দ্র নাৰায়ণ কলিতা : অধ্যক্ষ মহোদয়, যোৰাকালি যিখন বিল অনা হৈছে তাত চাহ কোম্পানী বিলাকক বহুতো সুবিধা দিয়া হৈছে। গতিকে

★ Speech not corrected.

এই ক্ষেত্রত মালিক পক্ষৰ লগত আলোচনা কৰি চাহ বাগানৰ মজদুৰ সকলক বিনামূলীয়াকৈ বিজুলি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

★ শ্রীপবিমল শুক্লাবৈদ্য : অধ্যক্ষ মহোদয়, শ্রমমন্ত্রী মহোদয়ে এটা কথা কৈছে যে লেবাৰ কোৱার্টাৰ বিলাকত বিজুলি যোগান সম্পর্কে যোগাযোগ চলি আছে। এই ক্ষেত্রত বাগান মেনেজমেণ্টৰ লগত কিবা লিখিত যোগাযোগ হৈছে নেকি আৰু যদি হৈছে তেনেহলে তাৰ কপি আমাক দিব নেকি ?

★ শ্রীদীলেশ্বৰ তাঁতী (মন্ত্রী) : অধ্যক্ষ মহোদয়, ষ্টেনডিং লেবাৰ কমিটিৰ বৈঠক প্রতি ৬ মাহে বহে আৰু তাত এইটো সিদ্ধান্ত হৈছে যে মেনেজমেণ্টে লেবাৰ কোৱার্টাৰত বিজুলি যোগান ধৰিব যদিও কৰেল ৰেটত দিয়াৰ কাৰণে মাস্তি হৈছে। ইয়াৰ বাহিৰে বাগিবী চাহাবে আইনগত কথা যিটো কৈছে সেই ক্ষেত্রত মই কব খোজো যে আমাৰ প্লেণ্টচন লেবাৰ এক্টখন ১৯৫১ চনৰে হোৱা কাৰণে তাৰ পেনেল প্রভিজনবোৰ মেনেজমেণ্টৰ ওপৰত কঠোৰ ব্যৱস্থা লৈৰা প্রভিজন নথকা কাৰণে মেনেজমেণ্টবোৰে বিশেষ কানসাৰ নিদিয়ে। গতিকে এইখন সংশোধন নকৰালৈকে আৰু বাগান মেনেজমেণ্টৰ ওপৰত কঠোৰ শাস্তিৰ ব্যবস্থা কৰিব নোৱাৰালৈকে আমি একো সুফল নাপাম।

★ श्रीबद्रीनरायणा सिंह : अध्यक्ष महोदय, मैं श्रद्ध्ये श्रम मंत्री जी को यह अवगत कराना चाहता हूँ कि अभी-अभी इन्हो ने कहा है कि चाय बगानो के श्रमिको के लिए जितना लेबर क्वाटर होना चाहिए उतने क्वाटर नही है। जिससे श्रमिको को काफी दिक्कत होती है। श्रम मंत्री जी से मैं अनूरोध करता हूँ कि श्रमिको के क्वाटर की सख्या मे बृद्धि करवाने की कृपा करे ताकि सभी को क्वाटर मिल सके। दूसरी बात है कि इन बगानो मैं पर्याप्त डाक्टर नहीं है। डाक्टर के अभाव मैं इनके बच्चो की जब बर्थ सार्टिफिकेट लेना पड़ता है तों नही मिल पाता है और उसके अभाव मैं उन बच्चों का स्कूलो मैं एडमिशान नही हों पाता। मैं श्रम मंत्री जी को इस अपनी बात से अवगत कराना चाहता हूँ।

☆ Speech not corrected.

★ মৌলানা আব্দুল জলিল বাগিবী : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে যিটো কৈছে চাহ বাগিচা বিলাকৰ যি আইন চলি আছে সেইটো হৈছে আনৰ দাসত্ব যুগৰ আইন। প্ৰাক্ স্বাধীনতা যুগৰ আইন চলি আছে। এইটো সংশোধনৰ কাৰণে ব্যৱস্থা হব নেকি ?

Mr. Speaker, Question No. 293. Questioner Shri Nazmul Haque.

বিষয় : গ্ৰাহক সুৰক্ষা

শ্ৰীনজমূল হকে সুধিছে :

★ ২৯৩। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) অসমৰ প্ৰতিখন মহকুমাত গ্ৰাহক সুৰক্ষা কমিটি আছেনে ?

(খ) গ্ৰাহক সুৰক্ষা কমিটিবোৰ সৰ্বদলীয় ভিত্তিত গঠন কৰাৰ ব্যৱস্থা লোৱা হবনে ?

(গ) অসমৰ গ্ৰাহক সুৰক্ষা কমিটিবোৰ যোগান বিভাগৰ দুৰ্নীতি ৰোধ কৰিব পাৰিছেনে ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

★ শ্ৰীনজমূল হক : মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো গ্ৰাহক সুৰক্ষা সমিতি অতি প্ৰয়োজনীয়, এইটো চৰকাৰী নে বেচৰকাৰী অৰগেনাইজেশ্বন ? এই কথাটো মন্ত্রী মহোদয়ে জনাব লাগে।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্রী) : অধ্যক্ষ মহোদয়, এইটো ভলুণ্টাৰী অৰগেনাইজেশ্বন।

★ শ্ৰীনজমূল হক : মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান গুৱাহাটীৰ গ্ৰাহক সুৰক্ষা সমিতিৰ একটিভিটি আৰু ফাঙচন ভাল হৈছে। কিন্তু আন জিলা বিলাকত

★ Speech not corrected.

গ্রাহক সুৰক্ষা সমিতি নাই যাৰ ফলত বস্তুৰ দাম জধে মধে বাঢ়ি গৈছে। গতিকে গুৱাহাটীত যি গ্রাহক সুৰক্ষা সমিতি আছে তেনেকৈ আন জিলাতো কৰি এজন একজিকিউটিভ মেজিষ্ট্রেট আৰু অতি কমেও দহ জন পুলিচ দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইটো কৰিব নেকি মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্রী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্যই কৈছে যে গুৱাহাটী গ্রাহক সুৰক্ষা সমিতিৰ একটিভিটি আৰু ফাঙচন ভাল হৈছে। বাকী বিলাক জিলাত গ্রাহক সুৰক্ষা সমিতি নোহোৱাৰ কাৰণে বস্তুৰ দাম বাঢ়ি গৈছে, কিন্তু সদনত মাননীয় সদস্যসকলে প্রকাশ কৰিছে যে গুৱাহাটীতো বস্তুৰ দাম বাঢ়ি গৈছে, গতিকে গুৱাহাটী গ্রাহক সুৰক্ষা সমিতিয়ে ভাল কাম কৰিছে যে কেনেকৈ কব।

★ শ্রীনজমুল হক : মাননীয় অধ্যক্ষ মহোদয়, ভাল হোৱা নোহোৱাৰ প্রশ্ন নহয়, যদি একজিকিউটিভ মেজিষ্ট্রেট থাকে তেতিয়া হলে সোনকালে ব্যৱস্থা লব পাৰে। সেই হিচাবে গ্রাহক সুৰক্ষা সমিতি গঠন কৰি একজিকিউটিভ মেজিষ্ট্রেট ৰখাৰ ব্যৱস্থা কৰি এখন নতুন আইন কৰিব নে, এই বিধান সভাৰ মজিয়াতে নতুন আইন কৰিব নেকি ?

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্রী) : অধ্যক্ষ মহোদয়, মই প্রথমে কৈছো যে এইটো ভলুণ্টাৰী অৰগেনাইজেশ্বন। যদি কোনোবাই গঠন কৰে নিশ্চই আমি আদৰণি জনাম।

★ ডঃ জয়নাথ শর্মা : মাননীয় অধ্যক্ষ মহোদয়, গ্রাহক সুৰক্ষা সমিতিৰ কিমান গোচৰ পেনডিং আছে এইটো মন্ত্রী মহোদয়ে জনাবনে ?

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্রী) : অধ্যক্ষ মহোদয়, গ্রাহক সুৰক্ষা সমিতি গভর্ণমেণ্ট অৰগেনাইজেশ্বন নহয়, এইটো ভলুণ্টাৰী অৰগেনাইজেশ্বন।

★ শ্রীদেৱান জয়নাল আবেদিন : অধ্যক্ষ মহোদয়, এসময়ত প্রতি মহকুমাতে চাপ্লাই এড্‌ভাইজৰী কমিটি গঠন কৰি দিয়া হৈছে। এই কমিটি বিলাকৰ

★ Speech not corrected.

ফাঙচন হৈ আছে নে নাই ? যদি হোৱা নাই চাপ্লাইৰ যাতে হয় তাৰ বাবে তেনে কমিটি নিয়োগ কৰাৰ ব্যৱস্থা কৰিব নেকি ?

★ শ্রীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, গ্রাহক অভিযোগৰ ক্ষিপ্র নিষ্পত্তি-কৰণৰ হকে অসম ৰাজ্যিক উপভোক্তা বিবাদ নিৰাকৰণ আয়োগ আৰু জিলা উপভোক্তা বিবাদ নিৰাকৰণ ফ'ৰাম (জিলা ফ'ৰাম) সমূহক পূর্ণ পর্য্যায়ৰ আৰু সর্বক্ষনীয় আদালত হিচাবে প্রতিষ্ঠা কৰাৰ কিবা ব্যৱস্থা লবনে ? এইটো সদৌ অসম গ্রাহক সুৰক্ষা সমিতিৰ দাবী আছে। তেওঁলোকৰ এই দাবী উঠিছে এইটো কোনে কৰিব, চৰকাৰে নেকি, এই বিষয়ে কব লাগে।

★ ডাঃ অর্দ্ধেন্দু কুমাৰ দে (মন্ত্রী) : অধ্যক্ষ মহোদয়, এইটো মই সদনৰ অবগতৰ কাৰণে জনাব বিচাৰিছো যে আমাৰ ইয়াত গ্রাহক সুৰক্ষা সমিতি অইনখন ১৯৮৬ চনত ৰাজিক ভিত্তিৰ আইন, ৰাজ্যিক আয়োগ (ষ্টেট-কমিচন), প্রত্যেক জিলাতে গঠন কৰা হৈছে। এতিয়া মাননীয় সদস্যসকলে গ্রহণ কৰিছে যে কমিটি আছে নেকি, এইটো ভলুণ্টাৰী অৰগেনাইজেশ্বন, আমাৰ ষ্টেট কমিশ্বন আৰু ডিষ্ট্রিক ফ'ৰাম আছে।

★ ড: জয়নাথ শর্মা : মাননীয় অধ্যক্ষ মহোদয়, মই ফ'ৰাম বিচৰা নাই, মই কমিটিহে বিচাৰিছো। এই সম্পর্কত মাননীয় মন্ত্রী মহোদয়ে অলপ কবনেকি ?

★ ডাঃ অর্দ্ধেন্দু কুমাৰ দে (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়,, জিলা ফ'ৰাম গঠন কৰা হৈছে। এই ফৰাম বিলাক চৰকাৰে গঠন কৰিছে। অধ্যক্ষ মহোদয়, এই ক্ষেত্রত মই অলপ কম। গ্রাহক সুৰক্ষা আইন ১৯৮৬ ৰ অধীনত অসমত ৰাজ্যিক ভিত্তিত ৰাজ্যিক আয়োগ আৰু জিলা ভিত্তিত জিলা কার্য্য পালিকা প্রত্যেক জিলাতে গঠন কৰা হৈছে। কামৰূপ জিলাত পূর্ণ পর্য্যায়ৰ জিলা ফ'ৰাম গঠন কৰা হৈছে। ৰাজিক আয়োগৰ সভাপতি উচ্চন্যায়ালয়ৰ ন্যায়াধীশ পর্য্যায়ৰ আৰু জিলা ফ'ৰামৰ সভাপতি জিলা ন্যায়াধীশ পর্য্যায়ৰ লোক, ৰাজ্যিক আয়োগ আৰু জিলা ফ'ৰামৰ দুজন সদস্যৰ এজন সদস্য মহিলা। জিলা ফ'ৰামত গ্রাহকে ৫ লাখ টকা লৈকে মূল্যৰ অভিযোগ আৰু ৰাজ্যিক আয়োগত ৫ লাখ টকাৰ অধিক আৰু ২০ লাখ টকালৈকে

★ Speech not corrected.

মূল্যৰ অভিযোগ দাখিল কৰিব পাৰিম। ৰাষ্ট্ৰীয় আয়োগত ২০ লাখ টকাৰ অধিক মূল্যৰ অভিযোগ দাখিল কৰিব পাৰিব। গ্ৰাহকে অভিযোগ দাখিল কৰোতে কোনো মূল্য দিব নালাগে। ইয়াৰ উপৰিও গ্ৰাহকৰ অধিকাৰ সাব্যস্ত কৰাত সহায় কৰাৰ উদ্দেশ্যে "গ্ৰাহক সুৰক্ষা পৰিষদ" চৰকাৰে গঠন কৰিছে। গ্ৰাহক সুৰক্ষা আইন, ১৯৮৬ ৰ অধীনত "অসম ৰাজ্যিক গ্ৰাহক সুৰক্ষা বিধি, ১৯৮৯" প্ৰণয়ন কৰিছে। গ্ৰাহকৰ অভিযোগ সমূহ নিষ্পত্তি কৰাত সহায় কৰাত সহায় কৰা, গ্ৰাহক সুৰক্ষা আইনে প্ৰদান কৰা অধিকাৰ সমূহ গ্ৰাহকৰ মাজত বহলভাৱে প্ৰচাৰিত হোৱাৰ উদ্দেশ্যে চৰকাৰে জিলা মহকুমা পৰ্য্যায়ত যাতে স্বেছাসেৱী অনুষ্ঠান গঠন হয় সেই উদ্দেশ্যে কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। ৩১/১২/৯৪ ইং তাৰিখলৈকে ৰাজ্যিক আয়োগত ৩৫৭ টা গোচৰ ৰুজু কৰা হৈছে। তাৰে ১২৮ টা গোচৰ নিষ্পত্তি হৈছে। গ্ৰাহকৰ সমক্ষে ১২৪ টা গোচৰ নিষ্পত্তি হৈছে। জিলা ফ'ৰামত ২২৬৮ টা গোচৰ ৰুজু কৰা হৈছে তাৰে ৯৬৪ টা গোচৰ নিষ্পত্তি হৈছে। ৪৯৪ টা গোচৰ গ্ৰাহকৰ সপক্ষে নিষ্পত্তি হৈছে। অধ্যক্ষ মহোদয়, মাৰ্চ মাহলৈ মোৰ হাতত তথ্য আছে, পঢ়ি দিব পাৰো।

★ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ষ্টেট ফ'ৰামৰ কথা কৈছে। ষ্টেট ফ'ৰামৰ চেয়াৰমেনজন যোৱা ৫ মাহেও নাই। অধ্যক্ষ মহোদয়, তাত লেডিজ মেম্বাৰো নাই। গতিকে এই ক্ষেত্ৰত যি ষ্টেট ফ'ৰাম আছে তাত হাইকোৰ্টৰ জাৰ্জ দিব নেকি? নহলে কাম নহব।

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, চেয়াৰমেন ইতিমধ্যে নিয়োগ কৰা হৈছে। মহিলা সদস্যও দিছে। আগতে ফুকন আছিল এতিয়া বেলেগক দিয়া হৈছে।

Mr. Speaker : Now Starred Question No 294. Questioner Shri Dipendra Rongpi and others.

Re : Up-gradation of post of Addl. Chief Engineer.

Shri Dipendra Rongpi,
Shri Monsing Rongpi,
Shri Babu Rongpi,
Shri Holi Ram Terang, } **Asked :**

★ Speech not corrected.

Questions And Answers

☆ 294. Will the Minister of Irrigation be pleased to state :

(a) What was the decision taken in the departmental meeting on up-gradation of Addl. Chief Engineer, Diphu to Chief Engineer (H) (Please furnish copy of the proceedings) ?

(b) Please state the jurisdiction of the present Addl. Chief Engineer, Diphu ?

Sri Zehirul Islam (Minister of Irrigation) will reply :

(a) As per the Minutes of the meeting hold on 27-5-94 in the office of the Development Commissioner for Hill Areas, it was recommended for creation of a post of Chief Engineer, Hills and the Deptt, is to submit proposal to the Development Commissioner. (copy of the minutes placed on the floor of the House). Annexure-A

(See the Annexure– III)

(b) The present jurisdiction of the Addl. Chief Engineer, Zone-IV, Irrigation, Diphu covers the Karbi-Anglong District, N. C. Hills District and the three districts of Barak Valley.

Mr. Speaker : Now Question No 295. Questioner Sri Pani Ram Rabha.

বিষয় : পানী যোগান

শ্রীপানীৰাম ৰাভাই সুধিছে :

★ ২৯৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে জনুগ্রহ কৰি জনাবনে :

(ক) উত্তৰকুছিৰ চকীত খেতি পথাৰত পানী যোগানৰ বাবে জলসিঞ্চনৰ আঁচনি

লবলৈ মন্ত্রী মহোদয়ে বিভাগীয় বিষয়াক জৰীপৰ বাবে পঠাইছিল নেকি ?

(খ) যদি পঠাইছিল, জৰীপ হৈ যোৱাৰ পিছত আঁচনিটো অনুমোদন দিয়া হ'লনে ?

শ্রীজেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) উত্তৰকুছিৰ চকীত এটা চলিত জলসিঞ্চন আঁচনি ইতিমধ্যে আছে। এই আঁচনিখনৰ পুনৰ আহিকৰণ নামে এখন আঁচনিৰ জৰীপ কাৰ্য্যৰ কাৰণে বিবেচনা কৰা হৈছে।

(খ) আঁচনিখন ১৯৯৫-৯৬ চনৰ প্রস্তাৱিত আঁচনিৰ তালিকাত অন্তর্ভূক্ত কৰা হ'ব আৰু অন্তর্বিভাগীয় সমিতিৰ অনুমোদনৰ বাবে পেচ কৰা হব। অনুমোদিত হলে, কাম আৰম্ভ কৰিব পৰা যাব।

★ শ্রীপানীৰাম বাভা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে কৈছে যে অনুমোদনৰ কাৰণে পেচ কৰা হ'ব। অনুমোদন পালে কাম আৰম্ভ কৰিব। কিন্তু কথা হৈছে অনুমোদন কোনে দিব। তেখেত এই বিভাগৰ নিজে মন্ত্রী। তেখেতেই অনুমোদন দিব লাগিব। গতিকে মন্ত্রী মহোদয়ে কব লাগে অনুমোদন কৰিব নে নাই।

★ শ্রীজেহিৰুল ইছলাম (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, আঁচনিখন আহিলে বিবেচনা কৰা হব। এই আঁচনিখন নাহিলে বিবেচনা কৰাত অসুবিধা হব। অধ্যক্ষ মহোদয়, মই যদি মন্ত্রী হৈ থকা সময়তে আঁচনিখনৰ প্রস্তাৱ আহে তেতিয়াহলে অনুমোদন দিম।

★ শ্রীপানীৰাম বাভা : মাননীয় অধ্যক্ষ মহোদয়, এই প্রশ্নটো যোৱাবাৰে কৰা হৈছিল তাৰ আগৰ বছৰো কৰা হৈছিল। এইবাৰ তৃতীয় বছৰত কৰা হৈছে। মন্ত্রী মহোদয়ে যোৱাবছৰ কৈছিল ১৯৯৩-৯৪ ত লোৱা হব। এতিয়া উত্তৰ দিছে ১৯৯৫-৯৬ চনৰ প্রস্তাবিত আঁচনিৰ তালিকাত অন্তর্ভূক্ত কৰা হব। আচলতে কেতিয়া কৰা হব মন্ত্রী মহোদয়ে জনাব নেকি ?

★ শ্রীজেহিৰুল ইছলাম (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এষ্টিমেত আহিলে হব। এই সম্পর্কত মাননীয় সদস্য শ্রীৰাভাৰ লগতো আলোচনা কৰিছিলো।

★ Speech not corrected.

এতিয়া এষ্টিমেত পালে সোনকালে কৰা হব ।

★ শ্রীবুবুল দাস : মাননীয় অধ্যক্ষ মহোদয়, মৰিগাওঁ জিলাত স্পেচিয়েল কম্পোনেণ্টৰ যি কেইটা আঁচনি আছিল সেই কেইটা নামতহে আছে । কপিলী জলসিঞ্চন আঁচনিৰ কাম যথেষ্ঠ কৰা হৈছে । কিন্তু এতিয়াও পানী যোগান হোৱা নাই । পানী যোগানৰ কি ব্যৱস্থা আছে জনাব নেকি ?

★ শ্রীজেহিৰুল ইচলাম (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, কপিলী প্রজেক্টৰ তথ্য বৰ্ত্তমান মোৰ হাতত নাই । মাননীয় সদস্যজন মোৰ কার্য্যালয়লৈ আহিলে এটা সময় নির্দ্ধাৰণ কৰি বিষয়া সকলক মাতি আনি আলোচনা কৰিব পাৰিম ।

Mr. Speaker : Now Question No. 296 Questioner Shri Hiteswar Deka, Minister Labour is to reply :

বিষয় : শিশু শ্রমিকৰ সংখ্যা ।

শ্রীহিতেশ্বৰ ডেকাই সুধিছে :

★ ২৯৬। মাননীয় শ্রম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) ৰাজ্যখনৰ বিভিন্ন চৰকাৰী কল-কাৰখানা, উদ্যোগ ইত্যাদিত কাম কৰা ১৪ বছৰৰ তলৰ বছৰৰ তলৰ 'শিশু শ্রমিক'ৰ সংখ্যা কিমান ?

(খ) এই শিশু শ্রমিকবোৰক দিয়া মাহিলী বেতনৰ উচ্চ আৰু নিম্ন নিৰিখ কি ?

(গ) এই শিশু শ্রমিকবোৰৰ ক্ষেত্রত চৰকাৰে কি কি কল্যাণমূলক আঁচনি গ্রহণ কৰিছে ?

(ঘ) ব্যক্তিগত ভাৱে মানুহৰ ঘৰত কাম-বন কৰাকৈ থকা ১৪ বছৰৰ তলৰ শিশু শ্রমিকৰ মুঠ সংখ্যা কিমান ? এই তথ্য চৰকাৰৰ হাতত আছেনে ?

(ঙ) এনেদৰে থকা শিশু শ্রমিকবোৰৰ মাহিলী বেতনৰ নিম্নতম নিৰিখ নির্দ্ধাৰণ কৰি দিয়াৰ বিষয়ে চৰকাৰে চিন্তা-চর্চা কৰিছে নেকি ?

শ্রীদিলেশ্বৰ তাঁতী (শ্রম মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) ১৯৪৮ চনৰ কাৰখানা আইনৰ অধীনত পঞ্জীভূক্ত চৰকাৰী, বেচৰকাৰী কাৰখানা সমূহত ১৪ বছৰৰ তলৰ কোনো কাম কৰা শিশু শ্রমিক নাই। চাহ উদ্যোগৰ বাহিৰে অন্যান্য উদ্যোগ সমূহত থকা শিশু শ্রমিকৰ তথ্য চৰকাৰৰ হাতত বৰ্ত্তমান নাই । চাহ উদ্যোগত মালিক পক্ষই দিয়া বছেৰেকীয়া প্রতিবেদনৰ

★ Speech not corrected.

ভিত্তিত ১৯৯৩ চনৰ ৩১ ডিচেম্বৰত ৮৪,০৬৯ জন শিশু শ্রমিক আছে বুলি উল্লেখ কৰিছিল। কিন্তু উক্ত তথ্যগত ৰাজ্যিক পর্য্যায়ৰ শিশু শ্রমিক উপদেষ্টা সমিতিত চাহ মালিক সস্থাৰ প্রতিনিধিয়ে ১৪ বছৰৰ পৰা ১৮ বছৰ বয়সৰ (Adolescent) কিশোৰ শ্রমিক বাগিছা সমূহত থকাৰ কথাহে দোহাৰিছে। এই বিষয়টো ক্ষেত্র বিষয়া সকলক পৰীক্ষা কৰি চাবলৈ কোৱা হৈছে।

(খ) প্রশ্ন নুঠে।

(গ) প্রশ্ন নুঠে।

(ঘ) ব্যক্তিগত ভাৱে মানুহৰ ঘৰত কাম-বন কৰা শিশু শ্রমিকসকল বর্ত্তমানে থকা ১৯৮৬ চনৰ শিশু শ্রমিক আইনখনৰ গণ্ডীৰ বাহিৰত আৰু এই শিশু শ্রমিকৰ সংখ্যাৰ তথ্য চৰকাৰৰ (শ্রম বিভাগৰ) হাতত নাই।

(ঙ) এই শিশু শ্রমিকৰ সংখ্যা নির্দ্ধাৰণ কৰাৰ পিচত যদি আৱশ্যক হয় তেন্তে মাহিলী বেতনৰ নিৰিখ বান্ধি দিয়াৰ ব্যৱস্থা লোৱা হব।

★ শ্রীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে কৈছে যে শিশু শ্রমিকৰ তথ্য তেখেতৰ হাতত নাই। কিছুমান ঘৰত কামকৰা ছোৱালী থাকে। সেইবিলাক গাওঁৰ পৰা আহে। সেইবিলাকৰ মাজত বহুটো ঘটনা ঘটে। অধ্যক্ষমহোদয়, এনেকুৱা ধৰণৰ ঘটনা বাতৰিত প্রকাশ পাইছে। গতিকে এই কাম-কৰা লৰা-ছোৱালী বিলাকৰ নির্দ্ধাৰিত দৰমহা দিয়াৰ কিবা ব্যৱস্থা কৰিব নেকি ?

★ শ্রীদিলেশ্বৰ তাঁতী (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, আমি ইয়াৰ ব্যৱস্থা লৈছো। কিন্তু ঘৰে ঘৰে কামকৰা লৰা-ছোৱালীৰ যি কথা কৈছে, উলিয়া-বলৈ অল আসাম চেঞ্চাস কৰিব লাগিব। সেইটো শ্রম বিভাগে কৰিব নোৱাৰিব।

★ শ্রীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, অইনৰ কথাটো বাদেই দিলো বাৰু। যিবিলাক এম, এল, এৰ ঘৰত এচেম্বলী চলি থকাৰ সময়ত কাম কৰি আছে তেওঁলোকক ৩০ টকা দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

★ শ্রীবুবুল দাস : মাননীয় অধ্যক্ষ মহোদয়, সেই শিশু শ্রমিক আইনৰ ৰেঞ্জ কৰাৰ ব্যৱস্থা কৰিব নেকি ?

★ Speech not corrected.

★ শ্রীদিলেশ্বৰ তাঁতী (মন্ত্রী) মাননীয় অধ্যক্ষ মহোদয়, সেইখন বেঞ্চ হৈ আছে। ১৪ বছৰৰ তলৰ সকলক শিশু শ্রমিক বুলি ধৰা হয়। তাৰ ওপৰৰখিনি পাৰমিচিবল।

☆ শ্রীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, বহুত ঘৰত কাম কৰা ল'ৰা ছোৱালী থাকে কিন্তু তেওঁলোকক দৰমহা দিয়া নহয়। তেওঁলোকক দৰমহা দিয়াৰ ব্যৱস্থা কৰিব নেকি ? তাৰোপৰি সৰু-সৰু ল'ৰা ছোৱালী বিলাকক মাৰপিত আদিও কৰা হয় সেইটো বন্ধ কৰাৰ ব্যৱস্থা কৰিব নেকি ? অধ্যক্ষ মহোদয়, ইয়াৰ ওপৰত আপুনি এটা ৰুলিং দিব নেকি ?

(Starred Question Nos. 297 to 300 could not be taken up for disposal as the Question Hour was over. However, the replies of the said Questions deemed to have been laid on the table of the House.)

বিষয় : পর্য্যটনক উদ্যোগ হিচাপে গঢ়ি তোলা।

শ্রীমুনীন মহন্তই সুধিছে :

★ ২৯৭। মাননীয় পর্য্যটন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) অসম ৰাজ্যখনত পর্য্যটনক উদ্যোগ হিচাপে গঢ়ি তুলিবলৈ অসম চৰকাৰৰ আঁচনি আছে নেকি ? অসমৰ পর্য্যটন সম্পর্কীয় মাষ্টাৰ প্লেন আছেনে ?

(খ) অসমত থকা আৰ, এ, পি, প্রত্যাহাৰ কৰা হৈছে নেকি ?

(গ) ১৯৯১ চনৰ পৰা ১৯৯৫ চনৰ মাৰ্চ মাহৰ ১ তাৰিখলৈকে কেন্দ্রীয় চৰকাৰে অসমৰ পর্য্যটনৰ বিকাশৰ বাবে কিমান ধন, কি কি আঁচনিৰ বিপৰীতে মোকোলাই দিছে জনাবনে ?

(প্রতি বছৰ ভিত্তিত আঁচনিৰ বিপৰীতে ধনৰ পৰিমাণ জনাব)

ঘ) উক্ত আঁচনি সমূহৰ কিমানটা এতিয়ালৈকে সম্পূর্ণ হৈ উঠিছে ?

(নামসমূহ দাখিল কৰিব)

শ্রীমুকুট শর্মা (পর্য্যটন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) অসম ৰাজ্যখনত পর্য্যটনক উদ্যোগ হিচাপে গঢ়ি তুলিবলৈ অসম চৰকাৰৰ

☆ Speech not corrected

আঁচনি আছে। অসমৰ পর্য্যটন সম্পর্কীয় মাষ্টাৰ প্লেন বর্ত্তমান নাই। মাষ্টাৰ প্লেন প্রস্তুত কৰাৰ বিষয়ে বিবেচনা কৰি থকা হৈছে।

(খ) অসমত থকা আৰ, এ. পি, সম্পূর্ণ প্রত্যাহাৰ কৰা হোৱা নাই।

(গ) ১৯৯১-৯২ চনৰ পৰা ১৯৯৫ চনৰ ১ মার্চলৈ' কেন্দ্রীয় চৰকাৰৰ পৰা পোৱা মঞ্জুৰী আৰু টকাৰ পৰিমাণৰ তালিকা এখনি ইয়াৰ লগত গাঠি দিয়া হ'ল।

(See the Annexure-IV)

(ঘ) সম্পূর্ণ হোৱা আঁচনিসমূহ ইয়াৰ লগত গাঠি দিয়া তালিকাখনিত দিয়া হৈছে।

বিষয় ঃ পর্য্যটন আবাস নির্মাণ।

শ্রীবদন বৰুৱাই সুধিছে ঃ

★ ২৯৮। মাননীয় পর্য্যটন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯১ চনৰ কুলাইৰ পৰা ১৯৯৪ চনৰ ভিতৰত অসমত নতুনকৈ কিমানটা পর্য্যটক আবাস নির্মাণ কৰা হৈছে আৰু কোন কোন ঠাইত কৰা হৈছে ?

(খ) কামৰূপ জিলাৰ হাজো ৰাজহ চক্রৰ অন্তর্গত নিজ হাজোত পর্য্যটক আবাস নির্মাণৰ কাম হাতত লৈছে নেকি ?

(গ) যদি লৈছে, কামৰ অগ্রগতি কিমান দূৰ ?

(ঘ) হাজোত পর্য্যটক নিবাসটো কেতিয়াকৈ সম্পূর্ণ কৰা হব আৰু তাৰ দ্বাৰা পর্য্যটকসকল কিমান উপকৃত হ'ব।

(ঙ) পঞ্চতীর্থ হাজোলৈ গুৱাহাটীৰ পৰা দৈনিক পর্য্যটক পৰিবহন এখন চলোৱাৰ ব্যৱস্থা লবনে ?

শ্রীমুকুট শর্মা (পর্য্যটন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯১ চনৰ আৰু ১৯৯৪ চনৰ ভিতৰত নতুনকৈ দুটা পর্য্যটক আবাস সজাৰ কাম হাতত লোৱা হ'ল। ইয়াৰ এটা তিনিচুকীয়াত আৰু আনটো ধেমাজী জিলাৰ জোনাইত।

(খ) তীর্থযাত্রীৰ বাবে এটি কুটিৰ নির্মাণৰ আঁচনি লোৱা হৈছে।

(গ) প্রাৰম্ভিক পর্য্যায়ৰ কাম প্রায় সম্পূর্ণ।

(ঘ) নিয়মিত ধনৰ আৱণ্টন তথা কামৰ অগ্রগতি সন্তোষজনক হলে ১৯৯৬ চনৰ

ভিতৰত সম্পূৰ্ণ হোৱাৰ আশা আছে। উক্ত কুটিৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হলে বহু সংখ্যক তীৰ্থযাত্ৰী তথা পৰ্যটকৰ অভাৱ সাময়িক ভাবে সম্পূৰ্ণ হব।

(ঙ) আঁচনি লোৱা হব।

বিষয় : শিশু শ্ৰমিক।

শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে :

★ ২৯৯। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্ত্তমানে ৰাজ্যখনত মঠ কিমানজন শিশু শ্ৰমিক আছে ? (সংগঠিত শিল্প-উদ্যোগ সমূহত)

(খ) I. L. O. ৰ নিৰ্দ্দেশ আৰু সিদ্ধান্ত অনুসৰি শিশু শ্ৰমিক নিয়োগৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীদিলেশ্বৰ তাঁতী (শ্ৰম মন্ত্ৰী) যে উত্তৰ দিছে :

(ক) ১৯৪৮ চনৰ কাৰখানা আইনৰ অধীনত পঞ্জীভূক্ত কাৰখানা সমূহত ১৪ বছৰ বয়সৰ তলত কামকৰা শিশু শ্ৰমিক নাই। কিন্তু সংগঠিত খণ্ডৰ ভিতৰত চাহ উদ্যোগত ৮৪, ০৬৯ জন শিশু শ্ৰমিকৰ হিচাব ১৯৯৩ চনৰ ৩১ ডিচেম্বৰৰ বছেৰেকীয়া প্ৰতিবেদনত দেখুওৱা হৈছে। বাকী সংগঠিত অন্যান্য উদ্যোগত শিশু শ্ৰমিকৰ তথ্য চৰকাৰৰ হাতত নাই।

(খ) I. L. O. নিৰ্দ্দেশনা আৰু সিদ্ধান্ত অনুযায়ী ভাৰত চৰকাৰে ১৯৪৮ চনৰ কাৰখানা আইন, ১৯৫১ চনৰ বাগিচা শ্ৰমিক আইন, ১৯৮৬ চনৰ শিশু শ্ৰমিক আইন, ১৯৫২ চনৰ খনি আইনত উক্ত নিৰ্দ্দেশনা সমূহ সন্নিবিষ্ট কৰিছে। তাৰোপৰি অসম চৰকাৰৰ ১৯৭১ চনৰ দোকান আৰু প্ৰতিষ্ঠান আইনতো উক্ত নিৰ্দ্দেশনাসমূহ সন্নিবিষ্ট কৰা হৈছে। ভাৰতীয় সংবিধানৰ ২৪,৩৯ (ই), ৩৯ (এফ্), ৪৫ অনুচ্ছেদতো উক্ত নিৰ্দ্দেশনা সমূহ লিপিবদ্ধ কৰা হৈছে। উক্ত আইনৰ ব্যৱস্থাসমূহ কাৰ্য্যকৰী কৰিবৰ কাৰনে অসম চৰকাৰে বিধি (খনি আইনৰ বাহিৰত) প্ৰণয়ন কৰি তাক বলৱৎ কৰিছে।

বিষয় : ডিপুৰ অনুজ্ঞা পত্ৰ।

ডাঃ কমলা কলিতাই সুধিছে :

Questions And Answers

★ ৩০০। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ছয়গাওঁ সমষ্টিৰ পুৱছমৰীয়া আৰু গৰৈমাৰী গাওঁ পঞ্চায়ত সমবায় সমিতিৰ বাবে কেৰাচিনৰ আৱণ্টন থকা "মেচাৰ্ কলিতা কেৰাচিন" ডিপুৰ স্থান গৰৈমাৰী বা পুৱছমৰীয়া মৌজাত নথকা সত্যনে ?

(খ) যদি সত্য, উক্ত ডিপুৰ বৰ্ত্তমান স্থান ক'ত জনাবনে ?

(গ) উক্ত ডিপুৰ অনুজ্ঞাপত্ৰ মতে নিৰ্দ্ধাৰিত স্থান গৰৈমাৰী হয় নে ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সঁচা।

(খ) "মেচাৰ্ কলিতা কেৰাচিন" ডিপুৰ বৰ্ত্তমান স্থান বনগাওঁ মৌজাৰ ২ নং আমবাৰী গাওঁত।

(গ) নহয়, গৰৈমাৰী আৰু আমবাৰী।

UNSTARRED

Questions And Answers

বিষয় : দুটকীয়া চাউল।

শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে :

৩৫৭। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ২ (দুই) টকীয়া চাউল যোগান দিয়াৰ বাবে দৰিদ্ৰ সীমাৰেখাৰ তলত থকা পৰিয়ালৰ সংখ্যা বঢ়োৱা হৈছে নে ?

(খ) যদি হৈছে পূৰ্ব্বৰ আৰু বৰ্ত্তমানৰ নতুনকৈ ভূক্ত কৰা পৰিয়ালৰ সংখ্যা কিমান হৈছে ?

(গ) পৰিয়াল সমূহলৈ নিয়মীয়াকৈ উক্ত চাউল যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে নে ?

(ঘ) পৰিয়াল সমূহক চিনাক্ত কি দৰে কৰা হৈছে আৰু চিনাক্ত কৰাৰ ক্ষেত্ৰত বিষয়ববীয়া পৰ্য্যায়ত কোনে মূল ভূমিকা গ্ৰহণ কৰিছে ?

(ঙ) দুই টকীয়া চাউল যোগানৰ বাবে চৰকাৰে মাহিলী পৰ্য্যায়ত কিমান ধন ভৰণি ভৰিব লগীয়া হৈছে ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, হৈছে ।

(খ) প্ৰায় ১৫,৩২,০০০ ।

(গ) হৈছে ।

(ঘ) বছৰি ৬,৪০০ টকাৰ নিম্ন আয়ৰ প্ৰতি পৰিয়ালক দৰিদ্ৰ সীমাৰেখাৰ আঁচনিৰ অধীনত চিনাক্ত কৰা হৈছে । উপযুক্ত আৰু মহকুমাধিপতি সকলক চিনাক্ত কৰণৰ মূল দায়িত্ব দিয়া হৈছে ।

(ঘ) যোৱা মাৰ্চ মাহলৈকে প্ৰায় ৩·২৪ কৌটি টকা মাহিলী খৰচ কৰিব লগীয়া হৈছে ।

বিষয় : মীন বিভাগত নিযুক্তি ।

শ্ৰীতাজেন্দ্ৰ নাৰ্জাৰীয়ে সুধিছে :

৬৫৮। মাননীয় মীন বিভাৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মীন বিভাগত যোৱা ইং-১৯৯১ ৰ পৰা এতিয়ালৈকে অনুসূচীত জনজাতিৰ কিমানজন মীন পালকক মীন ঋণ দিয়া হ'ল ?

(খ) অনুসূচীত জনজাতিৰ কিমানজন কৰ্মচাৰীক মীন বিভাগত নিযুক্তি দিয়া হ'ল ?

(গ) বিশেষ সূত্ৰৰ পৰা জনামতে মীন বিভাগত জনজাতিৰ নামত খালি হৈ থকা আসনবোৰ কিয় পূৰণ কৰা হোৱা নাই অনুগ্ৰহ কৰি জনাবনে ?

(ঘ) মন্ত্ৰী মহোদয়, কি কাৰণত পদ খালি ৰখা হৈছে আৰু কিমান দিন খালি ৰাখিব, অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীচিলভিউছ কন্দপান (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) মীন বিভাগত যোৱা ইং-১৯৯১ ৰ পৰা ফেব্ৰুৱাৰী ১১৯৫ লৈ মুঠ ৭০২ জন অনুসূচীত জনজাতিৰ মীন পালকক চৰকাৰী ঋণ সাহায্য দিয়া হয় ।

(খ) মীন বিভাগত মুঠ ১২০ জন অনুসূচীত জনজাতিৰ কর্মচাৰীক নিযুক্তি দিয়া হৈছে ।

(গ) বৰ্ত্তমান মীন বিভাগত জনজাতিৰ নামত আছুতীয়াকৈ ৰখা পদ জনজাতিৰ লোকৰ দ্বাৰাই নিযুক্তিৰ নিয়ম প্ৰাণালী অনুযায়ী পূৰণ কৰাৰ বাবেই ব্যৱস্থা লোৱা হ'ব ।

(ঘ) প্ৰশ্ন নুঠে ।

Re : Number of Staffs.

Shri Rampyare Rabidas, Asked :

659. Will the Minister of Fisheries be pleased to state :

(a) How many staff are there in the newly created Fishery Sub-divisional Office. at Ramkrishnanagar in the Karimganj District ?

(Mention the names with designations)

(b) Whether it is fact the office is running with short of staff ?

If yes, how many posts are still lying vacant in that office ?

(c) Whether Government has sanctioned new posts in the said office ?

If yes, how many & when ? and also inform whether these posts have been filled up or not ?

(d) What are the total number of staffs who have retired since 1st January, 1994 to till date in the Fishery Department under the Karimganj ?

(Please mention names of retired employees, designation and date of retirement)

(e) Whether all retirement vacancies have been filled up ?
If yes, what were the basis of the selection ?

Shri Silvius Condpan (Minister of Fisheries) replied :

(a) There is only one post in the newly created Sub-divisional Office at Ramkrishnanagar in Karimganj District. Shri K. U. Choudhury is the Sub-divisional Fishery Officer in the Sub-division appointed.

(b) Yes. It is a fact that the office is running with short of staff as no post except one Sub-divisional Fishery Development Officer has been created for the said office.

(c) Except the post of Sub-divisional Fishery Development Officer, no other new post has since been sanctioned by Government against the Sub-division. Hence question of the number of new posts and filling up the said posts does not arise at all.

(d) Only one officer has since been retired from service since 1st January / 94 till date in the Department under Karimganj District. The retired officer is Shri S M. Singha in the rank of Fishery Extension Officer who retired on superannuation on 28th February / 95.

(e) The lone vacancy due to retirement is being filled up on the recommendation of candidate by A. P. S. C. Matter is under process.

বিষয় : অসম বন্ধ ।

শ্রীমহেন্দ্র বৰাই সুধিছে :

৬৬০। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) অসম বন্ধ দিনটোত যোৰহাটত ৰোলাৰ ফ্লাৰ মিল আৰু চাকী মিল কেইটা বন্ধ আছিল আৰু সেইদিনা এই সকলৰ মেচিন বেয়া হৈ থকা বুলি কৈছিল, এইটো সত্যনে ? জিলা কৰ্ত্তৃপক্ষই এই মর্মে তদন্ত কৰি কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(খ) যোৰহাট নগৰত বৰ্ত্তমানলৈকে কিমান পৰিয়ালে পৰিয়াল পৰিচয় পত্ৰ পালে আৰু কিমানে পোৱা নাই, নোপোৱা সকলক দিয়াৰ ব্যৱস্থা হবনে ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সত্য নহয়, প্ৰশ্ন নুঠে ।

(খ) যোৰহাট নগৰত বৰ্ত্তমানলৈকে ১৯,৫২০ টা পৰিয়ালে পৰিয়াল পৰিচয় পত্ৰ পাইছে আৰু ১০০ টা পৰিয়ালৰ পৰা পৰিয়াল পৰিচয় পত্ৰৰ বাবে আবেদন পোৱা গৈছে। অনুসন্ধান মর্মে পাবলগীয়া পৰিয়ালক পৰিচয় পত্ৰ দিয়া হব ।

বিষয় : মহকুমাৰ চাৰিসীমা ।

শ্ৰীভূপেন ভূঞাই সুধিছে :

৬৬১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বোকাখাট মহকুমাৰ চাৰিসীমা সঠিক ভাৱে নির্দ্ধাৰণ কৰা হল নে ?

(খ) যদি হৈছে কোন কেইটা মৌজা সামৰি এই মহকুমাৰ চাৰিসীমা নির্দ্ধাৰণ কৰিছে ?

(গ) বোকাখাট বিধান সভা সমষ্টিৰ ৰঙামাটি মৌজাতো কোন মহকুমাৰ অধীনত আছে জনাবনে ?

শ্ৰীমুকুট শর্মা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, হল ।

(খ) কাজিৰঙা, বোকাখাট আৰু মহোৰা মৌজা ।

(গ) বোকাখাট বিধান সভা সমষ্টিৰ ৰঙামাটি মৌজাতো বৰ্ত্তমান গোলাঘাট মহকুমাৰ অধীনত আছে ।

বিষয় : ক্ষুদ্র জলসেচ প্রকল্পর সংখ্যা।

শ্রীমধুসূদন তেওয়ারী জিজ্ঞাসা করছেন :

৬৬২। মাননীয় জলসিঞ্চন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি :

(ক) পাথারকান্দি সমষ্টিতে কতটি ক্ষুদ্র জলসেচ প্রকল্প আছে এবং কোন কোন জায়গায় জানাবেন কি ?

(খ) ১৯৯৪-৯৫ ইং বৎসরে কত হেক্টর জমিতে মোট কত ঘণ্টা জলসেচ করা হইয়াছে জানাবেন কি ?

(গ) জলসেচ বিভাগ কাগজে ও প্রচারে জলসেচ করিলে কৃষক উপকৃত বা ফসল উৎপন্ন হইবে কি ?

শ্রীজেহিরুল ইছলাম (জলসিঞ্চন বিভাগের মন্ত্রী) উত্তর দিছেন :

(ক) পাথারকান্দি সমষ্টিতে ৭ (সাতটি ক্ষুদ্র জলসিঞ্চন প্রকল্প আছে। প্রকল্প সমূহের নাম ও অবস্থান :—

ক্রমিক নং	প্রকল্পের নাম	অবস্থানের জায়গায় নাম
(১)	নুরুলছড়া প্রবাহিত প্রকল্প	টিলাবাড়ী
(২)	পাথারকান্দি উত্তোলিত বর্দ্ধিতকরন জলসিঞ্চন প্রকল্পের উন্নতিকরন	মুঠ ৪ টা পয়েন্টের নাম যথাক্রমে নালীবাড়ী, বুরুঙ্গা, করচরঘাট ও জামিরালা।
(৩)	পাথরকান্দি উত্তোলিত জলসিঞ্চন প্রকল্পের উন্নতিকরন।	মুঠ ৪ টা পয়েন্টের নাম যথাক্রমে কচুবাড়ী-১, কচুবাড়ী-২, পেরুগাঙ ও টিনোখাল।
(৪)	লোয়ারপোয়া গভীর নলী-নাদ আঁচনি।	লোয়ারপোয়া।
(৫)	শিবেরগুল গভীর নলী-নাদ প্রকল্প	শিবেরগুল
(৬)	দক্ষিন কাপারিবন্দ গভীর নলীনাদ প্রকল্প	দক্ষিন কাপারিবন্দ
(৭)	হাছিমগঞ্জ গভীর নলীনাদ প্রকল্প	হাছিমগঞ্জ

(খ) সর্বমোট ১২০ হেক্টৰ জমিতে প্ৰায় ২০০০ ঘণ্টা জলসেচ্ হইয়াছে।

(গ) জলসেচ্ বিভাগ সুধু কাগজে ও প্ৰচাৰে জলসেচ্ কৰেনা, জমিতেও জলসেচ্ কৰে।

বিষয়ঃ চম্পা নদী জলসিঞ্চন আঁচনি।

শ্ৰীক্ষীৰেন বৰগয়াৰীয়ে সুধিছে :

৬৬৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চম্পা নদী জলসিঞ্চন আঁচনিৰ বাবে মুঠতে কিমান টকা ধাৰ্য্য কৰা হৈছিল ?

(খ) বৰ্ত্তমানলৈকে এই আঁচনিৰ সৰ্বমুঠ ব্যয় কিমান হ'ল ?

(গ) এই জলসিঞ্চন আঁচনিৰ জৰিয়তে মুঠতে কিমান খেতি পথাৰত পানী যোগানৰ লক্ষ্য কৰি লোৱা হৈছিল ?

(ঘ) এতিয়ালৈকে কিমান বিঘা মাটিত পানী যোগান ধৰা হৈছে ?

(ঙ) এই জলসিঞ্চন আঁচনিৰ কাম কেতিয়া সম্পূৰ্ণ হব ?

(চ) এই জলসিঞ্চন আঁচনিৰ কাম সম্পূৰ্ণ হবলৈ আৰু কিমান টকা ব্যয় হব ?

শ্ৰীজেহিকল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) প্ৰথমতে, ১৫৩২·১৫ লাখ টকা হৈছিল আৰু সংশোধিত প্ৰাক্কলণ অনুসৰি ৪৭৪৯·০৩ লাখ টকা ধাৰ্য্য কৰা হৈছে।

(খ) বৰ্ত্তমানলৈকে (২৮-২-৯৫ তাৰিখলৈ) এই আঁচনিৰ মুঠ ব্যয় ৩০৪১·৩১ লাখ টকা।

(গ) মুঠতে ২৪,৯৯৪ (Annual Irrigable Area) হেক্টৰ মাটিত।

(ঘ) আঁচনিটোৰ কাম অসম্পূৰ্ণ হৈ থকা হেতুকে বৰ্ত্তমানলৈকে পানীৰ যোগান ধৰিব পৰা হোৱা নাই।

(ঙ) ১৯৯৭-৯৮ চনৰ ভিতৰত সম্পূৰ্ণ হব বুলি আশা কৰা হৈছে।

(চ) বৰ্ত্তমানৰ মূল্যসূচীত অনুমানিক ১৮০০·০০ লাখ টকা।

Re : Compensation Cases.

Shri Mission Ranjan Das, asked :

664. Will the Minister of Revenue be pleased to state :

(a) How many compensation cases under Assam State

Acquisition of Zamindaries Act 1951 and Rule 1952 from Karimganj District are pending before the Government for according sanction and reasons of delay for according sanction ?

(b) Whether it is a fact that as per aforesaid Act, compensation officer is the final authority to finalise the amount of compensation to be paid to the Ex-proprietors, and Government in the Revenue Department is the sanctioning authority to accord sanction of amount awarded as eompensation by the Compensation Officer ? If yes, the reasons of delay of according sanction.

(c) Is not it violation of Assam State Acquisition of Zamindaries Act 1951 (as modified up to 1971) and Rule 1952 passed by the Assembly after incorporating the amendments recommended by the president of India ?

Shri Mukut Sarma (Revenue Minister) replied :

(a) 306 numbers. Due to paucity of fund.

(b) No.

(c) Does not arise.

বিষয় : সুলভ মূল্যত যোগান ।

শ্রীভূপেন ৰায়ে সুধিছে :

৬৬৫। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) বঙাইগাওঁ জিলাত সুলভ মূল্যত ক্রমে চাউল, চেনী আৰু কেৰাচিন তেল বিতৰণৰ ক্ষেত্রত জনসংখ্যাৰ ভিত্তিত বিতৰণ কৰা হয়নে ?

(খ) যদি হয় জিলাখনৰ মহকুমা তিনিটাৰ জনসংখ্যা কিমান ? (উত্তৰ শালমাৰা, বিজনী, বঙাইগাওঁ সদৰৰ জনসংখ্যা প্রত্যেকৰে ভাগ ভাগ কৰি

দেখুৱাব) সেইমতে জনসংখ্যা ভিত্তিত বৰ্ত্তমানৰ বিতৰণ ব্যৱস্থা হৈছে নে ?

(গ) যদি হোৱা নাই, কিয় হোৱা নাই ? আৰু জনসংখ্যাৰ ভিত্তিত বিতৰণ ব্যৱস্থা লবনে ? অনুগ্রহ কৰি মন্ত্রী মহোদয়ে জনাবনে ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) হয় ।

(খ) বঙাইগাওঁ মহকুমা— ২,৩৪,২২৬ জন ।
বিজনী মহকুমা— ৩,১৪,৪৭৭ জন ।
উত্তৰ শালমাৰা— ২,৫৮,৮২০ জন ।
উক্ত জনসংখ্যাৰ ভিত্তিত P. D. S সামগ্রী বিতৰণ কৰি থকা হৈছে ।

(গ) প্রশ্ন নুঠে ।

Re : Construction of Bundhs.

Shri Derhagra Mochahary, asked :

666. Will the Minister of Irrigation be pleased to state :

(a) Whether Government is aware of the fact that cultivators of West Kumarikata Gaon Panchayat are will not get even a single drop of Irrigation Water from the year, 1995 if two new Irrigation Bundhs are not constructed on Darranga river, which are named as Sukanjuli Kharkela Bundh and Kalajhar Hordthola Koirani Bundh according to agreement with Government of Bhutan ?

(b) If yes, whether these Bundh will be constructed this year 1995 itself before summer ?

Sri Zehirul Islam (Minister of Irrigation) replied :

(a) There is scarcity of water in the area and Government is considering to take necessary action for supply of water to these fields.

(b) The Government is considering to construct bundh within the Indian Territories.

বিষয় ঃ কেৰাচিন তেল বিতৰণ।

শ্রীবুবুল দাসে সুধিছে ঃ

৬৬৭। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) মৰিগাওঁ জিলাত কোন কেইটা কেৰাচিন তেলৰ ডিপুৰ জৰিয়তে কেৰাচিন তেলৰ ৰাজহুৱা বিতৰণ কৰা হয় তলৰ প্ৰ-বিৱৰণিৰ মতে দেখুৱাই তালিকা সদনৰ মেজত দাখিল কৰিব ?

(কেৰল ১৯৯৪ বছৰৰ বাবে)

ক্ৰম নং	ডিপুৰ নাম, লাইচেন্স নম্বৰ আৰু মালিকৰ নাম	অৱণ্টন দিয়া তেলৰ পৰিমান (প্ৰতিমাহে)	আৱণ্টন দিয়া তেলৰ বিপৰীতে জনসংখ্যা	গ্ৰাম্য এলেকাৰ বাবে যোগান দিয়া তেলৰ পৰিমাণ	প্ৰতিটো ডিপুৰ জৰিয়তে বিতৰণ কৰা এজেণ্টৰ তালিকা আৰু আৱণ্টিত তেলৰ পৰিমাণ

(খ) মৰিগাওঁ জিলাত প্ৰয়োজনীয় কেৰাচিন ৰাইজে যোগান নোপোৱাটো জ্ঞাতনে ? যদি জ্ঞাত প্ৰয়োজনীয় কেৰাচিনৰ যোগান নিশ্চিত কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

(গ) ৰাজহুৱা স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি ৰাইজৰ প্ৰয়োজনীয় কেৰাচিন খিনি নিয়মিয়া যোগান নিশ্চিত কৰাৰ বাবে জিলা ভিত্তিত উপায়ুক্তৰ অধ্যক্ষতাত জন প্ৰতিনিধি সকলক লৈ এখন সমিতি গঠন কৰি প্ৰতি মাহৰ আৱণ্টিত কেৰাচিনৰ বিতৰণৰ বাবে সমিতিৰ বৈঠক আহ্বানৰ ব্যৱস্থা কৰিবনে ?

(ঘ) জিলা খনৰ বাবে আৱণ্টিত কেৰাচিনৰ পৰিমাণ বৃদ্ধি কৰাৰ ব্যৱস্থা লবনে ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) প্ৰ-বিৱৰণৰ মতে তথ্য সদনৰ মেজত দাখিল কৰা হ'ল ।

(খ) অৱগত নহয় । প্ৰশ্ন নুঠে ।

(গ) পৰীক্ষা কৰি চোৱা হ'ব ।

(ঘ) কেন্দ্ৰীয় আৱণ্টনৰ পৰিমাণ বৃদ্ধি হলে জিলাভিত্তিক আৱণ্টন বৃদ্ধি হ'ব ।

বিষয় ঃ খাদ্য সামগ্ৰীৰ দাম নিয়ন্ত্ৰণ ।

শ্ৰীঅতুল বৰাই সুধিছে ঃ

৬৬৮। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) আটা ময়দাকে ধৰি বিভিন্ন খাদ্য সামগ্ৰীৰ দাম নিয়ন্ত্ৰণৰ কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে ?

(খ) বাংলাদেশলৈ গোপনে চাউল চোৰাং হৈ থকা কথাটো চৰকাৰে জানেনে আৰু ইয়াক ৰোধ কৰিবলৈ কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে ?

(গ) কেৰাচিন আৰু বন্ধন গেছৰ ক'লা বজাৰ ৰোধ কৰাৰ কি ব্যৱস্থা লৈছে জনাবনে ?

(ঘ) গ্ৰাহকৰ অভিযোগৰ ক্ষিপ্ৰ নিষ্পত্তিকৰণৰ হকে অসম ৰাজ্যিক উপভোক্তা বিবাদ নিৰাকৰণ আয়োগ আৰু জিলা উপভোক্তা বিবাদ নিবাৰণ ফ'ৰাম (জিলা-ফ'ৰাম) সমূহক পূৰ্ণ পৰ্য্যায়ৰ আৰু সৰ্ব্বক্ষণীয় আদালত হিচাবে প্ৰতিষ্ঠা কৰাৰ কিবা ব্যৱস্থা লবনে ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) খাদ্য সামগ্ৰীৰ দাম নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা বিধিসম্মত সকলো প্ৰতিৰোধ মূলক ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে ।

(খ) চৰকাৰৰ ওচৰত তেনে কোনো তথ্য নাই ।

(গ) বিধিসম্মত সকলো প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে ।

(ঘ) লোৱা হৈছে ।

বিষয় : বিবাদমান ৰাজহ গাওঁ ।

শ্রীগহীন চন্দ্র দাসে সুধিছে ঃ

৬৬৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) নগাওঁ আৰু কৰ্বিআংলং জিলাৰ সীমান্তত কিমানখন Revenue Villages Disputed হৈ আছে ? তালিকাখন সদনত দাঙি ধৰিবনে ?

(খ) কিমান দিনৰ পৰা এই অৱস্থাত আছে আৰু কাৰণ কি ?

(গ) Disputed অৱস্থাত থকাত চৰকাৰৰ কিবা লাভালাভ আছেনে ?

শ্রীমুকুট শর্মা (ৰাজহ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) নগাওঁ আৰু কাৰ্বিআংলং জিলাৰ সীমান্তত ৩৯ খন ৰাজহ গাওঁ বিতর্কিত হৈ আছে । (গাওঁ সমূহৰ তালিকা ইয়াৰ লগত সংলগ্ন কৰি দিয়া হ'ল)

(See the Annexure—V)

(খ) এই বিতর্কিত অৱস্থা যোৱা প্রায় ১১ বছৰৰ পৰা চলি আহিছে । উক্ত গাওঁ সমূহ কাৰ্বি লোকৰ বসতি প্রধান অঞ্চল বুলি কাৰ্বিআংলং জিলা পৰিষদে উক্ত জিলাত অন্তর্ভুক্তিৰ বাবে দাবী উত্থাপন কৰাত এই গাওঁ সমূহ বিতর্কিত অঞ্চল হৈছে ।

(গ) প্রশ্ন নুঠে ।

বিষয় : পাম্পচেট্ যোগান ।

ডঃ জয়নাথ শর্মাই সুধিছে ঃ

৬৭০। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কৃষি বিভাগে সমগ্র ৰাজ্যখনৰ বাবদ ১৯৯১ চনৰ পৰা ১৯৯৫ চনলৈ কিমান পাম্পচেট্ ক্রয় কৰিছে ?

(খ) এনে পাম্পচেট্ কৃষি বিভাগে কাৰ পৰা কিমান ক্রয় কৰিবলৈ "ক্রয় অর্ডাৰ" (Purchase Order) দিছিল ?

(গ) এনে পাম্পচেট্ যোগান ধৰিবলৈ দিয়া যোগানকাৰী সকলৰ নাম জনাবনে ? কোন যোগানকাৰীক কিমান পাম্পচেট্ৰ যোগান ধৰিবলৈ নির্দেশ উক্ত সময়চোৱাত দিয়া হৈছে ? নির্দেশ অনুসৰি যোগান ধৰিছেনে ?

শ্রীমতী চৈয়দা আনোৱাৰা টাইমুৰ (কৃষি বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯১ চনৰ পৰা ১৯৯৫ চনলৈ কৃষি বিভাগে সমগ্র ৰাজ্যখনৰ বাবদ বিভিন্ন আঁচনিৰ অধীনত মুঠ ৬১৯৮ টা পাম্পচেট্ ক্রয় কৰিছে ।

(খ) ক্রম অনুসাৰে কৃষি বিভাগে "ক্রয় অর্ডাৰ" দিয়া যোগানকাৰী আৰু পাম্প-চেট্ৰ সংখ্যা তলত উল্লেখ কৰা হ'ল ।

— ১৯৯১ চন —

(১) অসম কৃষি উদ্যোগিক উন্নয়ন নিগম :

কির্লোচকাৰ	—	৪০০ টা
হাৰভেষ্ট	—	২৮০ টা

নর্থ ইষ্টার্ণ চাপ্লাই চিন্দিকেট ঃ

এন্ফিল্ড	—	২৪ টা

— ১৯৯২ চন —

(১) অসম কৃষি উদ্যোগিক উন্নয়ন নিগম ঃ

অনিল	—	৬৩ টা
হাৰভেষ্ট	—	৮৫ টা
বাট্লিৱয়	—	৪৫ টা
ভাৰত	—	৩০ টা
কির্লোচকাৰ	—	৫৯৭ টা
উষা	—	৯৬৭ টা
(২) মেঃ এলপাচ, নগাওঁ, বোন্দা	—	৬৫ টা
(৩) মেঃ প্রিন্স ইলেকট্রনিক্স এণ্ড মেচিনাৰী, গুৱাহাটী উইলচন	—	৮৭ টা

— ১৯৯৩ চন —

অসম কৃষি উদ্যোগিক উন্নয়ন নিগম ঃ

উষা	—	২৭৮ টা
কির্লোচকাৰ	—	৮৭৩ টা

— ১৯৯৪ চন —

অসম কৃষি উদ্যোগিক উন্নয়ন নিগম

কিৰ্লোচকাৰ — ৫০৩ টা

— ১৯৯৫ চন —

অসম কৃষি উদ্যোগিক উন্নয়ন নিগম :

কিৰ্লোচকাৰ — ১১২৭ টা

উষা — ৩৪৮ টা

(গ) পাম্পচেট যোগান ধৰিবলৈ দিয়া যোগানকাৰী সকলৰ নাম তলত উল্লেখ কৰা হ'ল।

(১) অসম কৃষি উদ্যোগিক উন্নয়ন নিগম :

(২) নৰ্থ ইষ্টাৰ্ণ চাপ্লাই চিণ্ডিকেট, গুৱাহাটী।

(৩) মেঃ এলপাচ, নগাওঁ।

(৪) মেঃ প্ৰিন্স ইলেকট্ৰনিক্স এণ্ড মেচিনাৰী, গুৱাহাটী।

কোন যোগানকাৰীক কিমান পাম্পচেট যোগান ধৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছিল তলত দিয়া হ'ল।

(১) অসম কৃষি উদ্যোগিক উন্নয়ন নিগম :

(ক)	কিৰ্লোচকাৰ	মুঠ—	৩৫০০ টা
(খ)	উষা	"	১৫৯৩ টা
(গ)	হাৰভেষ্ট	"	৩৬৫ টা
(ঘ)	অনিল	"	৬৪ টা
(ঙ)	বাটলিৱয়	"	৪৫ টা
(চ)	ভাৰত	"	৩০ টা
			সৰ্ব্বমুঠ- ৫৫৯৭ টা

(২) মেঃ নৰ্থ ইষ্টাৰ্ণ চাপ্লাই চিণ্ডিকেট, গুৱাহাটী :

এনফিল্ড — ২৪ টা

(৩) মেঃ এলপাছ, নগাওঁ :

বোন্দা — ৬৫ টা

(৪) মেঃ প্রিন্স ইলেকট্রনিক্স এণ্ড মেচিনাৰী :
উইলচন — ৮৭ টা

১৯৯৪ চনলৈ "ক্রয় অর্ডাৰ" দিয়া মুঠ ৪৭২৪ টা পাম্পচেট্ৰ ভিতৰত অসম কৃষি উদ্যোগিক উন্নয়ন নিগমে ৭৪৪ টা পাম্পচেট্ যোগান ধৰিবলৈ বাকী আছে।

১৯৯৫ চনত "ক্রয় অর্ডাৰ" দিয়া ১৪৭৫ টা পাম্পচেট্ৰ যোগান সম্পূর্ণ হোৱা নাই যদিও প্রায় ৬০% শতাংশৰ যোগান অসম কৃষি উদ্যোগিক উন্নয়ন নিগমে ধৰিছে আৰু বাকীখিনি যোগান ধৰি আছে।

বিষয় : জলসিঞ্চন আঁচনি।

শ্রীমহিবুল হকে সুধিছে :

৬৭১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) গৌৰীপুৰ সমষ্টিৰ গদাধৰ, আশাৰীকান্দি প্রমুখ্যে কেবাটাও জলসিঞ্চন আঁচনিয়ে ৰাইজৰ কোনো ধৰণৰ সুবিধা আগবঢ়োৱাত অক্ষম হৈছে বুলি অভিযোগ চৰকাৰৰ দৃষ্টিগোচৰ হৈছে নে ?

(খ) এই সমষ্টিৰ কোন কোন আঁচনি নিস্ক্রিয় হৈ আছে, আৰু কি কি কাৰণত নিস্ক্রিয় হৈছে, ইয়াৰ তথ্য সদনত দিবনে ?

(গ) নিস্ক্রিয় আঁচনি সমূহ সক্রিয় কৰাৰ কিবা ব্যৱস্থা চৰকাৰে লবনে ?

(ঘ) যদি লয়, কেতিয়া লব, ইয়াৰ এটি প্রতিশ্রুতি চৰকাৰে দিবনে ?

শ্রীজেহিকুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) গৌৰীপুৰ সমষ্টিৰ গদাধৰ, আশাৰীকান্দি আঁচনি প্রমুখ্যে জলসিঞ্চন আঁচনিয়ে কোনো ধৰণৰ সুবিধা আগবঢ়োৱাত অক্ষম হোৱা কথাটো সঁচা নহয়।

(খ) এই সমষ্টিৰ নীলবৰুৱাৰ গাওঁ গভীৰ নলী-নাদ আঁচনি বিজুলী তাঁৰ আৰু ট্রেন্সফৰমাৰ চুৰি হোৱাৰ বাবে সম্পূর্ণ ভাৱে অক্ষম হৈ আছে আৰু বাকী ১১ টা আঁচনি আংশিক ভাৱে নিস্ক্রিয় হৈ আছে। ইয়াৰ তথ্য সদনত দাখিল কৰা হ'ল।

(See the Annexure—VI)

(গ) নিস্ক্রিয় আঁচনি সমূহৰ বিত্তীয় অনুমোদন সাপেক্ষে সক্রিয় কৰাৰ ব্যৱস্থা হাতত লোৱা হ'ব ।

(ঘ) বিত্তীয় অনুমোদনৰ সাপেক্ষে ব্যৱস্থা লোৱা হ'ব, আৰু সেই কাৰণে কেতিয়া লোৱা হ'ব সেইটো ঠিৰাংকৈ কোৱা নাযায় ।

Re : Jamuna Irrigation.

Shri Holiram Terang
Shri Monsing Rongpi } asked.

672. Will the Minister of Irrigation be pleased to state :

(a) Is there any proposal for constructions of 2nd phase of JAMUNA Irrigation (Bakulia towards Dokmoka) ?

(b) If so, whether necessary survey and other formalities are completed ?

(c) Is there any proposal for constructions of Upper Deopani Irrigation in Karbi Anglong ?

Sri Zehirul Islam (Minister of Irrigation) replied :

(a) At present there is no such proposal for construction of 2nd phase of Jumuna Irrigation scheme (Bokulia towards Dokmoka).

(b) Does not arise.

(c) Preliminary survey works have been done for construction of upper Deopani Irrigation scheme in Karbi Anglong District Detailed survey has not yet done and after completion of the survey work feasibility report will be known.

Questions And Answers

বিষয় : শ্রমিকক সম মর্য্যদা।

শ্রীমতী বেণুপমা ৰাজখোৱাই সুধিছে :

৬৭৩। মাননীয় শ্রম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) শ্রমিক আইন অনুসৰি সকলো শ্রমিকে সম মর্য্যদা, সা-সুবিধা লাভ কৰিছেনে ?

(খ) দিহা বাগানত সংঘটিত ঘটনাৰ বাবে দায়ী কোন জনাবনে ?

(গ) দোষী পুলিচ বিষয়া দুজনৰ শাস্তি নিদিয়াৰ কাৰণ জনাবনে ?

(ঘ) চিকিৎসাধীন হৈ থকা শ্রমিক দুজনক চৰকাৰে সাহায্য দিয়াৰ ব্যৱস্থা কৰিব নোৱাৰেনে ?

(ঙ) মৃত শ্রমিক দুজনৰ পৰিয়ালক সাহায্য দিয়াৰ ব্যৱস্থা কৰিছেনে ?

শ্রীদিলেশ্বৰ তাঁতী (শ্রম মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) কৰিছে।

(খ) এই সন্দর্ভত কোনো মন্তব্য নাই।

(গ) এই বিষয়টো শ্রম সঞ্চালকালয়ৰ প্রশাসনৰ গন্ডীৰ ভিতৰত নপৰে।

(ঘ) এনে কোনো ব্যৱস্থা এতিয়ালৈকে লোৱা হোৱা নাই।

(ঙ) কৰিছে।

মৃত শ্রমিক দুজনৰ পৰিয়ালক যোৰহাট জিলাৰ উপায়ুক্তই ৫০০০,০০ টকা আৰু বাগান কর্তৃপক্ষৰ পৰা ৫০০০'০০ টকা এক-কালিন সাহায্য আগ বঢ়াইছে।

বিষয় : মাটিৰ পট্টা।

শ্রীবিনোদ গোৱালাই সুধিছে :

৬৭৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) সৰুপথাৰ সমষ্টিত বর্ত্তমানলৈকে কিমানখন গাওঁৰ পৰিয়ালক পট্টন দিয়া হোৱা নাই, গাওঁৰ নাম সহঃ দিয়াৰ ব্যৱস্থা কৰিবনে ?

(খ) কেতিয়াৰ পৰা পট্টা সমূহ দিয়াৰ ব্যৱস্থা কৰিব ?

শ্রীমুকুট শর্মা (ৰাজহ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) বর্ত্তমানলৈকে সৰুপথাৰ সমষ্টিত ১৩৩ খন গাওঁৰ ৫৬৬৪ টা পৰিয়ালক পট্টা দিয়া হোৱা নাই। ইয়াৰ লগত গাওঁৰ তালিকা সংলগ্ন কৰি দিয়া হৈছে।

(See the Annexure--VII)

Questions And Answers

(খ) চৰকাৰৰ ভূমিনীতিৰ আধাৰত প্ৰকৃত ভাৱে অনুসন্ধান কৰি একাদিক্ৰমে পট্টা বিতৰণৰ ব্যৱস্থা লৈ থকা হৈছে।

Re : List of beneficiaries as consumers.

Sri Karendra Basumatary, asked :

675. Will the Minister, Food and Civil supplies be please to State :

(a) A list of beneficiaries as consumers for rice at Rs. 2/- distributed in Panery Legislative Assembly Constituency in the district of Darrang ?

(b) Whether any new policy for distribution of rice at Rs. 2.00 has been taken ?

Dr. Ardhendu Kumar Dey (Minister, Food and Civil Supplies) replied :

(a) List is placed on the Table of the House.

(b) Yes.

বিষয় : পট্টা দিয়াৰ ব্যৱস্থা।

শ্ৰীকোষেশ্বৰ বকৱাই সুধিছে :

৬৭৬। মাননীয় বাজহ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

শোণিতপুৰ জিলাৰ গহপুৰ সমষ্টিৰ চিলিং উদ্ধৃত মাটি পাই ভোগদখল কৰি থকা চাহ বাগিছাৰ বনুৱা, প্ৰাক্তন চাহ বাগিছাৰ বনুৱা তথা অন্যান্য মাটিহীন খেতিয়ক-সকলক সংশ্লিষ্ট মাটিৰ পট্টা দিয়াৰ ক্ষেত্ৰত কেনে ধৰণৰ খৰতকীয়া ব্যৱস্থা গ্ৰহন কৰিছে, জনাবনে ?

শ্ৰীমুকুট শৰ্মা (বাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

চিলিং আইনৰ বিধি আৰু চৰকাৰৰ ভূমিনীতি অনুযায়ী বিষয়টো পৰীক্ষা কৰা হব।

Questions And Answers

Re : Mini Irrigation Schemes.

Shri Sasha Kamal Handique, asked :

677. Will the Minister of Irrigation be pleased to state :

(a) Whether Government had any proposal for a Mini Irrigation Scheme at Betoni under Naharkatia Irrigation Sub-Division of Dibrugarh District ?

(b) What is the present position the scheme ?

(c) If no proposal received, whether Government will take up the scheme for the development of cultivations ?

Shri Zehirul Islam (Minister Irrigation) replied :

(a) Proposal for construction of a Minor Irrigation Scheme at Betoni under Naharkatia Irrigation Sub-Division is under consideration.

(b) Under scrutiny.

(c) If the proposal is found to be technically feasible and financially viable, the scheme will be taken up on availability of fund.

বিষয় : দুটকা দামৰ চাউল যোগান।

শ্রীনিজামুদ্দিন খানে সুধিছে :

৬৭৮। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) দুটকা কিলো দামত যোগান ধৰা চাউল বাবদ সমবায় সমিতি সমূহক টকা আদায় দিবলৈ বাকী থকা কথাটো সঁচানে ?

(খ) যদি সঁচা, কিমান টকা দিবলৈ বাকী আছে ? (জিলা ভিত্তিত আঁচনি চালু কৰাৰ পিছৰ পৰা ১৯৯৫ চনৰ ১৫ মাৰ্চলৈ জনাব)

(গ) এই অনাদায় টকা আদায় দিয়াৰ ব্যৱস্থা কৰিবনে ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

ক)
(খ) } বৰ্ত্তমানলৈকে চৰকাৰৰ হাতলৈ অহা তথ্য অনুযায়ী নাই ।
(গ)

বিষয় : মাটিৰ পট্টা ।

শ্রীমহেন্দ্র বৰাই সুধিছে :

৬৭৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :
ভিতাৰৰ সমষ্টিত কিমান লোকক ম্যাদি পট্টা দিয়া হ'ল, বৰ্ত্তমান চৰকাৰৰ কার্য্যকালত আৰু কিমান লোকক এনে পট্টা দিয়াৰ যো-যা চলিছে ?

শ্রীমকুট শর্মা (ৰাজহ মন্ত্রী) য়ে উত্তৰ দিছে :

বৰ্ত্তমান চৰকাৰৰ কার্য্যকালত এভিয়ালৈকে ৪০ জন লোকক ভিতাৰৰ সমষ্টিত ম্যাদি পট্টা দিয়া হৈছে আৰু ৩৩ টা পৰিয়ালক তেনে পট্টা দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে । তাৰোপৰি একচনা পট্টা ম্যাদি কৰণৰ বাবে দাখিল কৰা ১১০২ খন আবেদন পত্র বিবেচনাধীন হৈ আছে ।

বিষয় : নিয়োগ কেন্দ্র স্থাপন ।

শ্রীভূপেন ভূঞাই সুধিছে :

৬৮০। মাননীয় নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) বোকাখাত মহকুমাত পূর্ণ পর্য্যায়ৰ (Employment office) স্থাপন কৰাৰ সম্পর্কত কিবা ব্যৱস্থা গ্রহণ কৰিছেনে ?

(খ) যদি কৰিছে এই কার্য্যালয় কোন মাহৰ পৰা আৰম্ভ হ'ব জনাবনে ?

শ্রীচিলভিউচ কন্দপান (নিয়োগ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) বিত্তীয় সংকটৰ বাবে বোকাখাট মহকুমাৰ পূর্ণ পর্য্যায়ৰ নিয়োগ বিনিময় কেন্দ্র স্থাপনৰ সিদ্ধান্ত চৰকাৰৰ বৰ্ত্তমান নাই ।

(খ) প্রশ্ন নুঠে ।

Questions And Answers

বিষয় : মাটি খাজনাৰ টকাৰ পৰিমাণ।

শ্রীবদন বকৰাই সুধিছে :

৬৮২। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) অসমৰ কিমান মৌজাদাবে ৰায়তৰ পৰা মাটিৰ খাজনা ছয় মাহতকৈ অধিক কাল আগতে আদায় কৰি এতিয়াও চৰকাৰক জমা দিয়া নাই আৰু এই টকাৰ পৰিমাণ কিমান ?

(খ) চৰকাৰৰ হিচাব অনুসাৰে অসমত কিমান অকুপেঞ্চি টেনেণ্ট আছে ?

(গ) অকুপেনচি টেনেণ্টৰ কিমানে দখলী জমীৰ ম্যাদি পট্টা পোৱাৰ যোগ্য ?

(ঘ) 'গ' ত উল্লেখিত ম্যাদি পট্টা পোৱাৰ যোগ্য ৰায়ত সকলক ম্যাদি পট্টা দিয়াৰ ব্যৱস্থা হাতত লৈছে নে ?

(ঙ) 'গ' ত উল্লেখিত ৰায়ত সকলক দখলী মাটিৰ ম্যাদি পট্টা দিলে কিমান পৰিমাণৰ খেতিৰ মাটি পট্টন দিবলগীয়া হ'ব।

শ্রীমুকুট শর্মা (ৰাজহ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) ১১৫ জন। টকাৰ পৰিমাণ ৬১, ০৬, ১৬০.০০ টকা।

(খ) ২, ০৯, ৮১০ জন।

(গ) ১, ৫২, ১৭৪ জন।

(ঘ) আইন অনুসৰি যোগ্য ৰায়ত সকলক ম্যাদি পট্টা দিয়াৰ ব্যৱস্থা লৈ থকা হৈছে।

(ঙ) ৩, ৯৮, ৩২০ বিঘা ৩ কঠা ১ লেছা।

বিষয় : কৃষক ও কৃষির খতিয়ান।

শ্রীমধুসূদন তেওৱাৰী জিজ্ঞাসা কৰছেন :

৬৮২। মাননীয় কৃষি বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ কৰিয়া জানাবেন কি ?

(ক) আসাম কৃষিজাত খাদ্য দ্রব্যের ব্যাপারে পৰনির্ভৰশীল এই বিষয়ে অৱগত আছেন কি ?

(খ) যদি অৱগত, তবে আসামকে স্বনির্ভৰ কৰাৰ বিষয়ে কি ব্যৱস্থা গ্রহণ কৰিয়াছেন ?

Questions And Answers

(গ) সরকার কৃষক ও কৃষির উন্নতির বা কাজের যে খতিয়ান তুলে ধরেছে তা বাস্তবে না শুধু প্রচারে ?

(ঘ) করিমগঞ্জ জিলায় ১৯৯৪-৯৫ ইং বৎসরে কৃষির উন্নতির জন্য মোট কত টাকা খরচ করা হইয়াছে ?

শ্রীমতী চৈয়দা আনোয়ারা টাইমুর (কৃষি বিভাগের মন্ত্রী) মহোদয়া উত্তর দিছেন :

(ক) অবগত ।

(খ) কৃষি বিভাগের বিভিন্ন স্কিমের মাধ্যমে নতুন নতুন অধিক উৎপাদনক্ষম ধান যেমন বাহাদুর, পিয়লি মনিরাম লুইত এবং কপিলি ইত্যাদির ব্যাপক চাষ করার উপর গুরুত্ব দেওয়া হয়েছে । সম্প্রতি বরোধান চাষের প্রাসারতা বৃদ্ধি গেয়েছে এবং বিভাগীয় তত্বারধানে ক্ষুদ্র জলসিঞ্চনের ব্যবস্থা গ্রহণ করা হয়েছে ।

অনুরুপ ভাবে ভাল জাতীয় শস্যের যেমন রাজমাহ, এবং মটরডাল চাষের উপর জোর দেওয়া হয়েছে ।

তৈলবীজ শস্যের উৎপাদন বাড়ানোর জন্যে চিনাবাদাম ও সূর্য্যমুখী ফুল চাষের উপর ও ব্যাপক ভাবে ব্যবস্থা গ্রহণ করা হয়েছে ।

শস্যের নিবিড়তা বাড়ানোর জন্য বণ্যা কবলিত অঞ্চলে বহুমুখী চাষের উপর গুরুত্ব দেওয়া হয়েছে ।

ফলমুল ও শাক সবজীর চাষের ব্যাপক সম্প্রসারণ করার ব্যবস্থা দেওয়া হয়েছে ।

(গ) কৃষক বা কৃষির উন্নতির বা কাজের খতিয়ান কৃষি বিভাগ রাজস্ব এবং পরিসংখ্যা বিভাগের যৌথ সমীক্ষার পর নির্দ্ধারণ করা হয় অতএব যে তথ্য প্রচার করা হয় তা বাস্তবিক ।

(ঘ) চলিত ৯৪/৯৫ সনে কৃষি উন্নয়ণে মোট ২৬,২৯,৪০০ টাকা (ছাব্বিশ লক্ষ উনত্রিশ হাজার চার শত টাকা) খরছ করা হইয়াছে ।

Questions And Answers

Re : Making of Idgah.

Shri Mission Ranjan Das
Shri Madhusudan Tewari } asked :

683. Will the Minister of Revenue be pleased to state :

(a) Whether the News item under the caption "ৰজহুৱা খেল-পথাৰ সন্দর্ভত নলবাৰীত অসন্তুষ্টি" Which appeared in the local daily namely 'দৈনিক অসম' dt. 15/3/95 has come to the notice of the Government ?

(b) If yes, is it fact that Government is allowing illegally some muslim community people to construct permanent structures over the public field for making it as an Idgah ?

(c) If yes, on what basis the Government is allowing such works and converting a public field which has been using by the people of Nalbari at large, to an Idgah ?

(d) If not, whether the Government will demolish all the illigal structures made temporarily or permanently over the public field-if yes, when ?

Shri Mukut Sarma (Minister of Revenue) replied :

(a) Yes.

(b) No,

(c) Does not arise.

(d) Government will examine.

বিষয় : মাটি অধিগ্রহণ।

শ্রীৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে :

৬৮৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) আজাৰা, কাহিকুছি আদি অঞ্চলৰ পৰা ব্রড্‌গজ লাইনৰ বাবে বাইজৰ পৰা মাটি অধিগ্রহণ চৰকাৰে কৰিছিল নে ?

(খ) যদি কৰিছিল, তেনেহলে অধিগ্রহণ কৰা পৰিয়ালৰ সংখ্যা কিমান আৰু প্রতি বিঘা মাটিৰ মূল্য কিমান নির্দ্ধাৰণ কৰা হৈছিল আৰু প্রতিটো পৰিয়ালে মাটিৰ মূল্য পালেনে ? (পৰিয়াল সমুহৰ নাম ও টকাৰ পৰিমাণ সহ তালিকা এখন দিব) ।

(গ) যদি পোৱা নাই, তেনেহলে নোপোৱাৰ কাৰণ কি ?

(ঘ) যি বিলাক পৰিয়ালে এতিয়াও মাটিৰ মূল্য পোৱা নাই, সেই পৰিয়াল সমূহক এমাহৰ ভিতৰত মাটিৰ মুল্য দিয়াৰ ব্যৱস্থা গ্রহণ কৰিব নেকি ?

শ্রীমুকুট শর্মা (ৰাজহ মন্ত্রী)য়ে উত্তৰ দিছে :

(ক) হয়, কৰিছে ।

(খ) ৪/৮৫ নং গোচৰত মুঠ ১১১ টা পৰিয়ালক বিঘাই প্রতি ১২,০০০·০০ টকাকৈ আৰু ১৭/৯০ গোচৰত ৫৮ টা পৰিয়ালক বিঘাই প্রতি ২০,০০০·০০ টকাকৈ অধিগৃহীত মাটিৰ ক্ষতি পূৰণ আদায় দিয়া হৈছে । (ব্যক্তিৰ তালিকা টকাৰ পৰিমাণসহ গাঠি দিয়া হল) ।

(See the Annexure— VII)

(গ) প্রশ্ন নুঠে ।

(ঘ) প্রশ্ন নুঠে ।

Re : Rehabilitation of Erosion Effected victims.

Shri Bubul Das, asked :

685. Will the Minister of Revenue be pleased to state :

(a) How many families under Morigaon District erroted by the Brahmaputra River ?

(b) What is the number of villages erroted ?

(c) Whether Government have take any step to rehabilitates these errosion effected families ?

(d) What is the number of rehabilitated families settled by this present Government ? (1991 to 1995)

Shri Mukut Sarma (Minister of Revenue) replied :

(a) 7199 Nos.

(b) (i) Total villages eroded— 88
(ii) Fully — 60
(iii) Partially — 28

(c) Rehabilitation works to the erosion affected families are under process.

(d) 279 Nos.

বিষয় : ডাক বঙলা নির্মাণ

শ্রীচন্দন কুমাৰ সৰকাৰে সুধিছে :

৬৮৬। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) বঙাইগাওঁ জিলাৰ অন্তর্গত মেৰেৰচৰ, ঝাৰপাৰা, লেংটিচিঙা, ভুমেৰগুৰী, চলন্তপাৰা, ইকৰাবাড়ী, বাৰেপুখুৰী, সৃষ্টিৰপাৰা, বালাপাৰা খেতি পথাৰত জলসিঞ্চনৰ ব্যৱস্থা কৰা হব নেকি ?

(খ) মন্ত্রী মহোদয়ে প্রতিশ্রুতি দিয়া লেংটিচিঙাত জলসিঞ্চন বিভাগৰ এটি ডাক বঙলা কেতিয়া নির্মাণ কৰিব অনুগ্রহ কৰি জনাবনে ?

শ্রীজেহিকুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) বঙ্গাইগাওঁ জিলাৰ অন্তর্গত মেৰেৰচৰত জলসিঞ্চন ব্যৱস্থা আছে বাকী কেইখন ঠাইত জলসিঞ্চনৰ ব্যৱস্থা কৰা হোৱা নাই ।

(খ) লেংটিচিঙাত জলসিঞ্চন বিভাগৰ জিৰণী কোঠা এটি নির্মাণৰ বাবে প্রতিশ্রুতি দিয়া হৈজিল যদিও উপযুক্ত পুজিৰ অভাৱত ইমান দিনে কৰিব পৰা হোৱা নাই । এই বিত্তীয় বছৰত বিবেচনা কৰিব পৰা হব বুলি ভৰা হৈছে ।

Re : Development of Tourist Centre at Akashi Ganga.

Shri Moulana Abdul Jalil Ragibi, asked :

687. Will the Minister of Tourism be pleased to state :

(a) Whether the Tourism Department, Government of Assam is aware that there is a Tourists Centre at Akashi Ganga, near Parakhuwa under Jamunamukh Constituency ?

(b) If so, whether any step had/has been taken by the Tourism Department for the development of the said Tourist Centre and for providing facilities to the tourist coming from every corner of Assam and abroad ? If any the details thereof ?

(c) Whether the Tourism Department of the Government of Assam is considering to construct a Bandh over the fountain which is famous by the name of 'Akashi Ganga' to facilate the tourists for 'Pabitra Snan' in the Akashi Ganga ?

Shri Mukut Sarmah (Minister of Tourism) replied :

(a) Yes, Tourism Department, Government of Assam is aware that there is a tourist spot at Akashi Ganga which is situated at a distance of 10 K. M. away from Doboka.

(b) Tourism Department has not taken up any scheme for the development of the said Tourist Centre.

However Government may examine the matter.

(c) Does not arise.

বিষয় ঃ অগ্নিকাণ্ডের ক্ষতিগ্রস্তের আর্থিক সাহায্য

শ্রীপ্রণব কুমার নাথ জিজ্ঞাসা করছেন ঃ

৬৮৮। মাননীয় রাজস্ব বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ?

(ক) বিগত ১৮-১-৯৫ ইং করিমগঞ্জ জিলার রাতাবাড়ী থানার অন্তর্গত চরগুলা বাস ষ্টপেজ এলাকায় অগ্নিকাণ্ডে ক্ষতিগ্রস্ত দুঃস্থ কিছু সংখ্যক ব্যবসায়ীর প্রতি বিভাগীয় কর্তৃপক্ষ উদ্দেশ্য প্রণোদিত ভাবে বৈষম্য মূলক আচরণ করে আর্থিক সহায়তা দেন নাই ? শিঘ্রেই তাদেরকে আর্থিক সহায়তা প্রদানের ব্যবস্থা করতঃ সদনের মেঝে তালিকা দাখিল করিবেন ?

(খ) কিছু সংখ্যক ক্ষতিগ্রস্তদের আর্থিক সহায়তা দেওয়া হয় নাই এবং কিছু সংখ্যক ক্ষতিগ্রস্তদের তুবার করে আর্থিক সহায়তা দেওয়ার কারণ কি ?

শ্রীমুকুট শর্মা (রাজস্ব মন্ত্রী) যে উত্তর দিছেন :

(ক) বিগত ১৮-১-৯৫ ইং তারিখে চবগুলা বাস ষ্টপেজ এলাকায় কোনও অগ্নিকাণ্ড সংঘটিত হয় নাই।

(খ) প্রশ্ন উঠে না।

Re : Creation of new division.

Shri Dipendra Rongpi
Shri Babu Rongpi
Shri Holiram Terang
Shri Monsing Rongpi } asked :

689. Will the Minister of Irrigation be pleased to state :

(a) What is the latest development about creation of new division under Hamren Sub-Division in Karbi Anglong District ?

(b) Whether the proposal for creation of new division submitted in the last April, 1994 is true ?

(c) If so, will the Government implement it within the current financial year ?

(d) Whether the comparative statement of the Derajuri Irrigation Scheme was submitted by the District authority during the month of December, 1993 is true ?

(e) If so, what is the reason of keeping it pending ?

(f) What is the percentage of coverage of probable irrigation land in Karbi Anglong District and achicvement till date ?

Shri Zehirul Islam (Minister of Irrigation) replied :

(a) Creation of a new Division in the name of Hamren Division (Irrigation) Kheroni, under Karbi Anglong District, is in process.

(b) Yes.

(c) The proposal is under process in the Department for obtaining inter departmental approvals.

(d) Not true.

(e) Does not arise in view of the reply at 'd' above. However the proposal was received in September '94 and the approval has already been communicated to the Addl. Chief Engineer, Diphu.

(f) 15.44%

Potential created under M/M and M. I. is 22236 Hect.

Re : Promotion of V.L.E.W.

Shri Munin Mahanta, asked :

690. Will the Minister of Agriculture be pleased to state :

(a) Whether the Government has received a memorandum submitted by V.L.E.W. Association on 6-9-91 regarding the promotion of a V.L.E.W. to the post of Agricultural Inspector (Input) ?

(b) Whether the Government has enquired the allegation and whether any action was taken ?

(c) Whether the Agricultural Inspector (Input) Moyong Development Block is working at the place of his working and duties assigned to him ?

(d) If not, where he is working now and duties performed by him ?

Sayeda Anowara Taimur (Minister of Agriculture) replied :

(a) No.

(b) Does not arise.

(c) No.

(d) Now he is working in the office of the District Agricultural Officer, Morigaon.

বিষয় : কেৰাচিনৰ বিতৰণ ।

ডাঃ কমলা কলিতাই সুধিছে :

৬৯১। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) নিয়মীয়া কেৰাচিন বিতৰণৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে ?

(খ) চৰকাৰে যোগান দিয়া কেৰাচিনৰ চাহিদা পূৰণ কৰিছেনে ?

(গ) ছয়গাওঁ ৰাজহ চক্ৰ এলেকাত কেৰাচিন আৱণ্টন আগৰ তুলনাত বৰ্ত্তমান হ্রাস পোৱা সত্য নে ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) চৰকাৰৰ নীতি অনুযায়ী বিধিসম্মত সকলো ধৰণৰ ব্যৱস্থা লৈ থকা হৈছে ।

(খ) কৰা নাই ।

(গ) চন্থালী G. P. S. S. ৰ ৬৬১৬ টা পৰিয়াল তেওঁলোকৰ সুবিধাৰ বাবে নগৰবেৰাত থকা ডিপোৰ লগত সংলগ্ন কৰাৰ কাৰণে কেৰাচিনৰ আৱণ্টন আগৰ তুলনাত বৰ্ত্তমান হ্রাস পাইছে ।

Questions And Answers

বিষয় : ঠিকাদাৰৰ বিল।

শ্রীঅতুল বৰাই সুধিছে :

৬৯২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) জলসিঞ্চন বিভাগৰ ঠিকাদাৰ সকলক এই পর্য্যন্ত কিমান টকা দিবলগা আছে জনাবনে ?

(খ) জলসিঞ্চন বিভাগৰ প্রায় কাম মন্ত্রীৰ নিজৰ পুত্র আৰু পৰিয়ালৰ মাজত বিতৰণ কৰাটো সঁচানে ?

(গ) দিশপুৰ সমষ্টিত কিমানখন জলসিঞ্চন আঁচনি আছে জনাবনে ?

(ঘ) কোন কেইখন আঁচনি ভাল অৱস্থাত আছে আৰু কোন কেইখন বিকল হৈ আছে জনাবনে ?

(ঙ) কাম অসম্পূর্ণ হৈ থকা আঁচনি কেইখন কি কি জনাবনে ? সম্পূর্ণ হ'ৱঁতে কিমান দিন লাগিব জনাবনে ?

(চ) কামৰূপ জিলাৰ সংমণ্ডল আৰু উপ-সংমণ্ডল সমূহত ১৯৯১ চনৰ পৰা কিমান নিযুক্তি দিছে আৰু কাক কাক দিছে তালিকা এখন সদনত ৰাখিবনে ?

শ্রীজেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) এই পর্য্যন্ত জলসিঞ্চন বিভাগৰ ঠিকাদাৰসকলক দিবলগীয়া সর্ব্বমুঠ টকাৰ পৰিমাণ আনুমানিক ৪২০০ লাখ টকা।

(খ) সঁচা নহয়।

(গ) দিশপুৰ সমষ্টিত ২২ খন জলসিঞ্চন আঁচনি আছে।

(See the Annexure–VII)

(ঘ) দিশপুৰ সমষ্টিৰ ১২ টা সম্পূর্ণ হোৱা আঁচনিৰ ভিতৰত ১০ টা ভাল অৱস্থাত আছে আৰু বাকী ২ টা আংশিক ভাৱে বেয়া অৱস্থাত আছে। (প্র-পত্র নং–৩ (তিনি) ত দেখুৱা হ'ল)

(See the Annexure–VIII)

(ঙ) অসম্পূর্ণ হৈ থকা আঁচনিবোৰৰ নামৰ তালিকা প্র-পত্র ২ (দুই) ত দেখুৱা হ'ল। প্রয়োজনীয় ধনৰ আৱণ্টন পালেও সম্পূর্ণ কৰিবলৈ কমেও ২ বছৰ লাগিব।

(চ) কামৰূপ জিলাৰ সংমণ্ডল আৰু উপ-সংমণ্ডল সমূহত ১৯৯১ চনৰ পৰা সৰ্ব্বমুঠ ১২২ জনক নিযুক্তি দিয়া হৈছে। (নিযুক্তি দিয়া নামৰ তালিকা প্ৰ-পত্ৰ ১ (এক্স) ত সংসদৰ মজিয়াত দাখিল কৰা হ'ল)।

(See the Annexure-IX)

বিষয় : মীন সমবায়লৈ সাহায্য

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে ঃ

৬৯৩। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৯৪-৯৫ বৰ্ষত World Food Programme আঁচনিৰ জৰিয়তে অসমৰ Fishery Co-operation এ কিমান সাহায্য পালে ?

(খ) সেই সাহায্য সমূহ কি কি আছিল আৰু কিমান পৰিমাণৰ আছিল জনাবনে ?

(গ) সেইবোৰ ক'ত ক'ত আৰু কিমান টকাৰ আঁচনি কৰিলে তালিকাখন দিবনে ?

শ্ৰীচিলবিউচ কুন্দপান (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯৪-৯৫ বৰ্ষত অসমৰ মীন উন্নয়ন নিগমক চৰকাৰে ৯৫.৭৫ লাখ (পঞ্চানব্বৈ লাখ পয়সত্তৰ হাজাৰ) টকা বিশ্ব খাদ্য আঁচনিৰ অধীনত অনুদান দিয়া হয়। বিশ্ব খাদ্য কাৰ্য্যক্ৰমৰ পৰা চাউল ৪৪০ মেট্ৰিক টন, দাইল ৪৯.৭১৫ মেট্ৰিক টন আৰু বনস্পতি তেল ২১.৩৬১ মেট্ৰিক টন পোৱা হৈছে।

(খ) ঐ

(গ) আঁচনি সমূহৰ তালিকা সংযোজন ক'ত চাওক।

(See the Annexure-X)

বিষয় : জলসিঞ্চনৰ আঁচনি।

শ্ৰীক্ষীৰেন ৰবগয়াৰীয়ে সুধিছে :

৬৯৪। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) কোকৰাঝাৰ জিলাৰ ৩১ নং চিদলী (জনজাতি) সমষ্টিত কিমানটা জলসিঞ্চনৰ আঁচনি আছে ? (নামৰ তালিকা সদনত দাখিল কৰিবলৈ অনুৰোধ কৰা হ'ল)

(খ) বৰ্ত্তমানলৈকে কিমানটা জলসিঞ্চনৰ কাম সম্পূৰ্ণ হ'ল ?

(গ) কেইটা জলসিঞ্চনৰ কাম আধকৰা হৈ আছে ? (নামৰ তালিকা সদনত দাখিল কৰিবলৈ অনুৰোধ কৰা হ'ল)

(ঘ) আধকৰা হৈ থকা জলসিঞ্চনৰ আঁচনিবোৰ ১৯৯৫-৯৬ চনৰ ভিতৰত সম্পূৰ্ণ কৰা হবনেকি ?

শ্রীজেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) কোকৰাঝাৰ জিলাৰ ৩১ নং চিদলী (জনজাতি) সমষ্টিত মুঠ ২৩ টা জলসিঞ্চনৰ আঁচনি আছে । (নামৰ তালিকা সদনৰ মজিয়াত দাখিল কৰা হ'ল) প্র-পত্র নং- ১

(See the Annexure-XI)

(খ) বৰ্ত্তমানলৈ ১৭ টা জলসিঞ্চন আঁচনি সম্পূৰ্ণ হৈছে ।

(গ) ৬ (ছয়) টা জলসিঞ্চন আঁচনিৰ কাম আধকৰা হৈ আছে । (নামৰ তালিকা সদনৰ মজিয়াত দাখিল কৰা হ'ল) প্র-পত্র নং- ১

(See the Annexure- XI)

(ঘ) আধকৰা হৈ থকা ৬ (ছয়) টা আঁচনিৰ ভিতৰত বামুনগাওঁ প্রবাহিত জলসিঞ্চন আঁচনিৰ কাম ১৯৯৫-৯৬ চনৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে ।

Re : Cancellation of transfer.

Sri Holi Ram Terang
Sri Dependra Rongpi
Sri Babu Rongpi } asked :

695. Will the Minister of Food & Civil Supplies be pleased to state :

(a) Whether it is a fact that one Sri M. S. Daulagupu, Inspector, Food & Civil Supplies was transferred ta Sadia by a notification dated 2/7/62, but neither the order was cancelled nor he was released for joining at Sadia and after two years this order was cancelled by the

present transfer order dated 4/11/94.
What is the reasons ?

(b) What steps Government has taken for consideration after receiving his (Mr. M. S. Daulagupu) prayer to the Government by the patition dated 15/12/94 ?

Dr. Ardhendu Kumar Dey (Minister of Food & Civil Supplies) replied :

(a) Yes, The Officer could not be released by the D. C. Cachar in the interest of public service. However. he is now under order of transfer along with the post.

(b) No prayer patition dated 15/12/94 has been received.

Re : Agriculture Schemes.

Shri Rampyare Rabidas, asked.

696. Will the Minister of Agriculture be pleased to state :

(a) What are the schemes undertaken by the Agriculture department under Karimganj Agriculture division for the benefit of the farmers in 1991-92, 92-93, 93-94, 94-95 financial years ?

(Please mention the schemewise financial allocations, amount of money spent, target & achievement).

(b) What was the total sanctioned fund in various head like purchasing of manures, seeds, printing & Stationary items in 1991-92, 92-93, 93-94, 94-95 financial year under Karimganj division ?

(Please quote the items with the names of suppliers, Date of supply and amount spent under each sub-divisions & Karimganj Division).

(c) Whether any Agriculture loans have granted to the cultivators by the Agriculture Department in Karimganj District ?

If yes, please give the names of beneficieries ?

(d) What are the aids provided to the cultivators by the Agriculture Department ?

Syeda Anowara Taimur (Minister of Agriculture) replied :

(a) Schemes undertaken by Agriculture Department are furnished at Annexure 'A'.

(See the Annexure—XII)

(b) Details of the fund sanctioned itemwise and names of suppliers. Date of supply and amount spent under Karimganj Sub-Division are furnished at Annexure 'B'.

(See the Annexure—XIII)

(c) There is no provision of extending loan to the farmers by the Agriculture Department.

(d) The inputs procured shown in the answer of (a) & (b) have been distributed to the farmers at various subsidised rates at 100% subsidy, at 80% subsidy, at 50% subsidy at 25% subsidy as per different schematic provisions.

বিষয় : পুনৰ বাসনৰ ব্যৱস্থা।

শ্রীনজমুল হকে সুধিছে :

৬৯৭। মাননীয় সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) কোকৰাঝাৰ আৰু বঙ্গাইগাওঁ জিলাৰ উগ্রপন্থী আক্রমণত যিসকল সংখ্যালঘু মানুহ ক্ষতিগ্রস্ত হৈছিল, তাৰে মুঠ কিমানটা পৰিয়ালক আই নদীৰ চৰত পুনৰ বাসন দিয়া হৈছে ?

(খ) উক্ত জিলা ২ খনৰ পাটাবাৰী, আনন্দবজাৰ, জমনাগুৰি আৰু মালিৰভিটা গাওঁৰ ৪০% ক্ষতিগ্রস্ত মানুহ আজিলৈকে পুনৰ বাসনৰ টকা নোপোৱা কথা সঁচানে ?

(গ) উক্ত ঘটনাৰ যিসকল মৰিলে তেওঁলোকৰ পৰিয়ালে ১ লাখ টকা ক্ষতিপূৰণ পাইছে নে ?

শ্রীগোপী নাথ দাস (সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) কোকৰাঝাৰ আৰু বঙ্গাইগাওঁ জিলাৰ ১৯৯৩ চনৰ অক্টোৱৰ মাহৰ সংঘর্ষত ক্ষতিগ্রস্ত সংখ্যালঘু সম্প্রদায়ৰ ৮৫৭ টা পৰিয়ালক বঙ্গাইগাওঁ জিলাৰ বালাজানী আৰু চেচাপানী অঞ্চলত অস্থায়ীভাৱে সংস্থাপন দিয়া হৈছে ।

(খ) ৭২ শতাংশ ক্ষতিগ্রস্ত লোকক দিয়া হৈছে, ২৮ শতাংশ লোকক দিবলৈ বাকী আছে ।

(গ) আংশিক ভাৱে দিয়া হৈছে ।

Re : Erosion affected Families.

Shri Kosheswar Barua, asked :

698. Will the Minister of Revenue be pleased to state :

(a) Whether Government is aware that more than 200 erosion affected famillies of Gomiri in Sonitpur district are yet tobe given settlement of land, for which tha poor landless people is suffering a lot ?

(b) Whether the Government would take proper step or to give settlement of land to the erosion affected, landless people of Gomiri ?

Shri Mukut Sarma (Minister of Revenue) replied :

(a) Yes.

(b) All the affected families were temporarily rehabilitated in the

V. G. R. namely (1) Godharia Bosti (2) Telor Singabari (3) Porona Boroighat and (4) Kurua Pathar. Steps are being taken to settle such affected families. Already 97 nos. of erosion affected families were assisted under Rural House sites Scheme (M. N. P) Morover, rehabiliation grant was paid to 64 nos. of families at the rate of Rs. 2000/- each. Paoposals for settlement of another 52 nos. of affected families are under consideration.

বিষয় : নিহত ব্যক্তিলৈ টকা সাহায্য।

শ্রীহিতেশ ডেকাই সুধিছে :

৬৯৯। মাননীয় সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) উগ্রপন্থীৰ হাতত নিহত ব্যক্তিৰ পৰিয়াললৈ একলাখ টকাকৈ আৰ্থিক সাহায্য আগবঢ়াবলৈ চৰকাৰে সিদ্ধান্ত লোৱাটো সঁচা নেকি ?

(খ) যদি সঁচা এতিয়ালৈ উগ্রপন্থীৰ হাতত নিহত কিমান ব্যক্তিৰ পৰিয়াললৈ (১) সম্পূৰ্ণভাৱে আৰু (২) আংশিকভাবে এই সাহায্য আগবঢ়োৱা হৈছে আৰু (৩) কিমান ব্যক্তিৰ পৰিয়াললৈ এক শতাংশও আগবঢ়োৱা হোৱা নাই ?

(গ) বাকী থকা পৰিয়ালবৰ্গক কেতিয়ালৈ এই ধন দিয়া হ'ব ?

(ঘ) ৰাজ্য চৰকাৰৰ এই আঁচনিত মুঠতে কিমান ধন ব্যয় হ ব ?

শ্রীগোপীনাথ দাস (সাহায্য আৰু সংস্থাপন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) সঁচা।

(খ) (১) এতিয়ালৈকে সম্পূৰ্ণভাবে ১০১০ টা পৰিয়ালক,

(২) আংশিকভাবে ৭১ টা পৰিয়ালক আৰু

(৩) ৭৩ টা পৰিয়াললৈ এক শতাংশও সাহায্য দিয়া হোৱা নাই।

(গ) বাকী থকা পৰিয়ালৰ মঞ্জুৰীৰ বিষয়ে পৰীক্ষা কৰি থকা হৈছে।

(ঘ) এতিয়ালৈ পোৱা তথ্য অনুযায়ী এই আঁচনিত ১১, ৫৪, ০০, ০০০/- টকা ব্যয় হব ।

(Unstarred Question No. 700 was Deferred.)

বিষয় : কৃষিৰ সা-সৰঞ্জাম ।

শ্রীমহেন্দ্র বৰাই সুধিছে :

৭০১। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) অসম চৰকাৰৰ কৃষি বিভাগে নিৰক্ষৰা যুবকক আকৰ্ষিত কৰাৰ উদ্দেশ্যৰে কৃষিৰ আধুনিক সা-সৰঞ্জাম আদি বিতৰণ কৰা আঁচনি লৈছেনে ? বৰ্ত্তমান এনে কিবা আঁচনি আছেনে ?

(খ) সেইদৰে সা-সজুলি, সাৰ, বীজ আদি যথা সময়ত যদিহে বিতৰণ কৰিছে তাৰ হিচাপ প্রকাশ কৰিব লাগে ?

(গ) তিতাবৰ সমষ্টিত "জলচ্ছেদ প্রকল্প" শিতানত কিমান টকা অনুমোদন কৰা হৈছিল আৰু কিমান টকা ব্যয় হৈছে আৰু ইয়াৰ অগ্রগতিৰ সম্পর্কত টোকা দাখিল কৰিব লাগে ?

শ্রীমতী চৈয়দা আনোৱাৰা টাইমুৰ (কৃষি বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) লোৱা হৈছে, হয় আছে ।

(খ) বিতৰণৰ তালিকা এনেকুচাৰ— ১ত দিয়া হ'ল ।

(See the Annexure— XIV)

(গ) ১,০১,৫৮,৭০০·০০ টকা অনুমোদন কৰা হৈছিল । এতিয়ালৈকে ৯,৬৩,২৩২·০০ টকা ব্যয় হৈছে । অগ্রগতিৰ তালিকা এনেকুচাৰ— ২ত গাঠি দিয়া হ'ল ।

(See the Annexure—XV)

Unstarred question No. 702 was postponed and unstarred question No. 703 was deferred)

Re : Lease of fisheries

Shri Mission Ranjan Das, asked :

704. Will the Minister of Fisheries be pleased to state :

(a) Whether the Government has received any allegation made by

one Shri Askar Ali on 4-1-95 ? If so, what action has been taken on it ?

(b) Whether the Government has cancelled the settlement of Ranimeghna Parbatizai Fishery which has been settled with one Abdul Mazid, one defaulter ?

(c) If yes, when it was cancelled and if not, state reasons thereof ?

(d) Whether the Government will again make advertisement for lease of these fisheries ?

(e) If not, state reasons thereof ?

Shri Silvius Condpan, (Minister of Fishery) replied :

(a) Yes, Report on the allegation has been called from Deputy Commissioner Karimganj. Report yet to be received.

(b) The Ranimeghna Parbatizai Fishery of Karimganj district which has since transfered to A. F. D. C., was settled by A. F. D. C. by tender system with one Md. Abdul Mazid at his quoted price of Rs. 2,33,600/- for five years.

On the settlement of the fishery with Abdul Mazid, Askar Ali being challenged and appeal made before the Government, the Government called for records from the A.F.D.C.

While the matter was under consideration, the whole case became sub-judice in view of writ petition filed under civil Rule No. 2728/94 in the Hon'ble Gauhati High Court, by the sitting lessee Abdul Mazid.

(c) Since the matter is subjudice in the Hon'ble Gauhati Court, cancellation of the lease does not arise.

(d) Does not arise.

(e) Does not arise.

Re : Wearing of Uniform.

Shri Sasha Kamal Handique, asked :

705. Will the Minister of Labour be pleased to state :

(a) While wearing uniform & displaying made compulsory to the transport workers why the other facilities as provided in the Motor Transport Workers Act, 1961 is not implemented ?

(b) When these provisions will be implemented ?

Shri Dileswar Tanti, (Minister of Labour) replied :

(a) The welfare facilities including that of uniform under the Motor Transport Workers Act, 1961 have been implemented. There is no qestion of making one or the other facility like wearing of uniform compulsory isolating other welfare provisions of the said Act from the arena of implementation.

(b) In view of replies at (a) above, the question does not arise.

বিষয় : ডিপ টিউবেলের স্থাপনের দাবি।

শ্রীপ্রণব কুমার নাথ, জিজ্ঞাসা করছেন :

৭০৬। মাননীয় কৃষি বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি :

(ক) সমগ্র করিমগঞ্জ জিলায় এখন পর্য্যন্ত প্রতিটি ক্ষেত্র পরিচালনা সমিতিতে কয়টি করে ডিপ টিউবওয়েল স্থাপন করছেন কি বিশদ তথ্য সদনের মেঝে দাখিল করিবেন ?

(খ) করিমগঞ্জ জিলায় এখন পর্য্যন্ত যে সকল ক্ষেত্র পরিচালনা সমিতিতে ডিপ টিউবওয়েল বসানো হয় নাই বর্ত্তমান অর্থ বর্ষে ঐগুলিতে বসানোর কি কি কার্য্যকরী ব্যবস্থা নিয়েছেন ?

শ্রীমতী চৈয়দা আনোয়ারা টাইমুর (কৃষি বিভাগের মন্ত্রী) য়ে উত্তর দিছেন :

(ক) কৃষি বিভাগ থেকে EMC Deep Tube well বসানোর কোনোও পরিকল্পনা নেই। EMC তে Shallow Tube well বসানোর Seheme আছে। করিমগঞ্জ জিলায় বসানো Shallow Tube well এর বিস্তৃত বিবরণ Annexure 'A' তে সংযোজিত করা হইল।

(See the Annexure — XVI)

(খ) Deep Tube well বসানো জলসিঞ্চন বিভাগের অধীনে পরে।

(Unstared Deferred Question No. 27 of 16-3-95)

বিষয় : সাহায্য আৰু পুনৰ সংস্থাপন।

শ্রীচন্দন কুমাৰ সৰকাৰে সুধিছে :

২৭। মাননীয় সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) ১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈকে অসমত কিমানজন পৰিয়ালক সাহায্য আৰু পুনৰ সংস্থাপন দিয়া হৈছে আৰু কিমান টকাকৈ দিয়া হৈছে, জিলা ভিত্তিত তালিকা এটি সদনত জমা দিব নে ?

(খ) বঙ্গাইগাওঁ কোকৰাঝাৰ জিলাত কিমানটা পৰিয়াল সাহায্য আৰু পুনৰ সংস্থাপন কৰাৰ বাকী আছে অনুগ্রহ কৰি জনাবনে ?

(গ) বঙ্গাইগাওঁ আৰু কোকৰাঝাৰ জিলাত সাহায্য আৰু পুনৰ সংস্থাপন কৰাত কিমান টকা এভিয়ালৈকে খৰছ হৈছে জনাবনে ?

শ্রীগোপীনাথ দাস (সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) ১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈকে অসমত ১৫,২৮৮ টা পৰিয়ালক ৫০০ টকাৰ পৰা ২০,০০০ টকালৈকে সাহায্য আৰু পুনৰ সংস্থাপন দিয়া হৈছে।

Questions And Answers

(জিলা ভিত্তিত পৰিয়ালৰ তালিকা গাঠি দিয়া হল ।)

(See the Annexure—XVII)

(খ) বঙ্গাইগাওঁ জিলাত ২০২ টা আৰু কোকৰাঝাৰ জিলাত ৯৮২ টা পৰিয়ালক সাহায্য আৰু পুনৰ সংস্থাপন কৰিবলৈ বাকী আছে ।

(গ) বঙ্গাইগাওঁ জিলাত ১,২০,৬৯,২২০·০০ টকা আৰু কোকৰাঝাৰ জিলাত ১,৪৬,২৬,০০০·০০ টকা এতিয়ালৈকে সাহায্য আৰু পুনৰ সংস্থাপনৰ বাবে খৰছ কৰা হৈছে ।

Discussion During Zero Hour.

Mr. Speaker : The Question Hour is over.

I would like to inform the Hon'ble Members of the House that meeting of the Leaders of various Legislative Committees as well as the B.A.C. decided to observe the Foundation Anniversary Day of the Assam Legislative Assambly on 7.4.95 in a befitting manner and authorised/ advised me to make all arrangements for celebration of the Day. I have asked my Secretariat to make all arrangements in this respect. Hon'ble Governor of Assam has been pleased to inaugurate the function and many distinguished guests will join the function. I take this opportunity to extend our invitation to all the Hon'ble Members of the House. Gentlemen of the press especially in the press Gallery. officials in the officers gallery and official reporters to join the celebration function to make it a grand success. Individual invitation has been already sent.

Discussion During Zero Hour

I have received as many as 13 Zero Hour motion for 6.4.95 in the name of the following Hon'ble Members–

1. Shri Gohin Chandra Das.
2. Shri Ramendra Narayan Kalita.
3. Shri Sahidul Alam Choudhury.
4. Shri Binod Goala
   Shri Hitendra Nath Goswami
   Shri Nagen Sarma.
5. Shri Bhupen Rai.
6. Shri Dhruba Kumar Sen.
7. Smt. Renupama Rajkhowa.
8. Shri Mission Ranjan Das.
9. Shri Ashaque Ali
   Shri Nizamuddin khan.
10. Shri Abdul Jalil Ragibi.
11. Shri Zoii Nath Sarma.
12. Shri Prafulla Kumar Mahanta
    Shri Sahidul Alam Choudhury.

As per Rules, I have selected only 3 Zero Hour notices for raising before the House today.

I now call upon the Hon'ble Member Shri Prafulla Kumar Mahanta to raise his zero hour notice.

★ শ্রীপ্রফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৯-৩-৯৫ তাৰিখৰ "আজিৰ অসম" বাতৰি কাকতত প্রকাশিত "চাপানালাৰ উন্নয়নত বিভাগীয় কর্ত্তৃপক্ষৰ অৱহেলা' শীর্ষক বাতৰিটোৰ প্রতি মই মাননীয় পর্য্যটক মন্ত্রীৰ দৃষ্টি আকর্ষণ কৰিলোঁ। আৰু লগতে এটা কথা দাঙি ধৰিলোঁ, সেইটো হৈছে

★ Speech not corrected.

মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে উত্তৰ দান কালত কৈছিল যে আমাৰ অসমত তিনিটা জলপ্রপাত আছে আৰু তাৰে প্রধানটো হ'ল চম্পাকলি জলপ্রপাত। ইয়াক তিনিটা ভাগত ভাগ কৰা হৈছে। এই চম্পাকলি জলপ্রপাতটো বৰ্ত্তমান প্রায় ১৫ শ মিটাৰ দৈর্ঘৰ হয়। আৰু প্রতি বছৰে মাঘ মাহত বিভিন্ন ঠাইৰ পৰা বহুতো মানুহ তালৈ ফুৰিবলৈ আহে। অসমৰ বাহিৰৰ মানুহো তালৈ অহা দেখা যায়। কিন্তু এই জলপ্রপাতৰ কাষৰীয়া ঠাইৰ অৱস্থাৰ উন্নতিৰ কাৰণে কোনো ব্যৱস্থা আজিলৈকে হাতত লোৱা নাই। অসমৰ বাহিৰৰ পৰা বহুতো মানুহ চেৰাপুঞ্জি, মিজোৰাম আৰু চিলঙৰ বিদন-বিচপ জলপ্রপাত পৰিদর্শন কৰিবলৈ আহে আৰু ইয়াৰ পৰা ৰেভিনিউ সংগ্রহ কৰিব পাৰে, ঠিক তেনেকৈ আমাৰ এই তিনিটা জলপ্রপাতৰ অৱস্থা আকর্ষণীয় কৰি তুলিব পাৰিলে ৰেভিনিউ আহৰণ কৰাত সহায়ক হ'লহেঁতেন। কিন্তু এই জলপ্রপাত পৰিদর্শন কৰিবলৈ সাধাৰণতে নেচনেল হাইওৱে' ৩৭ নং কঠীয়া তলি, আমলখী পথেৰে আহিব লাগে। কিন্তু এই বাষ্টাটোৰ অৱস্থা একেবাৰে চাবলগীয়া আৰু এইটো পথত যি খন দলং আছে, প্রশ্নৰ উত্তৰ কালত বিভাগীয় মন্ত্রীয়ে কৈছিলে যে এইখন দলং মেৰামতি কৰা হৈছে। কিন্তু সেইটো সঁচা নহয়, মেৰামতি কৰা হোৱা সম্পূর্ণতো বাদেই, তাৰ আধাও কাম হোৱা নাই। ইয়াৰ ওপৰেদি গাড়ী পাৰ কৰাব নোৱাৰা কাৰণে ওচৰৰ গাঁৱৰ বাইজে বেলেগ বেৰাদি মেৰা-মতি কৰি লৈছে গাড়ী পাৰ কৰিবলৈ সক্ষম হয়। তাৰোপৰি অন্যান্য ডাঙৰ মালবাহী গাড়ী আদি যাবলৈ হলে বেলেগ পথেৰে যাব লাগে আৰু সেই পথৰ দৈর্ঘ্যও হয় অতি বেছি, যাৰ ফলত কেৰিং কষ্টও বেছি ভৰিব লগীয়া হয়। এনে অৱস্থাৰ কাৰণেই মানুহে কোনো দৰকাৰী কামৰ কাৰণে যোগাযোগৰ ব্যৱস্থা অতি দুৰূহ হৈ পৰে। তাৰোপৰি অধ্যক্ষ মহোদয়, কেতিয়াবা সংকটাপন্ন ৰোগীক উন্নত চিকিৎসাৰ বাবে সদৰ ঠাইলৈ আনিব নোৱাৰে কেৱল যাতায়তৰ দুৰৱস্থাৰ কাৰণে। আৰু মাননীয় অধ্যক্ষ মহোদয়, এই অঞ্চলটোৰ চিকিৎসা ব্যৱস্থা অনুন্নত। ইয়াত একমাত্র চিকিৎসা সেৱা "চাপানালা' ৰাজ্যিক চিকিৎসালয়খনৰ

বাহিৰে অন্য উপযুক্ত চিকিৎসালয় নাই । বিশেষকৈ এই ৰাজ্যিক চিকিৎসালয় খনৰ বাবে ৩০ খন বিচনা যুক্ত কৰিবৰ বাবে আজি বহুদিন ধৰি ৰাইজে দাবী কৰি আহিছে । ইয়াক বহুৱাৰ প্ৰয়োজন আছিল; কিন্তু তাৰ কোনো উন্নতি সাধনৰ পৰিলক্ষিত হোৱা নাই । আৰু এই অঞ্চলৰ বিদ্যালয়-বোৰৰ অৱস্থা অতি পুতৌ লগা । অধ্যক্ষ মহোদয়, এই বিদ্যালয়বিলাক যদি চাবলৈ যায়, আচৰিত হ'ব যে তাত বিদ্যালয় ভৱনবোৰ অতি পুৰনি আৰু বিদ্যালয় ভৱনবোৰত কোনো দুৱাৰ খিৰিকী নাই আৰু চৌহদত বেৰ আদিৰ ব্যৱস্থা নাই । তাত মানুহ থাকিব নোৱাৰে । এইটো চিন্তাৰ বিষয় হৈ পৰিছে আৰু সেই কাৰণেই শিক্ষা ব্যৱস্থাত কোনো ধৰণৰ উন্নতি পৰিলক্ষিত হোৱা নাই । মাননীয় অধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে প্ৰশ্নোত্তৰ কালত কৈছিল যে ১৯৯১-৯২ চনত বিভিন্ন শিতা-নত বিভিন্ন টকা এল'টমেণ্ট দিছে পথবোৰ মেৰামতিৰ কাৰণে । কিন্তু ৰাষ্টা ঘাটৰ কাম আজিলৈকে সম্পূৰ্ণ হোৱা নাই । স্থানীয় ৰাইজে নিজে ৰাষ্টাৰ ডাঙৰ ডাঙৰ গাঁত বিলাক মৰাৰ ব্যৱস্থা কৰিছে । গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কওঁ যে এইবোৰ ৰাষ্টাৰ উন্নয়ণৰ ব্যৱস্থা অতি সোনকালে কৰিব লাগে । ইয়াত আনএটা কথা হ'ল, কামপুৰ পথৰ দলং খন ভাগি যোৱাৰ কাৰণে বেলেগ পথেৰে ট্ৰাক আদিৰে মাল কঢ়িয়াই নিব লগা হোৱাৰ কাৰণে ইয়াৰ খৰছ বাঢ়ি গৈছে । ইয়াৰ কাৰণ হ'ল চৰকাৰৰ লেহেম গতি । যাৰ ফলত গড়কাপ্তানী বিভাগে ৰাজহ সংগ্ৰহৰ বেলিকা লোকচান ভৰিব লগীয়া হয় । মাননীয় অধ্যক্ষ মহোদয়, আপুনি শুনিলে আচৰিত হ'ব যে এই অঞ্চলৰ পৰ্য্যটন বিভাগৰ এম, ডি, জনক ট্ৰেন্সফাৰ কৰা হৈছে আৰু তাৰ ঠাইত জিলা উপায়ুক্ত জনক চাৰ্জ দিয়া হৈছে এনেকুৱা এটা অৱস্থাত উপনিত হৈছে । ইয়াৰ উপৰিও মাননীয় অধ্যক্ষ মহোদয়, পৰ্য্যটনৰ উন্নয়ণৰ ব্যৱস্থা হাতত লোৱা হৈছে বুলি যদিও কোৱা হৈছে, প্ৰকৃত পক্ষে কোনো উন্নতি পৰিলক্ষিত হোৱা দেখা নাই । আনহাতে পৰ্য টন উন্নয়ণৰ কাৰণে বা পৰ্য্যটকৰ আকৰ্ষণৰ কাৰণে অসমত কোনো আঁচনি হাতত লোৱা নাই ।

ইয়াৰ উপযুক্ত প্ৰচাৰ বা প্ৰসাৰৰ অভাৱ পৰিলক্ষিত হৈছে। অসমৰ বাহিৰৰ পৰা যেতিয়া ভ্ৰমণকাৰী সকল অসমৰ অভয়াৰণ্য চাবলৈ আহে, যদি তেওঁলোকৰ মনোৰঞ্জনৰ কাৰণে বা এই বনাঞ্চল আকৰ্ষণীয় কৰিবৰ কাৰণে ব্যৱস্থা হাতত লোৱা হয়, তেতিয়া হলে আমাৰ ৰেভিনিউ আহিব। আমাৰ কাজিৰঙা অভয়াৰণ্যৰ ক্ষেত্ৰত এইটো কৰিব পাৰি। যেনেকৈ গোৱাই কৰিছে। অসমৰ এই অভয়াৰণ্য বা বনাঞ্চল বিলাক যদি আকৰ্ষণীয় কৰি তুলিব পৰা হয়, কোনো ব্যক্তিগত ভাবে বিদেশী পৰ্য্যটক সকল নাহিলেও গ্ৰুপ হিচাবে আহিব পাৰে আৰু ইয়াৰ ফলত আমাৰ অসমৰ ৰাজহৰ পৰিমাণো বাঢ়িব পাৰে। কেৱল চাপানালাই নহয়, অন্যান্য পিছপৰা অঞ্চল অসমত বহুতো আছে, সেই বিলাক আকৰ্ষণীয় কৰি তুলিবলৈ ব্যৱস্থা হাতত ললে ৰাজ্যৰ উন্নয়ণ সাধন হ'ব। কাৰণ, অসম নেচাৰেল্লী সৌন্দৰ্য্যময়, তাতে যদি আৰু আকৰ্ষণীয় কৰি তুলিব পাৰি তেতিয়া হলে বিদেশী পৰ্য্যটকক আকৰ্ষণ কৰিবৰ কাৰণে সুবিধা হ'ব। আৰু তাৰ কাৰণে লাগে বহুল প্ৰচাৰ আৰু প্ৰসাৰৰ মাধ্যম। এই ক্ষেত্ৰত ব্যৱস্থা লব বুলি মই মাননীয় বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

Mr. Speaker : This Zero Hour Motion relates to many departments ; P. W. D. Health and Tourism. So, I would request Ministers of the department concerned to please give importance to what has been raised by the Hon'ble leader of the opposition, and later on a subsequent date to lay down some statement on the matter on the floor of the House. I now call upon Shri Zoii Nath Sharma to raise his Zero Hour notice.

★ ডঃ জয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, শক্তি বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰীদেবানন্দ কোঁৱৰ দেৱক কেইটামান কথা দৃষ্টিগোচৰ কৰিব বিচাৰিছো। আজি কেইবছৰমানৰ পৰা দৰং জিলাত বিশেষকৈ খৰালি মাহত যেক্ৰুৱাৰী

★ Speech not corrected.

মাহৰ পৰা আৰম্ভ হয়। মঙ্গলদৈ চহৰৰ বাহিৰেও গাওঁ অঞ্চলৰ সমগ্র মানুহে বিজুলী সংকটত ভুগিবলগীয়া হয়। ইলেকট্রিচিটি বোর্ডৰ চাব ষ্টেচনটো ৰৌতাত আছে। সেইটো দৰং জিলাৰ ভিতৰত পৰে। আমাৰ মাননীয় মন্ত্রী কন্দর্প ডাঙৰীয়াই এইটো ভালদৰে জানে। কিন্তু ৰৌতাত থকা চাব-ষ্টেচনটো ঢেকীয়াজুলী বিদ্যুত্ সংমণ্ডলৰ অধীনত পৰে। তাৰ পৰাই নিয়ন্ত্রণ কৰা হয়। বিদ্যুত সংকট হোৱাৰ মূল কাৰণ হৈছে ৰৌতা ষ্টেচনটোৰ পৰা যিমান পাৱাৰ বিতৰণ কৰিব লাগে সিমানখিনি নকৰি অন্য ঠাইটো জিলাখনৰ বাহিৰত থকা কিছুমান চাহ বাগিছাত পাৱাৰ দি দিয়ে সেই কাৰণে দৰং জিলাৰ সদৰ মঙ্গলদৈৰ ৰাইজে বিদ্যুত্ সংকটত ভুগিবলগীয়া হয়। মাননীয় অধ্যক্ষ মহোদয়, বিদ্যুত্ সংকটৰ বিষয়ে কেইবাবাৰো প্রশ্ন কৰা হৈছে যদিও এই সংকটটো চৰকাৰে আঁতৰাব পৰা নাই। দৰং জিলা সকলো ক্ষেত্রতে পিচপৰি আছে। তাত যদি কটেজ ইণ্ডাষ্ট্রি দিবলগীয়া হয় তেতিয়া প্রথমেই চিন্তা আছে বিদ্যুত কঁৰপৰা পাব ? অলপতে প্রাইম মিনিষ্টাৰ ৰোজগাৰ আঁচনি মতে নিবনুৱা যুৱক সকলক ১ লাখকৈ ঋণ দিয়া হৈছিল। সেই টকাৰে কিবা এটা কৰিবলৈ হলে বিজুলীৰ দৰকাৰ। সেই কাৰণে যুৱক সকলে কটেজ ইণ্ডাষ্ট্রি কৰিব পৰা নাই। বেছি অংশই গেলামালৰ দোকান আৰম্ভ কৰিছে। মঙ্গলদৈ চহৰত যিকেইটা ইণ্ডাষ্ট্রি বা ইউনিট আৰম্ভ হৈছে সেইকেইটাই আজিলৈকে লাভ আহৰণ কৰিব পৰা নাই। ইয়াৰ কাৰণ হৈছে কাৰেণ্টৰ অভাৱ। গধূলি ছাত্র-ছাত্রী সকলৰ পঢ়াৰ সময়। কিন্তু দেখা গৈছে যে গধূলি ৬ টাৰ পৰা ১০ টালৈকে পঢ়া-শুনা কৰা সময়ছোৱাত বিজুলী চাকিৰ পোহৰ নাপায়। লোড চেডিং হৈ থাকে। ভাত সিজালে এটা চাউল টিপি চালে গম পায় ভাতখিনি সিজিছে নে নাই। ঠিক তেনেকৈ অসমৰ শক্তি বিভাগে কি কৰিছে সেইটো প্রমাণ হৈ যাব। দৰং জিলাৰ চিপাঝাৰত প্রাগ বছিমিয়ে ইলেকট্রিচিটি লোৱাৰ লগতে কিছুমান ফেক্টৰীত পোনপ্রথমটিয়কৈ কাৰেণ্ট দিছে। যিমান কাৰেণ্ট লাগে তাতকৈ বেছি দি থাকিলে অন্য জিলাৰ ক্ষেত্রত কিছু কমি যায়। সেই কাৰণে প্রাগ বছিমি কর্তৃপক্ষৰ লগত আলোচনা কৰি প্রাগ

বছিমিক যিখিনি লাগে সেইখিনি তেখেতসকলে কনজুম কৰিব আৰু যিখিনি অতিৰিক্ত হয় সেইখিনি অন্যান্য সকলক বিতৰণ কৰিবৰ কাৰণে মই অনুৰোধ কৰিছো। দৰং জিলাৰ অন্তৰ্গত প্ৰশাসনিক ৰৌতাৰ পৰা মঙ্গলদৈলৈ পোনপটীয়াকৈ বিদ্যুত্ বিতৰণ কৰিব লাগে, সমগ্ৰ জিলাখনৰ স্বাৰ্থৰ খাতিৰত।

★ শ্ৰীদেবানন্দ কোঁৱৰ (শক্তি মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শৰ্মা ডাঙৰীয়াই যিখিনি কথা কৈছে সেই সমস্যা কেৱল মঙ্গলদৈতে নহয় সমগ্ৰ অসমতে হৈছে আনকি ৰৰাকভেলীতো সেই একে সমস্যা হৈ আছে। ইয়াৰ কাৰণ ২ টা। এটা কাৰণ হৈছে বিদ্যুত্ উৎপাদনৰ অভাৱ আৰু বিদ্যুত্ উৎপাদন যথেষ্ট হলেও **distribution system** আছে। সেইঅনুপাতে যথেষ্ট পৰিমাণে বিদ্যুত্ পালেও চিচ্‌টেমত কিছু আসোৱাহ আছে। সেইবোৰৰ কাৰণে কেতিয়াবা বিদ্যুত্ যোগান ধৰিব পৰা নহয়। শৰ্মা ডাঙৰীয়াই কৈছে যে ৰৌতা চাব-ষ্টেচনটো ঢেকীয়াজুলিত আছে কাৰণে উত্তৰ অঞ্চলতে বিতৰণ হৈ যায়। মই এইটো উপলব্ধি কৰিছো। তাৰ বাবে ব্যৱস্থা লম। যোৱাকালি মাননীয় অধ্যক্ষৰ সমষ্টি লামডিংত এটা সমস্যা হৈছে। বিদ্যুতৰ কাৰণে হাহাকাৰ হৈছে। আমি বিদ্যুত্ বোৰ্ডৰ চেয়াৰমেন, মেম্বাৰ আৰু ইঞ্জিনিয়াৰক মাতি আনিছো। তেখেতসকলৰ লগত আলোচনা কৰি দেখা গল যে সেই সময়ত বিদ্যুত্ নাটনি যথেষ্ট হোৱাৰ কাৰণে লামডিঙলৈ বিদ্যুত্ পঠিয়াব নোৱাৰাৰ মূল কাৰণ। এইটো লংকাৰ পৰাই বিতৰণ কৰা হয়। ৰৌতা ঢেকীয়াজুলিৰ পৰা কনষ্ট্ৰাক্ট কৰাৰ দৰে হৈছে। শংকৰ নগৰত থকা ট্ৰেন্সফৰমাটো ভাগি যোৱাৰ কাৰণে ডিফুৰ পৰা যদিও বিদ্যুত্ যোগান ধৰা হয় তাৰ পৰা যথেষ্ট পৰিমাণে চাপ্লাই কৰিব পৰা নাই। যথেষ্ট পৰিমাণে থকা সত্বেও কিবা কাৰণত আসোৱাহ বা কেতিয়াবা বিদ্যুত্ৰ নাটনি হয়। ৩ টা চোৰচৰ পৰা আমি বিদ্যুত্ আহৰণ কৰো। বিশেষকৈ মেঘালয়, এ, এ, ই, বি, আৰু নেপকু। পানীৰ কাৰণে দিনৰ ভাগত একেবাৰে দিব নোৱাৰে গধূলি সময়ত পিক্‌আউটৰ পৰা অলপ অলপ দিয়ে। কপিলিৰ পৰাও

☆ Speech not correctd

আমি কিছু বিদ্যুত্ পাওঁ। চাব-ষ্টেচন বিলাকত কিছু আসোঁৱাহ থাকেই। এই ক্ষেত্রত এটা সত্ সিদ্ধান্তলৈ নিশ্চয় আহিম।

★ ডঃ জয়নাথ শর্মা : মাননীয় অধ্যক্ষ মহোদয়, গোটেই অসমত আমাক দিনে কিমান পাওৱাৰ লাগে আৰু বর্ত্তমানে দিনে কিমান পাওৱাৰ চাপ্লাই কৰিব পাৰিছে সেইটো জনাবনে :

★ শ্রীদেবানন্দ কোঁৱৰ (শক্তি মন্ত্রী) : অধ্যক্ষ মহোদয়, আমাক প্রায় ৩৫০ মেগা-ওৱাট পাওৱাৰ পিক-আওৱাৰ্চত লাগে, তেতিয়াও কিছু কিছু অঞ্চলত লোড চেডিং হব পাৰে এতিয়া দিনে শতকৰা ৮০ ভাগ দিব পাৰিছো। দিনৰ ভাগত The difference between off-peak hour demands and the Peak-hour demand is very high. অৱ-পিক-আওৱাৰ্চত ডিমাণ্ড নাই। ১৫০ মেগা-ওৱাট পিক আওৱাৰ্চত where as in the peak-hour it rises to 350 to 375 MW.

★ ডঃ জয়নাথ শর্মা : মোৰ প্রশ্নটো হ'ব দেইলি কিমান দিব পৰা হৈছে ?

★ শ্রীদেবানন্দ কোঁৱৰ (শক্তি মন্ত্রী) : আমাৰ যি কেইটা চোর্চ আছে তাৰে আমি ২৫০ মেগা-ওৱাট পাও। ইষ্টার্ণ-গ্রিডৰ পৰা কিছু পাওৱাৰ যোৱা তিনি বছৰে পাই আছো, তাৰ পৰা ১২৬ মেগা-ওৱাট পাও। যদি আমি ৩৫০ মেগা-ওৱাট পাও তেতিয়া হলে ২৫০/২৪০ মেগা-ওৱাট যোগান ধৰিব পাৰো। আমাৰ প্রয়োজন অনুসাৰে যদি নেপকো আৰু কঠালগুৰিৰ পৰা যথাক্রমে ১০০ আৰু ৬০ মেগা-ওৱাট পাওঁ তেতিয়াহলে সেইটো মেক-আপ হ'ব। From the point view of supply and availibility of power.

☆ ডঃ জয়নাথ শর্মা : অধ্যক্ষ মহোদয়, বাজেট বক্তৃতাত মাননীয় বিত্তমন্ত্রী মহোদয়ে সময়ত তিনিবাৰ ৰিপিট কৰি কৈছিল যে ইয়াৰ পিচত ৰাজ্যখনত আৰু লোডচেড নহব কিন্তু ইয়াৰ পিচতো ৰাজ্যখনত লোডচেড নিয়মীয়াকৈ চলি আছে। মন্ত্রী ডাঙৰীয়াই তেনেহলে অসত্য কথা কৈছিল নেকি ?

★ শ্রীদেবানন্দ কোঁৱৰ (শক্তি মন্ত্রী) : মাননীয় বিত্তমন্ত্রী আৰু মুখ্যমন্ত্রীয়ে

★ Speech not corrected.

যদি কৈছিল আৰু লোড-চেডিং নহব, সেইটো কৈছিল এভেলেবিলিটি অব পাওৰাৰৰ ওপৰত নির্ভৰ কৰি কৈছিল অর্থাৎ চৰকাৰে লোৱা ব্যৱস্থা মতে যদি পাওৰাৰ এভেইলেবোল হয় তেতিয়া হলে আৰু লোডচেডিং নহব। From the point of view of availibility of power. আমি ফাৰাক্কাৰ পৰা আৰু নেপকো আৰু কঠালগুৰিৰ পৰা যদি পাওৱাৰখিনি পাও তেতিয়া আৰু লোডচেডিং নাথাকিব অৱশ্যে পাওৰাৰ এভেইলেবেলিটি হোৱাৰ পিচতো যদি বিদ্যুত্ প্রবহনৰ কাৰণে যান্ত্রিক বিজুটি থাকি যায় আৰু হাইটেনশ্যন লাইন আৰু লোটেনশ্যন লাইনৰ সুবিধাজনক ব্যৱস্থা নহয় তেতিয়াও কোনো কোনো অঞ্চলত লোডচেডিং হৈ থাকিব পাৰে !

★ ডঃ জয়নাথ শর্মা : ইতিমধ্যে মুখ্যমন্ত্রীকে ধৰি বিত্তমন্ত্রী আৰু শক্তি মন্ত্রীয়ে বাৰ বাৰ লোডচেডিং আৰু নহব বুলি কোৱা কথাটো তেতিয়া হলে অসত্য নেকি ? কিয়নো এই কথা কোৱাৰ পাচতো লোড-চেডিং দেইলী গোটেই ৰাজ্যখনতে চলি আছে। আন নালাগে সিদিনা মোৰ নিজৰ ঠাইতে এজন লৰাই মাকৰ লগতে থাকি কেৰাচিনৰ বটল ওচৰতে থৈ চাকিগছ ৰাখি পৰীক্ষাৰ কাৰণে পঢ়ি আছিল হঠাৎ লাঈন যোৱাত লৰাটোৱে চাকিগছ খেপিয়াই থাকোতে গোটেই তেলখিনি পৰি গ'ল আৰু চাকিয়ো জ্বলাব নোৱাৰিলে ফলত লৰাটোয়ে পৰীক্ষাত ভাল কৰিব নোৱাৰিলে আৰু বিধায়ক পাৰেমানে গালি পাৰিলে। গতিকে লোড-চেডিং চলি আছে সেইটো বন্ধ হব নে নহয় ?

★ শ্রীদেৱানন্দ কোঁৱৰ (শক্তি মন্ত্রী) : মুখ্য বন্ত্রীকে ধৰি বিত্তমন্ত্রী বা মই ভুল কথা বা অসত্য কোৱা নাই কিন্তু কেতিয়াবা যান্ত্রিক বিজুটিৰ কাৰণে কোনো কোনো অঞ্চলত কেতিয়াবা লোড-চেডিং হব পাৰে।

Mr. Speaker : I Now call upon Shri Asahaque Ali and Shri Nizamuddin Khan to raise their zero hour notice

★ শ্রীএজাহুক আলি : মাননীয় অধ্যক্ষ মহোদয়, শূন্য কালৰ সময়চোৱাত মই

★ Speech not corrected.

Discussion During Zero Hour

মাননীয় বিভাগীয় মন্ত্রী মহোদয়ৰ নতুন দৈনিক কাকতৰ ২৪ মাৰ্চ তাৰিখৰ "ৰূপসী আঞ্চলিক পঞ্চায়তৰ দূৰ্নীতি, ৰাজহ ফাকিৰ অভিযোগ" শীৰ্ষক বতৰিটোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি কেইটামান ঘটি থকা দূৰ্নীতিৰ কথা বিচাৰিছো। বাতৰিটোত উল্লেখ কৰামতে ৰূপসী আঞ্চলিক পঞ্চায়ত এলেকাৰ প্ৰায়বোৰ হাট-বাট বন্দোৱস্তীৰ নামত দূৰ্নীতি-অনিয়ম আৰু ৰাজহ ফাকিৰ অভিযোগ হৈছে। অনুসন্ধান কৰি জানিব পৰামতে আঞ্চলিক সচিব তথা ৰূপসী খণ্ড উন্নয়ন বিষয়াজনে পঞ্চায়তৰ নিয়ম-নীতি উলঙ্ঘা কৰি হাট-বাটৰ ৰাজহ আদায়ত শকত পৰিমাণৰ ৰাজহ লোকচান ভৰিব লগা হৈছে। নিয়মমতে উচ্চ ডাকোতাক আৰুটন দিয়াৰ লগতে ২০ হাজাৰ টকাৰ ওপৰত ডাক হলে উপ-পঞ্জীয়ণ কার্য্যালয়ত দলিল পঞ্জীয়ন কৰিব লাগে। এই দলিলত ৰাজহ কিস্তি পৰিশোধ, আমানত আৰু ৰাজহ আদায়ৰ নিয়মবোৰ সন্নিবিষ্ট হব। তদুপৰি চৰকাৰৰ তহবিলত পঞ্জীয়ন মাচুল, দলিল বিক্রী ৰাজহ আদি জমা হয়। ৰূপসী আঞ্চলিক পঞ্চায়তৰ হাট-বাট আৰুটন পোৱা লক্ষ্যাধিক টকাৰ ডাকোতাকো পঞ্চায়ত সচিবজনে ৰহস্য-জনক ভাৱে ১৯৯১/৯২ চনৰে পৰা বিগত তিনি বছৰ মানত পঞ্জীয়ন অবিহনে ৰাজহ আদায় কৰাৰ পট্টন দিয়াৰ বিষয়ে জানিব পৰা গৈছে। বিশেষ অনুসন্ধান কৰি জানিব পৰা মতে লাঙ্গলা বজাৰখন ১৯৯৪/৯৫ চনৰ বাবে ৫ লাখ ৬১ হাজাৰ টকাত আৰুটন দি বিনা পঞ্জীয়নত আৰু কিস্তিৰ ধন জমা নোলোৱাকৈ ৰাজহ আদায়ৰ অনুমতি দিয়ে। ইয়াৰে সম্পূৰ্ণ ৬ মাহ অতিবাহিত হৈ যোৱাৰ পিচত পূৰ্ণ কিস্তি জমা নিদিয়াত ১ লাখ টকা পঞ্চায়তে লোকচান ভৰি বাকী ৬ মাহৰ বাবে বাতিল কৰি উপডাকৰ সিদ্ধান্ত লয়। উপডাক দিয়াৰ ক্ষেত্রতো সচিবজনে নিয়ম-নীতি উলঙ্ঘা কৰাৰ অভিযোগ উত্থাপিত হৈছে। সচিবজনে নিয়ম মাফিক টেণ্ডাৰ বাকচ নোহোৱাকৈ হাতে হাতে নিবিদা গ্রহণ কৰে। তদুপৰি ১ লাখ ৭৩ হাজাৰ ৭৯৯ টকাৰ উচ্চ নিবিদাকাৰীক আৰুটন দিয়াৰ পৰিবর্তে সচিবজনে ৰহস্যজনক ভাবে মাত্র ৯৭ হাজাৰ টকাৰ নিম্ন নিবিদাকাৰীক আৰুটন দিয়ে, পঞ্জীয়ন অবিহনে আৰুটন দি কিস্তি আদায় নোলোৱাকৈ ৰাজহ আদায়ৰ অনুমতি দিয়াৰ ফলত বর্ত্তমানলৈ লাঙ্গলা বজাৰত

১ লাখ, কলগছিয়া বজাৰত ১৮ হাজাৰ আৰু হালধীয়া ধৰ্মপুৰ বজাৰত ৪০০০ টকা অনাদায় হৈ আছে। আঞ্চলিক সচিবজনে উল্লেখিত অনিয়ম কৰাৰ উপৰিও আঞ্চলিক পঞ্চায়তৰ কোনো প্ৰস্তাৱ অবিহনে পঞ্চায়তৰ বিলৰ পৰা লাঙ্গলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আৰু গিৰিধাৰী বিলাদাস মহাবিদ্যালয়ৰ বাবে ৮০ হাজাৰ টকা উলিয়াই দিছে। সচিবজনৰ দূৰ্নীতি আৰু অনিয়মৰ বিৰুদ্ধে আঞ্চলিক সদস্য আব্দুল কাডেৰৰ নেতৃত্বত স্থানীয় বিধায়কৰ জৰিয়তে বিহিত ব্যৱস্থাৰ বাবে জিলা উপায়ুক্তক যোৱা ২৪ ফেব্রুৱাৰীত এখন স্মাৰকপত্ৰ প্ৰদান কৰা হৈছে যদিও উপযুক্তই বৰ্ত্তমানলৈ কোনো ধৰণৰ তদন্তমূলক ব্যৱস্থা গ্ৰহণ কৰা নাই। এই বিষয়ে জনগণে উৰ্দ্ধতম কৰ্তৃপক্ষই দৃষ্টি আকৰ্ষণ কৰে। আচৰিত কথা যে এই যিখিনি টকা মহাবিদ্যালয়ক অনুদান দিয়া হৈছে বুলি কৈছে সেই টকাটো কিন্তু মহাবিদ্যালয়ত জমা হোৱা নাই। এই ঘটনাটো সেই অঞ্চলত ঘটি থকা আন আন ঘটনাৰ তুলনাত অতি সৰু ঘটনা ইয়াতকৈ আৰু বহুত ডাঙৰ ঘটনা আছে সেইবিলাকৰ কথা মই কবলৈ নাযাওঁ। ইতিমধ্যে ২৮ লাখ টকা যিটো পঞ্চায়তক জমা দিব লাগে সেই কেলেঙ্কাৰী আৰু দূৰ্নীতিৰ কথা সকলোয়ে জানে, এই বিষয়ে মই আৰু বহলাই নকওঁ।

অধ্যক্ষ মহোদয়, আজি এটা মাফিয়া গ্ৰুপো আছে যিটোৱে দিচপুৰত আহি কেইজনমান মন্ত্ৰীৰ চত্ৰছায়াত থাকি এই কামবিলাক কৰি আছে। বৰপেটা জিলাৰ প্ৰায় অংশতে তেওঁলোকে কাম কৰি আছে। তেওঁলোকক এই কাৰণে ক্ৰেডিট দিব লাগিব যে কাম নকৰাকৈ বিল পাই থাকে। গতিকে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে এই বিষয়ত যেন ভাল উত্তৰ এটা দিয়ে আৰু কামবিলাক বন্ধ হয়, দূৰ্নীতি বন্ধ হয়। পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে বৰপেটাত এজন ডাঙৰ মানুহক এটা ফিচাৰী কৰিবলৈ দিছে যাৰ ফলত উজনিৰ পৰা পানী আহি সেই অঞ্চলৰ খেতি বাতি নষ্ট কৰিব। বাইজে এই ফিচাৰী নাকচ কৰা বাবে চৰকাৰৰ ওচৰত আবেদন জনাইছে। এই ফিচাৰী হলে ৪০/৫৪ কিলোমিটাৰ দূৰ উজনিৰ পৰা পানীয়ে ভেটা ভাঙি আহি পকা আহুধান নষ্ট কৰিব। গতিকে এইটো

যাতে নকৰে তাৰ বাবে অনুৰোধ জনালো ।

Mr. Speaker : Minister, Ponchayat to reply.

★ ডাঃ ভূমিধৰ বৰ্মন (মন্ত্রী) : অধ্যক্ষ মহোদয়, মই মাননীয় সদস্যৰ কথা-খিনি মনোযোগেৰে শুনিলো । ইতিমধ্যে মই ডি, চিৰ লগত টেলিফোনেৰে যোগাযোগ কৰিছো । তেখেতেও কিছুমান অভিযোগ পাইছে । সেইবিলাক তদন্ত কৰি আছে । গতিকে মই আকৌ চাম যাতে উচিত তদন্ত কৰা হয় । আৰু তদন্তৰ ৰিপোৰ্ট পোৱাৰ পাচত কঠোৰ ব্যৱস্থা লোৱা হব ।

★ ডঃ জয়নাথ শর্মা : অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে কৈছে যে উচিত তদন্ত কৰা হব, অনুচিত তদন্ত কৰে নেকি ?

☆ ডঃ ভূমিধৰ বর্মন (মন্ত্রী) : অধ্যক্ষ মহোদয়, মই কব বিছাৰিছো যে প্রয়োজন হলে হায়াৰ অথোৰেটিক কোৱা হব । তেখেতে যিটো পানীৰ কথা কৈছে সেইটো আমি চাম । বাইজক অন্যায় কৰি ফিচাৰী কৰিবলৈ দিয়া নহয় । কিছুমান ফিচাৰী গভর্নিং বডিয়ে পাচ কৰিছে । সেই সম্পর্কে ডি, চি, য়ে চাই আছে ।

★ শ্রীনিজামুদ্দিন খান : Point of clarification, Sir, অধ্যক্ষ মহোদয়, মই জানিব বিছাৰিছো যে, ইয়াত উল্লেখিত বাতৰিমতে ১৯৯৪.৯৫ চনৰ বাবে লাংলা বজাৰৰ বাবে ৫ লাখ ৬১ হাজাৰ টকা আবণ্টন দিছিল এইটো কি হ'ল ?

CALL ATTENTION NOTICE

মাননীয় অধ্যক্ষ : এইটো তদন্ত কৰিব Item No. 2. Hon'ble member, Shri Nizamuddin Khan to call the attention of the Minister. Labour under Rule-54 of the Rules of Procedures and conduct of Business in Assam Legislative Assembly to the news item appearing in the 'Azir Batori' dtd. 27th October, 1994.

☆ Shri Nizamuddin Khan : Sir. I would like to call the

☆ Speech not corrcted.

Call Attention Notice

attention of the Minister, Labour under Rule-54 of the Rules of Procedures and Conduct of Business in the Assam Legislative Assembly to the news item appearing in the 'Azir Batori' dtd. 27th October, 1994 under the Caption. এক নবেম্বৰত চাহ শ্ৰমিকৰ ধৰ্মঘট ।

☆ শ্ৰীদিলেশ্বৰ তাঁতী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে আজিৰ অসম বাতৰি কাকতত অক্টোবৰ মাহত প্ৰকাশিত হোৱা চাহ শ্ৰমিকৰ ধৰ্মঘট বাতৰিটো উৎথাপন কৰিছে আৰু মোৰ দৃষ্টিগোচৰ হৈছে । ব্ৰহ্মপুত্ৰ উপত্যকাত চাহ শিল্পটো এটা বৃহত অনুষ্ঠান । অসম চাহ মজদুৰ সংঘৰ ২৩ দফিয়া দাবী কিছুমানো চাহ শিল্পৰ লগত জড়িত । আৰু কিছুমান চৰকাৰৰ লগত জড়িত । এই সমস্যা সমাধান নহলে তেওঁ-লোকে ১ নবেম্বৰ তাৰিখৰ পৰা ধৰ্মঘট কৰিব বুলি জাননি দিছিল । গতিকে ২৪ অক্টোবৰ তাৰিখে অসম চৰকাৰ তথা মুখ্য মন্ত্ৰীয়ে চাহ মজদুৰ সংঘক মাতি আনি আৰু শ্ৰম দফতৰৰ আৰু সংশ্লিষ্ট অন্যান্য বিভাগৰ লগত আলোচনা কৰি ২৪ অক্টোবৰ তাৰিখে এটা সিদ্ধান্ত লোৱা হয় । আৰু সেই চুক্তিমতে তেওঁলোকে ধৰ্মঘট উঠাই লয় ।

★ শ্ৰীমতী ৰেনুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে আজি এটা তৰাবিহীন প্ৰশ্নত দিয়া বাগানৰ কেচৰ কাৰণে দুজন পুলিচ বিষয়াই শাস্তি পাব লাগে কিন্তু আজিলৈকে পোঁৱা নাই । শ্ৰমিক আইন অনুসৰি সকলো শ্ৰমিকে সা-সুবিধা লাভ কৰিছে নে ? প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৰিছে বুলি কৈছে । কিন্তু আজি চাহ শ্ৰমিক সকলে কিয় ধৰ্মঘট সত্যাগ্ৰহ কৰিব লগীয়া হৈছে ? কিন্তু আজি চাহ শ্ৰমিক সকলে ন্যায্য দাবী বা সা-সুবিধা পোৱা নাই । যি দুজন পুলিচ বিষয়াৰ তাত ঘটনা হ'ল তেওঁলোক এতিয়াও চাকৰিতে আছে । তেওঁলোকৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব নে ?

☆ Speech not corrected

Call Attention Notice

★ শ্রীদিলেশ্বৰ তাতী (মন্ত্রী) : অধ্যক্ষ মহোদয়, কল এটেনচনৰ উত্তৰ দিবলৈ যাওঁতে দিহা বাগিচাৰ প্রশ্নটো অপ্রাসঙ্গিক হৈছে । তেখেতে কৈছে পুলিচ বিষয়া দুজনক কিয় শাস্তি দিয়া হোৱা নাই । ইতিমধ্যে আমি এ, ডি, চি পর্য্যায়ৰ এজন মেজিষ্ট্রেটৰ দ্বাৰা তদন্ত কৰাই আছো । তদন্তৰ ৰিপোর্ট নাপালে কোন দোষী, কোন নির্দোষী কেনেকৈ কম ? ৰিপোর্ট পালে ব্যৱস্থা লোৱা হব ।

Matter Under Rule 301

Mr. Speaker : I now call upon Hon'ble Member, Shri Munin Mahanta to draw the attention of the Minister, Tourism by raising the matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the News item Published in the "Ajir Asom" dated 8th March, 1995 under caption "পর্য্যটন বিভাগলৈ আৱণ্টন দিয়া কেন্দ্রীয় চৰকাৰৰ লাখ লাখ টকা কি হ'ল ।"

★ শ্রীমুনীণ মহন্ত : অধ্যক্ষ মহোদয়, আজিৰ সদনত ৩০১ নং ৰূলচ মতে 'আজিৰ অসম' বাতৰি কাকতত ৮ মার্চ তাৰিখে প্রকাশিত পর্য্যটন বিভাগলৈ আৱণ্টন দিয়া কেন্দ্রীয় চৰকাৰৰ লাখ লাখ টকা কি হ'ল এই বিষয়ে আলোচনা কৰিবলৈ বিচাৰিছো । অধ্যক্ষ মহোদয় অসম ৰাজ্যখন প্রাকৃতিক সৌন্দর্য্য আৰু নানা আপুৰুগীয়া সম্পদেৰে সৈতে ভৰপুৰ । দেশ বিদেশৰ বহুতো পর্য্যটক অসমলৈ আহে আৰু পর্য্যটক সকলক আকর্ষণ কৰাৰ বাবে অসমত প্রচুৰ সম্ভাৱনা আছে । কিন্তু আজি অসম চৰকাৰৰ অনীহাৰ কাৰণে পর্য্যটন উদ্যোগটো ভালদৰে গঢ়ি তুলিব পৰা নাই । আজি অসমত পর্য্যটন সম্পর্কে এখন মাষ্টাৰপ্লেন কৰা হৈছে যাৰ বাবে কেন্দ্রীয় চৰকাৰৰ পৰা পূর্ণ মাত্রাতে আর্থিক অনুদান পাই আছে । কিন্তু পর্য্যটন শিল্পৰ কোনো সুদূৰ প্রসাৰি উন্নয়ন ঘটা পৰিলক্ষিত হোৱা নাই বুলি আজি

★ Speech not corrected.

অভিযোগ উঠিছে। আজি ৰাজ্যৰ পর্যাটন বিভাগৰ উপযুক্ত কর্ম আচনি আৰু সঠিক অন্তঃ গাঠনি অভাৱৰ ফলত পর্য্যটন শিল্পৰ বিকাশ হোৱা নাই বুলি ভাৱো। কেন্দ্রীয় চৰকাৰে বিচৰা ৰাবে ৰাজ্য চৰকাৰে পর্য্যটন বিভাগৰ মাষ্টাৰ প্লেন কৰিছে যদিও দাখিল কৰিব পৰা নাই। আনহাতে ৰাজ্য চৰকাৰে কেন্দ্রীয় চৰকাৰৰ পৰা পর্য্যটন শিল্প বিকাশৰ বাবে লাখ লাখ টকা লাভ কৰি আছে অথচ একো উন্নয়ন হোৱা নাই। কেন্দ্রীয় চৰকাৰে কামাখ্যা মন্দিৰত তীর্থযাত্রী সকলৰ বাবে এটা তীর্থ যাত্রী নিবাস নির্মাণ কৰাৰ কাৰণে লাখ টকা মুকলি কৰি দিছিল। কিন্তু মাটি নাই বুলি একো কাম হোৱা নাই। ১৯৯২ চনতে পল্টন বজাৰত ৯ খন বিছনাযুক্ত অশোক যাত্রী নিবাস কৰিবৰ বাবে ৫০ লাখ টকা ধার্য্য কৰি ২০ লাখ টকা মুকলি কৰিছিল। কিন্তু কাম হোৱা নাই। সেই একে দৰে ১৯৮৮ চনত কার্বি আংলং জিলাৰ শিলভাটাত এটা জিৰণি ঘৰ আৰু পর্য্যাবেক্ষণ গেলাৰীৰ বাবে ৭.৬০ লাখ টকা মুকলি কৰি দিছিল কিন্তু নির্মাণৰ কার্য্য আৰম্ভ হোৱা নাই। গৰম পানীতো এটা পর্য্যটন কেন্দ্র নির্মাণৰ বাবে ৮ লাখ টকা মুকলি কৰি দিছিল কিন্তু কাম হোৱা নাই। এতিয়া ১৯৯১ চনৰ বাবেও ১৫.১৬ লাখ টকা মঞ্জুৰ কৰা হৈছে। একে ধৰণে পবীতৰাটো পর্য্যটন ভৱণ সম্পূর্ণ হোৱা নাই চৰকাৰৰ অনীহা আৰু দুর্বলতাৰ কাৰণে কাম বিলাক হোৱা নাই। গতিকে মন্ত্রী মহোদয়ে এটা স্পষ্ট উত্তৰ দিব লাগে ?

★ শ্রীমুকুট শর্মা (মন্ত্রী) : অধ্যক্ষ মহোহয়, মাননীয় সদস্য মুনীণ মহন্ত ডাঙৰীয়াই ৩০১ ধাৰা মতে যি আলোচনা মুকলি কৰিছে তাৰ ওপৰত মই ব্যক্তব্য ৰাখিব বিচাৰিছো।

অধ্যক্ষ মহোদয় : অসম চৰকাৰৰ পর্য্যটন বিভাগে ৰাজ্যখনত পর্য্যটন উদ্যোগৰ বিকাশৰ বাবে কোনো অৱহেলা কৰা নাই। কেন্দ্রীয় চৰকাৰে পর্য্যটন বিকাশৰ বাবে বিভিন্ন আঁচনিত বিত্তীয় মঞ্জুৰী আগবঢ়াই এই মঞ্জুৰী সমূহ ৰাজ্য চৰকাৰৰ পর্য্যটন বিভাগে নির্দিষ্ট আঁচনি ৰূপায়ণৰ বাবে যথাযথ

★ Speech not corrected.

ব্যৱস্থালৈ খৰছ কৰিছে । এতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা কোনো বিত্তীয় অনুদান ঘূৰি যোৱা নাই ।

পৰ্য্যটন বিকাশৰ বাবে ৰাজ্যখনত যান-বাহন ব্যৱস্থা, যোগাযোগ ব্যৱস্থা, ৰাস্তা-পদুলি আদি উন্নত হোৱা উচিত । আনহাতে ই ৰেলপথ আৰু বিমান সেৱাৰ উন্নত ব্যৱস্থাৰ ওপৰত নির্ভৰ কৰে । তদুপৰি ৰাজ্যখনৰ ভিতৰত উন্নত অন্তঃ গাঠনি সৃষ্টি কৰাৰো প্ৰয়োজন । এনে আঁচনিৰ সফলতা চৰকাৰৰ গড়কাপ্তানী বিভাগ, উদ্যোগ বিভাগ, বন বিভাগ, সাংস্কৃতিক তথা ক্ৰীড়া বিভাগ, পুৰাতত্ব বিভাগ আদিকে ধৰি বিভিন্ন বিভাগৰ সুসম্বন্বিত প্ৰচেষ্টাৰ ওপৰত নির্ভৰ কৰে ।

এইটো কথা সত্য যে অসমৰ পৰ্য্যটন বিকাশৰ সম্ভাৱনীয়তালৈ লক্ষ্য ৰাখিলে অসমত ইয়াৰ বিকাশ যথোচিত হোৱা নাই । কিন্তু পৰ্য্যটন উদ্যোগ বিকাশৰ বাবে অকল পৰ্য্যটন বিভাগৰ প্ৰচেষ্টাই যথেষ্ট নহয় । এই ক্ষেত্ৰত ওপৰত উল্লেখ কৰা বিভাগবোৰো সমভাগী হোৱা দৰ্কাৰ । ইয়াতেই এটা কথা কোৱা প্ৰাসংগিক হ'ব যে পৰ্য্যটন বিভাগে চান্দডুবিত এটা আকৰ্ষণীয় পৰ্য্যটন কেন্দ্ৰ নিৰ্মাণ কৰিছে যদিও মিৰ্জা-ৰাজাপাৰা ৰাস্তাটো উন্নত নোহোৱা বাবে কেন্দ্ৰটো প্ৰায় ব্যৱহাৰ নোহোৱা যেন হৈছে । সেইদৰে পবিতৰা আৰু ওৰাঙতো পৰ্য্যটন নিবাস নিৰ্মাণৰ কাম হাতত লোৱা হৈছে, কিন্তু দুয়ো ঠাইলৈ অহা যোৱাৰ বাবে ৰাস্তাৰ অৱস্থা অতি শোচনীয় । যদি গড়কাপ্তানী বিভাগে চলিত বছৰত এই কেন্দ্ৰ দুটালৈ ৰাস্তা দুটা উন্নত কৰাৰ ব্যৱস্থা নলয় তেন্তে পৰ্যটকসকল উক্ত ঠাইলৈ যোৱাত অসুবিধা হ'ব ।

কেন্দ্ৰীয় চৰকাৰে অসমত পৰ্যটন বিকাশৰ বিভিন্ন আঁচনিৰ জৰিয়তে আগবঢ়োৱা অনুদানৰ আলেখ্য তলত দাঙি ধৰা হ'ল ।

১৯৮৫-৮৬ চনৰ পৰা ১৯৯৪-৯৫ চনলৈ ৩৬ খন আঁচনিৰ বাবে সর্বমুঠ ৪৬৬.৯৪ লাখ টকা সংমোদন জনাইছে । ইয়াৰ ভিতৰত মুঠতে ২৮১.৮১ লাখ টকা উপযুক্ত কৰি দিছে । এই ৩৬ খন আঁচনিৰ ভিতৰত ১৭ খনৰ ৰূপায়ণ সম্পূর্ণ হৈছে । ইয়াৰ তালিকা লগত গাঠি দিয়া হৈছে ।

ৰাজ্যখনত পৰ্য্যটন বিকাশৰ গুৰুত্বলৈ লক্ষ্য ৰাখিয়েই পৰ্য্যটন

Matter Under Rule 301

বিভাগে ২২-৬-৯২ তাৰিখৰ TSM-79/87/18 নম্বৰ বিজ্ঞপ্তি অনুসৰি পৰ্য্যটনক উদ্যোগ হিচাবে ঘোষণা কৰিছে পৰ্য্যটন বিকাশৰ পথ উপযুক্ত কৰাৰ বাবে অসম চৰকাৰে প্ৰকল্প প্ৰতিবেদন, নিৰ্মাণ, উপযুক্ত ব্যক্তিৰ প্ৰশিক্ষণ, বিজুলী যোগান আদিৰ বাবে ৰাজ সাহায্য দিয়াৰ ব্যৱস্থা ৰাখিছে। তদুপৰি প্ৰকল্প ৰূপায়ণৰ বাবে প্ৰিমিয়াম আদায়ৰ বিপৰীতে মাটি আৱণ্টনৰো দিহা কৰা হৈছে। এই আঁচনি অনুসৰি এনে চৰকাৰী সাহায্য প্ৰাপ্তিৰ বাবে যোগ্য প্ৰতিস্থানসমূহো চিনাক্ত কৰা হৈছে।

চলিত বিত্তীয় বছৰৰ পৰা এই আঁচনিখন পৰ্য্যায়ক্ৰমে ৰূপায়ণ কৰাৰ প্ৰক্ৰীয়াত আৰম্ভ কৰা হব।

তদুপৰি Food Caft Institute টো অলপতে কেন্দ্ৰীয় চৰকাৰে Hotel Management Institute লৈ উন্নীত কৰাৰ বাবে অনুমোদন জনাইছে। এই উন্নীত প্ৰতিষ্ঠানটো চলোৱাৰ সকলো খৰছ কেন্দ্ৰীয় চৰকাৰে বহন কৰিব। এই প্ৰতিষ্ঠানত অহা জুলাই মাহৰ পৰা হোটেল মেনেজমেণ্টৰ ডিপ্লোমা ক'ৰ্চ প্ৰশিক্ষণ দিয়া হ'ব। ইয়াৰ ফলত প্ৰশিক্ষণ প্ৰাপ্ত স্থানীয় নিৰন্নুৱা সকলে চাকৰি পোৱাৰ পথ প্ৰশস্ত হ'ব।

★ শ্ৰীইন্দ্ৰ গগৈ (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰীৰ লগত মই এক মত। পৰ্যাটনৰ লগত কেইবাটাও বিভাগ জড়িত হৈ আছে সেই কথা মই স্বীকাৰ কৰো। এই ক্ষেত্ৰত ক্ৰীড়া বিভাগৰো কিছু দায়িত্ব আছে। এই খিনিতে মই কব খুজিছো যে কাজিৰঙাত যিখন হাৰ্ডকোট টেনিচ ফিল্ড আছে সেইখন একেবাৰে উৰলি গৈছে। তাত থকা চুইমিং পুলটো ৭ বজাৰ পৰা ৮ বজালৈ মুকলি কৰি ৰখা হয় যদিও কোনো পৰ্য্যটক তালৈ নেযায়।

★ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো কথা কৈছে টেনিচ ক'ৰ্টৰ বিষয়ে সেইটো সচা। আমাৰ বিদেশী পৰ্য্যটকক আকৰ্ষণ কৰিবৰ কাৰণে যি এক ইনফ্ৰাকচাৰৰ প্ৰয়োজন সেইটো নাই, বিভাগে দিব পৰা নাই। যি ধৰণেৰে আমাৰ ট্ৰাইবেষ্ট স্পটবোৰ আটক ধুনীয়াকৈ

☆ Speech not corrected

সজাই পৰাই আকৰ্ষণীয় কৰি তুলিব লাগে, তুলিব পৰা নাই। অসম চৰকাৰৰ অন্তত যিবোৰ গেষ্ট হাউচ আছে অৱস্থা বৰ বেয়া। কাজিৰঙাত থকাটোৰ অৱস্থা জৰাজীর্ণ। বাথৰুমত পইতাচোৰা ওলায়। সেইবোৰ ঘৰত ভ্রমণকাৰী থাকিব নোখোজে। মাজতে যোৰহাটলৈ এজন বিদেশী পর্য্যটক আহিছিল, মই তেখেতক লৈ গৈছিলো কাজিৰঙালৈ, তেখেত কিন্তু কাজিৰঙাত ৰাতি নেথাকিলে ঘুৰি আহি যোৰহাটতহে থাকিলহি। বিভাগে ডাঙৰ বিল্ডিং সাজিলেই নহয়, সৰু সৰু কটেজো সাজিব লাগে। এটা নিৰিবিলি পৰিবেশ ৰক্ষা কৰাৰ ব্যৱস্থা কৰিব লাগে।

★ শ্রীমুকুট শর্মা (পর্য্যটন মন্ত্রী): অধ্যক্ষ মহোদয়, শ্রীগোস্বামী ডাঙৰীয়াই কাজিৰঙাত যি পইতাচোৰা ওলোৱাৰ কথা কৈছে সেইটো ৰাষ্ট্রপতিৰ শাসন-কালত ওলাইছিল। এতিয়া কাজিৰঙাৰ ঘৰ দুৱাৰৰ অৱস্থা যথেষ্ট উন্নত কৰা হৈছে, আকর্ষণীয়ও কৰা হৈছে। সা-সুবিধাও বঢ়োৱা হৈছে। দ্বিতীয় কথা হৈছে North Eastern Region Restricted Area Permit. আৰ, এ, পি সম্পর্কত যিটো কথা বাতৰি কাকতত ওলাইছে সেইটো অসম চৰকাৰে উঠাই দিব নোৱাৰে। এইটো কেন্দ্রীয় গৃহ মন্ত্রণালয়ৰ কথা। অসম চৰকাৰে এই আৰ, এ, পি উঠাই দিব লাগে বুলি কেন্দ্রীয় চৰকাৰক অনুৰোধ জনাই আহিছে। অলপতে ছিলঙত অনুষ্ঠিত হোৱা উত্তৰ পুব অঞ্চলৰ ৰাজ্য সমূহৰ পর্য্যটন মন্ত্রী সকলৰ বৈঠকতো এই আৰ, এ, পি উঠাই দিয়াৰ কাৰণে কেন্দ্রক অনুৰোধ কৰা হৈছে। বর্তমান ভাৰত চৰকাৰে অসম তথা এই অঞ্চললৈ ৪ জনকৈ টুৰিষ্ট অহাৰ কাৰণে অনুমতি দিছে। তেওঁলোকে মুঠ ১০ দিন অসমত থাকিব পাৰিব আৰু কাজিৰঙা, মানাহ, হাফলং আদি ঠাইলৈ যাব পাৰিব। অসম চৰকাৰে পর্য্যটন দিশত যথেষ্ট উন্নয়ন কৰিছে যদিও সেই অনুপাতে ইয়ালৈ পর্য্যটন অহাটো বৃদ্ধি হোৱা নাই।

★ শ্রীহিতেন্দ্র নাথ গোস্বামী: অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে পর্য্যটনৰ ক্ষেত্রত সা-সুবিধা বৃদ্ধি কৰি যি সন্তোষ প্রকাশ কৰিছে মই কিন্তু ইয়াত

★ Speech not corrected.

দুখহে পাইছো। মই মন্ত্রী মহোদয়ক হিমাচল প্রদেশলৈ গৈ তাত টুৰিষ্টৰ কাৰণে দিয়া সা-সুবিধাবোৰ চাই আহিবলৈ অনুৰোধ কৰিছো। তাত তেওলোকে এই স্পটবোৰ ইমান আকর্ষণীয় কৰি তুলিছে যে তালৈ পর্য্যটক যাবই। থকা মেলাৰ কাৰণেও অতি সুন্দৰ সা-সুবিধা আছে। মন্ত্রী মহোদয়ে কাজিৰঙাৰ ঘৰ ভাল কৰা বুলি কলেও কিন্তু মই তিনিমাহ মানৰ আগতে গৈছিলো তেতিয়াও ঘৰ দুৱাৰৰ অৱস্থা বেয়া দেখিছিলো। বাথৰুমত পানী পাচ নহয়, কোঠাবোৰ যি পৰিমাণে পৰিস্কাৰ হব লাগে নহয়। অন্ততঃ বিভাগে মিনিমাম যিখিনি পাৰে তাকে কৰক। বিদেশী পর্য্যটকে বিচাৰে এটা সুন্দৰ, নিৰিবিলি পৰিবেশ।

★ শ্রীমুকুট শর্মা (পর্য্যটন মন্ত্রী) : অধ্যক্ষ মহোদয়, তেখেতে মোক হিমাচল প্রদেশলৈ যোৱাৰ কথা কৈছে-মই ইতিমধ্যে গৈছো, ভাৰতৰ অন্যান্য ৰাজ্যলৈকো গৈছো। দেখিছো আমাৰ বিভাগৰ কাম কৰি মই সন্তোষ লভা নাই আৰু বহুখিনি কৰিবলৈ আছে। কিন্তু এই বিভাগৰ অনীহাৰ কাৰণে টুৰিষ্ট বন্ধ হোৱা নাই সেই কথাটোহে কবলৈ গৈছো। বিভাগে এই পর্য্যটন উন্নয়নৰ কাৰণে যথেষ্ট কাম কৰি আছে

Consideration And Passing of Government Bills

Mr. Speaker : Now, Item No. 4 (a) Hon'ble Minister of State, WPT. & BC is to move, The Assam backward Classess Commission (Amendment) Bill, 1995.

☆ Shri Gomeswar Pegu (Minister of WPT & BC) : Sir, I beg to move that "The Assam Backward Classess Commission (Amendment) Bill, 1995 be taken in to consideration.

★ শ্রীহিতেন্দ্র নাথ গোস্বামী : অধ্যক্ষ মহোদয়, বাস্তবিক প্রকাশ পাইছে হোজাই মেজিষ্ট্রেটক..... ।

☆ Speech not corrected.

মাননীয় অধ্যক্ষ ঃ আপুনি এই বিষয়ে কব নেলাগে, এতিয়া বিলৰ বিষয়ে আলোচনা হব। এই ঘটনাটো মই জানো, আলোচনা কৰিছো, এতিয়া ঠিক হৈছে।

★ ডঃ জয় নাথ শর্মা ঃ অধ্যক্ষ মহোদয়, এই ঘটনাটো গোটেই ৰাজ্যখনত এক ডাঙৰ প্রতিক্রিয়াৰ সৃষ্টি কৰিব, এইটো আলোচনা হব লাগে।

মাননীয় অধ্যক্ষ ঃ মই কৈছো নহয়, এই বিষয়ে মই নিজে খবৰ লৈছো, এটা মিচ আণ্ডাৰষ্টেণ্ডিং হৈছিল, ভুল বুজাবুজিৰ কাৰণে হৈছিল, এতিয়া সকলো ঠিক হৈ গল।

(মাননীয় অধ্যক্ষই আসন এৰে আৰু মাননীয় উপাধ্যক্ষ মহোদয় আসনত বহে)

শ্রীপ্রমোদ গগৈ ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ যিখন বিল উত্থাপন কৰিছে দি আচাম বেকৱার্ড ক্লাছেচ কমিচন বিল-১৯৯৫ এই বিলখনত আপত্তি কৰিবলগীয়া বিশেষ একো নাই। কাৰণ বিলখনত দুটা কথা বিচৰা হৈছে ১৯৯৩ চনৰ ৫ নবেম্বৰত অসম চৰকাৰে এক অর্ডিনেন্স যোগে এই বিল কৰিছিল। ইয়াত ক্লাচেচ চিনাক্তকৰণৰ ক্ষেত্রত ব্যৱস্থা কৰা হৈছে ইকনমিকেলি আৰু চচিয়েলি বেকৱার্ড লোক। কিন্তু ইতিমধ্যে এই বিষয়লৈ চুপ্রিম কোর্টত কেচ কৰাত চুপ্রিম কোর্টে জাজমেণ্ট দিছে যে চচিয়েলি, ইকনমিকেলি আৰু এডুকেচনেলি বেকৱার্ড ক্লাচ অন্তর্ভুক্ত হব লাগে। কমিচনৰ খৰছৰ এটা অংশ যি সকল লোক বা সংগঠনে কমিচনৰ ওচৰত আবেদন কৰে, তাৰ ওপৰত এটা কৰ লগাই এটা অংশ খৰছ আদায় কৰাৰ কাৰণে ব্যৱস্থা কৰা হৈছে। উপাধ্যক্ষ মহোদয়, সেই কাৰণে মই কৈছো যে এই বিলখনত নীতিগত ভাবে আপত্তি কৰিবলগীয়া কোনো কথা নাই। কিন্তু অসম চৰকাৰে ১৯৯৩ চনৰ ৫ নবেম্বৰ তাৰিখে "দি আচাম বেকৱার্ড ক্লাছেচ কমিচন" গঠন কৰিছে আৰু এতিয়ালৈকে এই আইনৰ যোগে যি সকল পিচপৰা শ্রেণীৰ সম্প্রদায়ে সুবিধা পাব বা যি সকল লোক এই তালিকাত অন্তর্ভুক্ত হব পাৰে সেই সকল লোকৰ তালিকা কমিচনে এই পর্য্যন্ত সম্পূর্ণ কৰিলেনে নাই, সেই কথাটো ইয়াত উল্লেখ কৰা হোৱা নাই।

☆ Speech not corrected

উপাধ্যক্ষ ডাঙৰীয়া, কথা হৈছে, অন্যান্য পিচপৰা সম্প্রদায়ে সংবিধান-মতে যিখিনি সুবিধা পাব লাগে আজি অসম চৰকাৰে তেওঁলোকক দিয়া নাই। শতকৰা ২৭ ভাগ সংৰক্ষণৰ সম্পৰ্কত বেকওৱার্ড ক্লাছেচ কমিচনে যিটো প্রতিবেদন দিছিলে আৰু নেচনেল ফ্রণ্ট গভর্ণমেণ্টৰ দিনত এই প্রতিবেদন ৰূপায়ণৰ বাবে আইন হ'ল প্রস্তাৱ অনা হ'ল আৰু তাৰ সপক্ষে বা বিপক্ষে আন্দোলন হ'ল আৰু অৱশেষত চুপ্রিমকোর্টত কেচটো নিষ্পত্তি হ'ল। চুপ্রিমকোর্টে গোটেইখিনি বিবেচনা চূড়ান্ত ভাৱে ৰায় দিলে যে অন্যান্য পিচপৰা সম্প্রদায়ৰ বাবে ভাৰত চৰকাৰৰ চাকৰিত শতকৰা ২৭ ভাগ সংৰক্ষণ কৰাতো ন্যায়সংগত আৰু ভাৰতবর্ষৰ সকলোবিলাক ৰাজ্যই চুপ্রিম-কোর্টৰ ৰায় হোৱাৰ পিচত তেখেতসকলৰ নিজ নিজ ৰাজ্যত শতকৰা ২৭ ভাগ চাকৰিৰ ক্ষেত্রত, এড্‌মিচনৰ ক্ষেত্রত ইতিমধ্যে সংৰক্ষণ কৰিছে আৰু ভাৰত চৰকাৰে একমাত্র সৈন্য বাহিনীৰ বাদে বাকী সকলোবিলাক বিভাগতে আনকি আই, এ, এচ, আৰু আই, পি, এচ ৰ ক্ষেত্রতো শতকৰা ২৭ ভাগ সংৰক্ষণ কৰিছে আৰু এই সংৰক্ষণ ৰূপায়ণ কৰাৰ বাবে বয়সৰ ক্ষেত্রত যি ৰেহাই আছিল তাক ভাৰত চৰকাৰে ঘোষণা কৰিছে। চুপ্রিম কোর্টে ৰায় দিয়াৰ পিচত একমাত্র অসম প্রদেশেই আছে যি পিচপৰা সম্প্রদায়ৰ বাবে শতকৰা ২৭ ভাগ চাকৰি সংৰক্ষণ কৰা নাই। এই সম্পৰ্কত অসম চৰকাৰৰ এখন চার্কোলাৰ আছে তাত শতকৰা ১৫ ভাগ সংৰক্ষণৰ ব্যৱস্থাৰ কথা কৈছে। জনগাঠনিৰ ফালৰ পৰা যদি চোৱা যায় আৰু অসমত যিখিনি এতিয়া পিচপৰা সম্প্রদায়ৰ তালিকাত আছে তাত অসমৰ শতকৰা ৭৫ ভাগ মানুহেই এই তালিকাৰ ভিতৰত পৰে। অর্থাৎ শতকৰা ৭৫ ভাগ পিচপৰা সম্প্রদায়ৰ অন্তর্ভুক্ত। কিন্তু অসম চৰকাৰে এতিয়ালৈকে অসম চৰকাৰৰ অৱহেলাৰ কাৰণে, অসম চৰকাৰৰ উদ্যোগৰ অভাৱৰ কাৰণে গোটেই ভাৰতবর্ষৰ ভিতৰত একমাত্র আমাৰ অসমতেই শতকৰা ২৭ ভাগ সংৰক্ষণৰ ব্যৱস্থা হোৱা নাই। এইটো দুর্ভাগ্যৰ কথা। আজি চৰকাৰে কৈছে যে এই চৰকাৰে অনুসূচীত জাতিৰ কাৰণে, অনুসূচীত জনজাতিৰ কাৰণে পিচ পৰা সম্প্রদায়ৰ কাৰণে যথেষ্ঠ কাম কৰিছে কিন্তু সংবিধান মতে যিখিনি

সংৰক্ষণ কৰিব লাগে সেইখিনি নকবিলে আৰু অসম চৰকাৰে কৰাৰ বাবে কোনো আইন প্ৰনয়ণ কৰাৰো ব্যৱস্থা কৰা নাই। আমি দেখিবলৈ পাইছো যে আমাৰ অসমত শতকৰা ২৭ ভাগ সংৰক্ষণ কৰাৰ ক্ষেত্ৰত কোনো অসুবিধা নাই। চুপ্ৰিম কোৰ্টে এই সম্পৰ্কত যথেষ্ট যুক্তি দিছে। চুপ্ৰিম কোৰ্টে এটা কথা কৈছে যে, সংৰক্ষণ শতকৰা ৫০ ভাগৰ বেছি যাতে নহয়। কিন্তু তাৰ লগতে চুপ্ৰিম কোৰ্টে এইটোও ৰায় দিছে যে যিবিলাক ৰাজ্যত আগৰ পৰা শতকৰা ৫০ ভাগৰ বেছি সংৰক্ষণ আছে সেইবিলাকৰ ক্ষেত্ৰত কোনো বাধা নিষেধ নাই। উপাধ্যক্ষ মহোদয়, চুপ্ৰিম কোৰ্টৰ ৰায় হোৱাৰ পিচত দুখন ৰাজ্যত সংৰক্ষণ ব্যৱস্থা শতকৰা ৮০ ভাগ কৰা হৈছে। সেই ৰাজ্য দুখন হৈছে তামিলনাড়ু আৰু কৰ্ণাটক। সেই সংৰক্ষণ ব্যৱস্থাত ইতিমধ্যে ভাৰত চৰকাৰে অনুমোদন জনাইছে। আমি দেখিছো ভাৰতৰ বিভিন্ন ৰাজ্যৰ চৰকাৰ বিলাকে তেওঁলোকৰ নিজ নিজ ৰাজ্যৰ অৱস্থা বিবেচনা কৰি কোনো ৰাজ্যত শতকৰা ৫০ ভাগৰ বেছি সংৰক্ষণৰ ব্যৱস্থা কৰিছে আৰু এই কথাটো আমাৰ অসমৰ ক্ষেত্ৰতো বিবেচনা কৰা উচিত। আৰু এটা কথা ভাৰত চৰকাৰে যি শতকৰা ২৭ ভাগ সংৰক্ষণৰ বাবে এটা অৰ্থনৈতিক চৰ্ত্ত আৰোপ কৰিছে আৰু সেই অৰ্থনৈতিক চৰ্ত্তমতে যিসকলৰ উপাৰ্জন, এতিয়া সীমা বান্ধি দিছে, বছৰি উপাৰ্জন মাটি সম্পত্তিৰে সৈতে এক লাখ টকা বা তাৰ বেছি আৰু চাকৰিৰ ক্ষেত্ৰত, ক্লাচ II, ক্লাচ I ক্ষেত্ৰত কিবা এটা আছিল, এই সম্পৰ্কত এখন ন'টিফিকেচন আছিল মই ভালকৈ নাজানো আমাৰ মন্ত্ৰী মহোদয়ে জানিব, উপাধ্যক্ষ মহোদয়, সেই ইকন'মিক ফেক্টৰ এচ, চি আৰু এচ, টিৰ ক্ষেত্ৰত নাই। এচ, চি; এচ, টিএ অৰ্থনৈতিক অৱস্থা নিৰ্বিশেষে সকলোৱে এই সংৰক্ষণৰ সুবিধা পায়। এই সম্পৰ্কত বহুতবোৰ আলোচনা কৰিছে, আৰু আমাৰ দলৰ মত হৈছে, পিচপৰা সম্প্ৰদায়ৰ ক্ষেত্ৰত ১০ বছৰৰ ইকন'মিক্ ক্ৰাইটেৰীয়া থাকিব নালাগে। অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ ক্ষেত্ৰত যিখিনি সা-সুবিধা আছে, সেইখিনি পিচপৰা সম্প্ৰদায়ৰ ক্ষেত্ৰতো চৰকাৰে আগবঢ়াব লাগে। ১০ বছৰৰ ইকন'মিক কাইট্ৰেৰীয়া পিচপৰা সম্প্ৰদায়ৰ ক্ষেত্ৰত প্ৰজোজ্য কৰা লৈ পৰ্যালোচনা কৰিব পাৰি।

এইটো চৰকাৰে এটা কমিচন কৰি পুনৰ পর্য্যালোচনা কৰিব পাৰে। উপাধ্যক্ষ মহোদয়, মই অসম চৰকাৰক এই কাৰণে দোষাৰোপ কৰিব বিচাৰিছো যে চুপ্ৰিম কোৰ্টে শতকৰা ২৭ ভাগ সংৰক্ষণৰ ৰায় দিয়াৰ পিচতো অসম চৰকাৰে সংৰক্ষণ নকৰাৰ ফলত কি অসুবিধা হৈছে। আমাৰ মেডিকেল কলেজ, ইঞ্জিনিয়াৰিং কলেজত নাম ভর্ত্তিৰ ক্ষেত্ৰত পিচপৰা সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীসকল বঞ্চিত হবলগীয়া হৈছে। এইটো নকৰাৰ ফলত এ, চি, এচৰ বিজাল্টত পিচপৰা সম্প্ৰদায়ে যি সংৰক্ষণ পাব লাগিছিল নাপালে। অসম চৰকাৰৰ অনীহাৰ ফলত পিচপৰা সম্প্ৰদায়ৰ লোকসকল, প্ৰশিক্ষার্থীসকল বঞ্চিত হৈছে আৰু তাৰ কাৰণে সম্পূর্ণ দায়িত্ব অসম চৰকাৰে বহন কৰিব লাগিব। সেই কাৰণে এই বিলখনৰ গুৰুত্বপূর্ণ কথাখিনি আপত্তি কৰিব-লগীয়া নাই। এটা কথা মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, অসম চৰকাৰে কিয় এতিয়ালৈকে চুপ্ৰিম কোৰ্টৰ ৰায় হোৱাৰ পিচত শতকৰা ২৭ ভাগ চাকৰি বা এডমিচনৰ ক্ষেত্ৰত সংৰক্ষণ কৰা নাই আৰু চৰকাৰে কেতিয়া এই সংৰক্ষণৰ ঘোষণা কৰিব। মই জনাত অসম বিধান সভাৰ অ, বি, চি আৰু এম, অ, বি, চিৰ যি কমিটি আছে, সেই কমিটিয়ে এখন প্ৰতিবেদন দিছে আৰু চৰকাৰলৈও পঠোৱা হৈছে। উপাধ্যক্ষ মহোদয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো এইটো সোনকালে কৰক। তেখেতে কৈছে যে চেষ্টা কৰা হৈছে।

শ্ৰীপ্ৰমোদ গগৈ : মাননীয় উপাধ্যক্ষ মহোদয়, চৰকাৰে এইটো ১৯৯৪ চনত সম্পূর্ণ কৰিব নোৱাৰিলে। এতিয়া যাতে ১৯৯৫ চনত সম্পূর্ণ কৰিব পাৰে তাৰ কাৰণে ব্যৱস্থা লোৱা উচিত। অৱশ্যে ১৯৯৫ মানে মই গোটেই ৯৫ চনটোৰ কথা কোৱা নাই। কাৰণ বর্ত্তমান বিধান সভাৰ ম্যাদ '৯৫ চন শেষ কৰিব পাৰে নে নোৱাৰে ঠিক নাই। ৰাজনৈতিক পৰিস্থিতি যি পৰিবর্ত্তন হৈ আছে। সেই কাৰণে মই ভাবো চৰকাৰে অবিলম্বে এই ক্ষেত্ৰত অৰডিনেন্স কৰি হলেও এই ব্যৱস্থা লব লাগে। চৰকাৰে অৰডিনেন্স আনিলে আমাৰ আপত্তি কৰিব লগা একো নাই বা ইয়াৰ কাৰণে যদি বিধান সভাৰ বিশেষ অধিবেশনো আহ্বান কৰিবলগা হয় তাতো আমাৰ

আপত্তি নাই। উপাধ্যক্ষ মহোদয়, এই ক্ষেত্রত এটা কথা মই উল্লেখ কৰিব খোজো যে আমাৰ অসমত যিবিলাক মানুহ পিছপৰা সম্প্রদায়ৰ তালিকাভূক্ত হৈ আছে সঁচাকৈয়ে সেই মানুহ বিলাকৰ আর্থিক অৱস্থা বৰ বেয়া। কিছুমানৰ আর্থিক অৱস্থা তুলনামূলক ভাৱে ভাল হব পাৰে। সেই কাৰণে আমি আগতে কৈছো চুপ্রিম কোর্টে দিয়া ৰায় আমাৰ ইয়াত প্রৱর্ত্তন কৰিব লাগে বা ভাৰতবর্ষৰ বাকী চৰকাৰবিলাকে যেতিয়া এই ৰায় গ্রহণ কৰিছে সেইটো আমাৰ ইয়াতো নিতান্তই গ্রহণ কৰা উচিত। উপাধ্যক্ষ মহোদয়, আপোনালোকে জানে যে আমাৰ ইয়াৰ আর্থিক ভাৱে সম্প্রদায়ৰ লোকসকলৰ **অনেকেই** সৰু-সুৰা কাম যেনে ৰিক্সা চলোৱা, ঠেলা চলোৱা আদি কাম কৰিবলগীয়া হয়। আজি সেই সকল লোকে বিধান সভাৰ সম্মুখত ধর্ণা দিবলগীয়া হৈছে। গতিকে এই লোকসকলৰ অর্থনৈতিক দাবী যাতে মীমাংসাৰ সুবিধা দিয়া হয় সেই কথা চৰকাৰৰ দৃষ্টিগোচৰ কৰি মোৰ কবলগীয়া শেষ কৰিছো।

Mr. Deputy Speaker : Now, Shri Hitendra Nath Goswami.

★ শ্রীহিতেন্দ্র নাথ গোস্বামী : মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনত যি আচাম বেকৱার্ড ক্লাছেচ কমিছন (এমেণ্ডমেণ্ট) বিল আনিছে সেই সম্পর্কে মই কেইটামান কথা মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো। তেখেতে নিশ্চয় উত্তৰ দিব। ১৯৯৩ চনত আসাম বেকৱার্ড ক্লাছেচ কমিছনৰ সংশোধনী আনিছিল তাত এটা কথা স্পষ্ট কৰি কোৱা আছিল। সেই সময়তে আমাৰ কথাত কোনো গুৰুত্ব দিয়া নহ'ল। ১৯৯৩ চনৰ অৰিজিনেল আসাম বেকৱার্ড ক্লাছেচ কমিছনৰ ষ্টেটমেণ্টত এটা কথা কোৱা হৈছে Statement of object and reasons. The Supreme Court of India in its Judgement delivered on 16th Nov. 1992 in the matters relating to reservation in civil posts and services under the Government in favour of socially and

★ Speech not corrected.

educationally. Backward classes an other Economically Backward sections of the people— তাত কৈছিল চোচিয়েলি আৰু এডুকেচনেলি পিছপৰা সকলৰ সংৰক্ষণৰ কাৰণে এখন কমিছন গঠন কৰিব লাগে। বেকৱার্ড ক্লাছেচ কমিছন কৰিব লাগে-চৰকাৰে সেই কথা কৈ এই বিল ১৯৯৩ চনত দিছিল। প্রিএম্বুলত চুপ্রিম কোর্টে কৈছে কিন্তু এই বিলত প্রিএম্বুলৰ পৰা ড্রপ দিছিল। ইয়াত বনাইছিল where as it is expedient to provide for the constitution of a commission for Backward Classess other then the Scheduled Castes and Scheduled Tribes to stream line and rationalise the Procedure for inclusion or over inclusion of any classess of citizens in the list of Backward Classess including More Other Backward Classess to provide reservation of vacancies in services and posts for the members of Socially and Economically Backward Sections of the Socity. চুপ্রিম কোর্টে কৈছিল চোছিয়েল আৰু এডুকেছনেলি থাকিব লাগে। ইকোনোমিকেলি পিছপৰা কথা কৈছিল। চুপ্রিম কোর্টৰ জাজমেণ্টত এই বিষয়ত কৈছিল। মই আজি উলিয়াব নোৱাৰিলো। মন্ত্রীয়ে এই বিল আনোতে জাজমেণ্টৰ কপি দিব লাগে। ১৯৯৩ চনত বোধকৰো সেইটো ব্লক কৰিছে। আমি সোঁৱৰাই দিছিলো। তেতিয়া আমাৰ কথাত গুৰুত্ব নিদিয়া বাবে আজি নতুনকৈ বিল আনিব লগা হৈছে। আমি ১৯৯৩ চনত এইখন আইন কৰি দিছো চুপ্রিম কোর্টৰ জাজমেণ্টত ৪ মাহৰ ভিতৰতে কমিছন গঠন কৰিব লাগে বুলি কোৱা হৈছিল। কিন্তু আমাৰ ইয়াত দুবছৰত এই কমিছন গঠন কৰা হ'ল নে নাই আমি নাজানো। ১৯৯৩ চনত আমি যেতিয়া এইখন আইন কৰিছিলো তেতিয়াই এই কথাটো সোমাৰ লাগিছিল। এতিয়া আমাৰ ইয়াত কমিছন গঠন কৰা হৈছে নে নাই মই নাজানো।

Consideration And Passing of Government Bills

★ শ্রীগোমেশ্বৰ পেগু (মন্ত্রী) : উপাধ্যক্ষ মহোদয়, গঠন কৰা হৈছে ।

★ শ্রীহিতেন্দ্র নাথ গোস্বামী : যদি হৈছে ইয়াৰ কাম-কাজ হব লাগে । বেলেগে ইয়াত এটা ক্লজৰ প্রয়োজন আছে। টকা-পইচাৰ যিবিলাকৰ প্রয়োজন হয় সেইবিলাক যাতে দিপ্রাইভ হব নালাগে তাৰ কাৰণে বেক-ৱার্ড ক্লাছেচ কমিছনত সুবিধা থাকিব লাগে । কাৰণ চৰকাৰৰ ওচৰত আবেদন নিবেদন কৰোতে বহুত অসুবিধাত পৰিব লগীয়া হয় । সেই কাৰণে বোধকৰো চুপ্রিম কোর্টে কমিছন গঠন কৰাৰ দায়িত্ব দিছে । টকা পইচাৰ খৰচ বহন কৰিব লাগিব তেওঁলোকেই । উপাধ্যক্ষ মহোদয়, আমাৰ অসমৰ কেইটামান কমিউনিটিয়ে বর্ত্তমান এচ, টিৰ তালিকাভূক্ত হবলৈ এপ্লাই কৰিছে । এই কমিউনিটি কেইটা ইতিমধ্যে ও, বি, চিৰ তালিকাত অন্তর্ভূক্ত হৈ আছে । তেওঁলোকে এচ, টিৰ ৰিজার্ভৰ কাৰণে জোৰদাৰ দাবী তুলিছে । তৎপতে কেন্দ্রীয় কল্যাণ দপ্তৰৰ মন্ত্রী শ্রীসীতা নাথ কেশৰীয়ে কৈছে যে এচ, টি কেইটামান কমিউনিটি ও, বি, চিত সোমাই আছে । আমাৰ ইয়াত মৰাণ, মটক, কোচ ৰাজবংশী, আহোম আদি ইতিমধ্যে ও, বি, চিত সোমাই আছে । কোনো সংগঠনে এতিয়া ও, বি, চিত সোমাবলৈ ইচ্ছা নকৰে । বর্ত্তমান আমাৰ ইয়াত যি কমিছন গঠন কৰা হৈছে সেইবিলাক কাম-কাজ কেনে দৰে চলিছে, কমিছনে এপ্লিকেছন কিমান পাইছে, কমিছনৰ কাম কেনে ধৰণে আগবাঢ়িছে মন্ত্রীয়ে নিশ্চয় আমাক জনাব । এই বিষয়ে মোৰ ভাষণ বৰ বেছি দিঘলীয়া কৰিবলৈ নাযাওঁ । শ্রীগগৈ ডাঙৰীয়াই কেইবাটাও কথা উল্লেখ কৰিছেই । ভাৰতবর্ষৰ বিভিন্ন অঞ্চলৰ পৰা এতিয়া বহুত দাবী আদি আছে । ভাৰতবর্ষৰ সংবিধান ৰচয়িতা সকলে পোন প্রথমে পিছপৰা সম্প্রদায়ক আগবঢ়াই নিয়াৰ কাৰণে এচ, চি; এচ, টিৰ কাৰণে ১০ বছৰলৈ সংৰক্ষণৰ ব্যৱস্থা ৰাখিছিল । কিন্তু লোকসভাই প্রতি ১০ বছৰৰ মুৰে মুৰে এইটোৰ সীমা ১০ বছৰ ১০ বছৰকৈ বঢ়াই গৈ আছে । যাৰ ফলত এতিয়াও এই সীমা শেষ হোৱা নাই । আৰু এইটো কেতিয়া শেষ হব তাৰো ঠিক নাই । সংৰক্ষণ লাগে-পিছপৰা সম্প্রদায়ৰ কাৰণে, এডুকেচনেলিয়ে হওঁক বা আর্থিক

☆ Speech not corrected.

ভাৱেই পিছপৰা হওঁক। কিন্তু আমাৱদেশ শাসন কৰোতাসকলে আজিও পিছপৰা সম্প্ৰদায়ক আগুৱাই আনিব নোৱাৰিলে। যাৰ ফলত সংৰক্ষণৰ সীমা বঢ়াই থাকিব লগা হৈছে। ৰাজনৈতিক উদ্দেশ্য লৈ দেশ শাসন কৰা ৰাবে আজি এই ক্ষেত্ৰত পিছপৰা সম্প্ৰদায়ক সহায় কৰিবলৈ সক্ষম হোৱা নাই। এচ, চি, / এচ, টিৰ সংৰক্ষণৰ ক্ষেত্ৰত চুপ্ৰিম কোৰ্টৰ স্পষ্ট গাইদ লাইন আছে সেইটো কাৰ্য্যকৰী হোৱাটো আমি বিচাৰো। পিছপৰা সম্প্ৰদায়ৰ ৰাবে যি সংৰক্ষণ ব্যৱস্থা আছে সেই সুবিধা লাভ কৰিব নোৱাৰিলে কমিছন গঠন কৰিও বিশেষ লাভ নহব।

★ শ্ৰীমিচন ৰঞ্জন দাস : উপাধ্যক্ষ মহোদয়, ১৯৯৩ চনত আসাম বেকওৱাৰ্ড ক্লাছ কমিটিৰ বিল এই বিধান সভাতে পাচ হৈছিল আৰু আমাৰ মাননীয় ৰাজ্যপাল মহোদয়ে ১৯৯৩ চনৰ ৪ নবেম্বৰত এই বিলখন এচেণ্ট দিছিল। উপাধ্যক্ষ মহোদয়, এই এমেণ্ডমেণ্ট বিল যিধৰণে পাচ কৰিছিল তাত দুটা শব্দ ব্যৱহাৰ কৰিছিল। চচিয়েলি এণ্ড ইকনমিকেলি বেকওৱাৰ্ড অৱ আসাম। তাৰ বিপৰীতে ইকনমিকেলি শব্দটো বাদ দিয়া হৈছে। "In Clause 2 the word in favour of any Socially and Educationally Backward Classess of citizens in lines 5th and 6th shall be substituted by the words in favour of any Socially, Economically and Educationally Backward Classess of citizens." আমাৰ আজি ইকনমিকেলি শব্দটোৰ ওপৰত আজি জোৰ দিয়া হৈছে যিটো ইকনমিকেলি শব্দটো লৈ আলোচনা হৈছে। আমি দেখিছো যে এচ, চি, আৰু এচ, টি কমিনিউটি সকলে বোচ সুবিধা লৈ আছে। ইয়াৰ যিটো ব্যৱস্থা সেইটো ভালদৰে ৰূপায়িত হোৱা নাই। কাৰণ অৰ্থনীতি নাথাকিলে এডুকেশ্যন লব নোৱাৰে, চচিয়েলি ষ্টেটাচটো উন্নত হব নোৱাৰে। সেই কাৰণে বাস্তৱ অভিজ্ঞতাৰ পৰা দেখিছো ইকনমিক শব্দটো খুবেই আৱশ্যক। প্ৰকৃতপক্ষে ৰিজাৰভেচন ৫০ পাৰছেণ্ট হব লাগে। ২২ পাৰচেণ্ট, ২৭ পাৰচেণ্ট ৰিজাৰভেচন অ, বি, চি আৰু এম, অ, বি, চিত দিছে।

★ Speech not corrected.

এইটো অসম চৰকাৰে পুৰণ কৰা নাই। অসম চৰকাৰৰ এখন চার্কোলাৰ আছে তাত দেখিছো যে এম, অ, বি, চি,ৰ কাৰণে ১৫ পাৰচেণ্ট সংৰক্ষণ আছে কিন্তু বাইনদিং নহয়। এচেম্বলি কমিটিত সেইটো আমি ধৰিছিলো মিউজিক শিক্ষক আৰু চাবজেক্ট টিচাৰৰ কাৰণে ১৫ পাৰচেণ্ট এম, অ. বি, চি,ৰ কাৰণে সংৰক্ষণ ৰখা হব বুলি এডভাৰটাইজমেণ্ট দেখিছিলো। বাস্তৱিকতে ২৭ পাৰচেণ্ট হব লাগে। তাৰ পিচত আমি দেখিছিলো যে অসম চৰকাৰৰ অ, বি, চি কমিচন শক্তিশালী নোহোৱাৰ কাৰণে আৰু অসম চৰকাৰে চাৰচিডি নিদিয়াৰ কাৰণে অ, বি, চি,ৰ ঋণৰ ক্ষেত্ৰত বেঙ্কৰ পৰা ঋণ নেপায়। ডিষ্ট্ৰিকটো ঋণ লোৱাৰ সম্ভৱ নহয়। গতিকে এইবিলাক শক্তিশালী কৰিব লাগে আৰু ৰিজাৰভেচন ২৭ পাৰচেণ্ট হব লাগে। মই এমেনমেণ্টৰ ওপৰত এইখিনি কথা কৈয়েই সামৰণি মাৰিলো।

★ শ্ৰীকোষেশ্বৰ বৰুৱা : মাননীয় উপাধ্যক্ষ মহোদয়, যিখন এমেণ্ডমেণ্ট বিল আজি আনিছে ইয়াৰ ওপৰত মই বেচি নকওঁ কিয়নো ইতিমধ্যে কেইবাজনো মাননীয় সদসাই এই বিষয়ে কৈছে। ভাৰতবৰ্ষৰ ভিতৰত অসমত অ, বি, চি আৰু এম, অ, বি, চিৰ কাৰণে যিখিনি কৰণীয় সেইখিনি কৰিবলৈ বহুত বাকী আছে বুলি ভাৱো। অসমৰ জনসংখ্যা গঠনিলৈ লক্ষ্য কৰিলে দেখা যায় যে আজি অ, বি, চি আৰু এম, অ, বি, চিৰ সংখ্যা বেছি। আজি আমি এটা কথালৈ লক্ষ্য কৰিছো যে অসমৰ সেই জনগোষ্ঠী লোকসবল এতিয়া জনজাতীয় বিশেষকৈ ভৈয়ামৰ জনজাতীয়ত তালিকাভুক্ত হবলৈ লৈছে। নিজৰ অনুপাতে যদি তেওঁলোকক সাংবিধানিক সা-সুবিধা দিয়া হলে আজি এইটো অৱস্থা নহয়। আজি এই পবিত্ৰ সদনতে ইয়াক নিবাৰণ নকৰিলে ভাল নহব বুলিয়েই এই কথাটো উলিয়াইছো। আইনৰ কথা নকৰেই চুপ্ৰিম কোৰ্টে ৰায় দিছে ২৭ পাৰচেণ্ট ৰিজাৰভেচন সম্পূৰ্ণ কৰিব লাগে। আজি জনজাতি আৰু অনুসূচীত সম্প্ৰদায় কাৰণে সুকীয়া সুকীয়া বিভাগ খুলিব লাগে। চেক্ৰেটৰীয়েট কৰিছে, ডিৰেক্টৰেট কৰিছে ঠিক তেনেকৈ অ, বি, চিৰ কাৰণেও অসম চৰকাৰে কৰিব লাগে। শিক্ষা বিষয়ত ৭ টা জাতিক

★ Speech not corrected.

সা-সুবিধা দিবৰ কাৰণে আমাৰ আগৰ মুখ্যমন্ত্রী মহেন্দ্র মোহন চৌধুৰীয়ে কৰি থৈ গৈছিল। কিন্তু কার্য্যত সেইটো প্রতিফলিত হোৱা নাই। চাউদাং, চুতীয়া, ৰাজবংশী, মৰাণ, মটক আদিৰ বাবে ২৭ পাৰচেণ্ট সংৰক্ষণ নকৰাটো বেয়া হব। শিক্ষা বিষয়ত মেডিকেল কলেজ, ইঞ্জিনিয়াৰিং কলেজ আৰু অন্যান্য শিক্ষানুষ্ঠানত ৰিজাৰভেচন কৰাৰ কথা আছিল কিন্তু আজি এইটো প্রতিফলিত হোৱা নাই। গতিকে এই ৭ টা জনগোষ্ঠীয়ে যাতে ভাল পাই সেইটো কৰিবৰ কাৰণে আপোনাৰ জৰিয়তে মন্ত্রী মহোদয়ক অনুৰোধ কৰিলো। ২৭ পাৰচেণ্টটো সোনকালে নকৰিলে একেবাৰে বেয়া হব। আমাৰ ইয়াত ৫০ পাৰচেণ্ট একচিড কৰা নাই। আজি টি গার্ডেন বিলাকো এম, অ, বি, চি কৰা হৈছে। তেওঁলোকৰ ল'ৰা-ছোৱালীয়েও শিক্ষা গ্রহণ কৰিছে। আজি এম, অ, বি, চি বিলাকে শিক্ষা পালে বেচি সুবিধা পাব। সেই কাৰণে তেওঁলোকৰ সুযোগ সুবিধা কার্য্যত সম্পূর্ণ পৰিণত হৈছেনে নাই সেইটো চাব লাগে। এইখিনি কথা মই আপোনাৰ জৰিয়তে মন্ত্রী মহোদয়ক অনুৰোধ কৰিলো।

মাননীয় উপাধ্যক্ষ মহোদয় আমি এটা কথা বাবে বাৰে কৈছো, বিহাৰ, উত্তৰ প্রদেশ আদি ৰাজ্য বিলাকত এই অ, বি, চি কথাটোয়ে যথেষ্ট পৰিবর্ত্তন আনিছে। অসমত এইটোৰ এতিয়া প্রয়োজন হৈ পৰিছে আমাৰ চৰকাৰে যাতে এইটো শতকৰা ২৭ ভাগ কৰে আৰু এইটো সুকীয়া ভাৱে লোৱাৰ দিহা কৰিব তেতিয়া সকলো জাতি আৰু জনগোষ্ঠীৰে সুবিধা হব। ১৯৭৩ চনত 'টাচাচাহেব টেলেলকাৰ' কমিটি গঠন কৰি দিছিল। তাৰ পৰা কি কাম হল, আমাৰ কাম হোৱা নাই। তাৰ পিছত 'চূৰণ খান' কমিটি হৈছিল। বিভিন্ন জনগোষ্ঠীৰ উপকাৰ হবৰ কাৰণে এই কমিশ্যনবিলাক দিছে। এই কমিশ্যন বিলাকৰ জৰিয়তে সংবিধানীক সুৰক্ষা দিয়াৰ লগতে সকলো জনগোষ্ঠীয়ে সা-সুবিধা পাই তাৰ প্রতি অনুৰোধ জনাই মোৰ বক্তৃতাৰ সামৰণী মাৰিলো।

Mr. Deputy Speaker : Now, Dewan Joynal Abedin.

★ শ্রীদেৱান জয়নাল আবেদিন : মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৯৩-৯৪ চনত

★ Speech not corrected.

Assam Backward Classes Commission ৰ ব্যৱস্থা কৰিছিল। দেখা গৈছে 'চুপ্ৰিম কোৰ্ট অৱ ইণ্ডিয়া' ই এটা কেচ নিৰ্দ্ধাৰণ কৰিছে। সংবিধানৰ ১৬ (৪), ১৫ (৪) 'গভৰ্ণমেণ্ট অৱ ইণ্ডিয়াই ৰায় দিছে। চচিয়েল এণ্ড ইকন'মিকেল এই ক্ষেত্ৰত ইকন'মিকেল কথাটো বাদ দি চচিয়েল এণ্ড এডুকেশ্বন এই কথাটো ৰখা হৈছে। এতিয়া এইখিনি কৰোতে চুপ্ৰিম কোৰ্ট জড়িত আছে যেতিয়া এই ক্ষেত্ৰত আমাৰ কৰিবলগীয়া একো নাই। ইয়াত এটা কথা কব বিচাৰিছো চুপ্ৰিম কোৰ্টৰ ৰায় মানি লব লাগে। কিন্তু দেখিবলৈ পাইছো যে ৰিজাৰভেশ্যন বা এটি ৰিজাৰভেশ্যণে ভয়াবহ ৰূপ লৈছে। এতিয়া দেখিছো 'কন্‌চটিটিউশ্যন অৱ ইণ্ডিয়া' চুপ্ৰিম কোৰ্ট ৰায় দিছে। মই আজি এটা পৰামৰ্শ আপোনালোকৰ জড়িয়তে কেন্দ্ৰীয় চৰকাৰলৈ আগবঢ়াব খুজিছো-এই ইকন'মিকেলি বেকওৱাৰ্ডটো সংবিধান সংশোধনিত নহব পাৰে সেয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ ৰাখি সংবিধান সংশোধনী ব্যৱস্থা লোৱাৰ বাবে মাননীয় মন্ত্ৰীক অনুৰোধ জনালো। যাতে চচিয়েলি আৰু এডুকেশ্যনেলি বেকওৱাৰ্ডৰ লগতে ইকন'মিকেলি বেকৱাৰ্ডসকলৰো সুবিধা দিব লাগে। গতিকে এই 'এমেণ্ডমেণ্ট'টো আহিছে। মই আচৰিত হৈছো যে ১০ বছৰৰ মূৰে মূৰে ৰিজাৰভেশ্যন বঢ়াই গৈ থাকে কিন্তু অৰ্থনৈতিক উন্নয়নৰ বিশেষ ভাৱে একো কৰিব পৰা নাই। আমাৰ কৰিবলগীয়া একো নাই। মাত্ৰ পৰামৰ্শ দিছো ইকন'মিকেলি বেকওৱাৰ্ড'ৰ ব্যৱস্থা ৰাখিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, আৰু এটা কথা আহিছে সেইটো হৈছে 'প্ৰছেচ ফি'। এই 'প্ৰছেচ ফি'ৰ কথাটো জনসাধৰণে নাজানে যে দৰ্খাষ্ট কৰিবৰ সময়ত সেইটো দিব লাগে। চৰকাৰে এইটো দিয়াৰ কাৰণে এটা নতুন বোজা-জাপি দিয়াৰ দৰে হৈছে। এইটোৰ বিৰুদ্ধে মই বিৰোধিতা কৰি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

(Mr. Speaker entered the House and took Chair at 11.37 A.M.)

Mr. Speaker : Minister to reply.

★ শ্ৰীগোমেশ্বৰ পেগু (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয়

☆ Speech not corrected.

সদস্য পূজ্য গগৈ দেৱে দিয়া পৰামর্শ দিয়াৰ লগতে আলোচনা কৰি এই সম্পর্কে তেখেতে কৈছে– সেই সম্পর্কত অলপ অসুবিধা আছে, কিছুমানে কয়, বেকৱৰ্ড ক্লাচৰ বহুবিলাক মানুহে ইয়াত কমপ্লেন কৰিব। এইটোত এটা 'নমিনেল–প্রাইচ' লগাইছে, ও, বি, চি নহলেও দৰ্খাস্ত দিব পাৰে। নিয়োগৰ ক্ষেত্রত 'প্রছেচ' কৰি থকা হৈছে। শতকৰা ২১ ভাগ দিয়াৰ কথা গগৈদেৱে কৈছে, ইতিমধ্যে শতকৰা ১৫ ভাগ কৰা আছে। এই বিষয়ে কমিশ্যনৰ লগত আলোচনা কৰা হব। ইয়াত অ, চি, এচ ৰ কথাটো কৈছে, তাত তেনে কোনো কথা নাই সেইটো এটা 'কমপিটিটিভ এক্জামিনেশ্যন' আছে তাত হাত দিব নোৱাৰো। তেখেতে এইটো ১৯৯৫ চনৰ ভিতৰতে কৰিবৰ কাৰণে চেষ্টা কৰাৰ কথা কৈছে, সেই বিষয়ে আমি ১ মাহৰ ভিতৰতে অৱগত কৰিম।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীগোস্বামী ডাঙৰীয়াই বেকৱার্ড কমিচন কৰা কথা কৈছে। এই ক্ষেত্রত মই কব খুজিছে যে আমি ইতিমধ্যে ১-৪-৯৪ তাৰিখৰ পৰা জাষ্টিচ শইকীয়া; এচ, হক; এন, এন, বৰুৱা আদিক লৈ এখন বেকৱার্ড কমিচন গঠন কৰিছো আৰু এই কমিচনে ও, বি, চি,/এম, ও, বি, চি, সকলৰ সকলোবিলাক কথা চোৱা চিতা কৰিব আৰু তেওঁলোকৰ বিষয়ে আজি সদনত যিবোৰ বিষয় উৎথাপিত হৈছে সেইবোৰ চালি জাৰি চাই সোনকালে নিস্পত্তি কৰাৰ কাৰণে নির্দ্দেশ দিম। শ্রীমিচন বঞ্জন দাস ডাঙৰীয়াই চচিয়েল; ইকন'মিকেলি বেকৱার্ড সকলৰ কথা উল্লেখ কৰিছে। এই ক্ষেত্রত ন্যায়ালয়ৰ বিচাৰপতিয়ে যিটো ৰায় দিছে সেইটো আমি সলনি কৰিব নোৱাৰিম। গতিকে এই ক্ষেত্রত ভবিষ্যতে কিবা কৰিব পাৰি নেকি সেইটো আমি আলোচনা কৰি বিবেচনা কৰিম। আজি ও, বি, চি/ এম, ও, বি, চি, সকলৰ কাৰণে এটা চেপাৰেট ডিৰেক্টৰেট আছে। এইবাৰ তেওঁলোকক আমি যথেষ্ট টকা দিছো। গতিকে ও, বি, চিৰ লোক সকলে পাব লগীয়া সুবিধা খিনি দিয়াৰ কাৰণে আমি আপ্রান চেষ্টা কৰিম। এই লোক সকলক চাকৰি বাকৰি দিয়াৰ ক্ষেত্রত তেওঁলোকে পাবলগীয়া কোটাটো আমি এড্ভাৰটাইজত উল্লেখ কৰি দিম। গতিকে চৰকাৰে এই

লোক সকলক কোনো সুবিধা দিয়া নাই বুলি কোনেও কব নোৱাৰে। তাৰ লগে লগে চাহ বাগানৰ ল'ৰা ছোৱালী সকলৰ কথাও এজন মাননীয় সদস্যই উল্লেখ কৰিছে। তেওঁলোকক আমি সকলোবোৰ সুবিধা দি আছো। মাননীয় সদস্য শ্রীজয়নাল আবেদিন চাহাবেও চছিয়েলি, ইকন'মিকেলি বেকৱার্ড লোক সকলৰ কথা উল্লেখ কৰিছে। এই ক্ষেত্রত সংবিধান সংশোধন নোহোৱালৈকে একো কৰিব নোৱাৰিম। গভিকে মই মাননীয় সদস্য সকলক অনুৰোধ কৰিব খুজিছো যাতে এই বিল খন গ্রহণ কৰে।

★ শ্রীপ্রমোদ গগৈ : অধ্যক্ষ ডাঙৰীয়া, মাননীয় মন্ত্রী মহোদয়ে ২৭ ভাগ সংৰক্ষণ কৰা কথাটো কমিচনৰ লগত আলোচনা কৰিব বুলি কৈছে। কিন্তু কমিচনৰ লগত আৰু আলোচনা কৰিব লগীয়া নাই। তেওঁলোকে তালিকা-খন ঠিক কৰি দিছে। চাকৰি সংৰক্ষণৰ ক্ষেত্রত শতকৰা ২৭ ভাগ কৰাতো চৰকাৰেহে কৰিব লাগিব। কমিচনৰ লগত কোনো কথা নাই আৰু আইনগত কথাও নাই। আমি জনাত ভাৰত চৰকাৰেই এই ক্ষেত্রত ২৭ পাৰচেণ্ট ৰিজার্ভেচনৰ নির্দ্দেশ দিছে। গতিকে অসম চৰকাৰে সেই ক্ষেত্রত অর্ডিনেন্স দি এইটো কৰিব পাৰে। এই ক্ষেত্রত ভাৰত চৰকাৰে ইতিমধ্যে কৰিছে আৰু চুপ্রিম কোর্টেও ৰায় দিছে সেই কাৰণে মই মন্ত্রী মহোদয়ৰ পৰা জানিব খুজিছো আমাৰ ইয়াত এইটো কেতিয়া কৰিব ?

★ শ্রীগোমেশ্বৰ পেগু (ৰাজ্যিক মন্ত্রী) : এই বিষয়টো আমি কেবিনেটত আলোচনা কৰি সিদ্ধান্ত লব লাগিব।

★ শ্রীখানেশ্বৰ বড়ো : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে এটা কথা কৈছে যে এ, চি, এচৰ ক্ষেত্রত ৰিজার্ভেচন কৰিব নাযাব। কিন্তু সেইটো নহয়। যিকোনো কেটেগৰীৰ ক্ষেত্রতে ৰিজার্ভেচনৰ ব্যৱস্থা থাকিব। আৰু এটা কথা হ'ল ও, বি, চি/এম, ও, বি, চিৰ কাৰণে যি ২৭ পাৰচেণ্ট ৰখা হব সেইটো অসমৰ ক্ষেত্রত দুটা বেলেগ কেটেগৰী কৰিব লাগিব। এই ক্ষেত্রত ও, বি, চিৰ বাবে ১৫ পাৰচেণ্ট আৰু এম, ও, বি, চিৰ বাবে ১২ পাৰচেণ্ট ধৰি নিদিলে এম, ও, বি, চি. সকল বঞ্চিত হব।

☆ Speech not corrected.

শ্রীগোমেশ্বৰ পেগু (ৰাজ্যিক মন্ত্রী) : এইটো মই চাম ।

Mr. Speaker : I now put the motion before the House The motion is that—

"The Assam Backward Classes Commission (Amendment) Bill. 1995 be take into consideration"

'Ayes' have it, 'Ayes' have it,

The motion is passed.

Now item No. 4 (b) There are two amendments in Clause 2 of the Bill in the name of Hon'ble Members.

1. Shri Misson Ranjan Das
   Shri Parimal Suklabaidya
   Shri Pranab Kumar Nath
   Shri Chittendra Nath Mazumdar
2. Shri Jew Ram Boro.

I now call upon Hon'ble Members one by one to move their amendments.

Not moving, O. K. Hon'ble Members to withdraw the amendments. Now Clause 2 do form part of the Bill.

There is no amendment in Clauses 3 and 4 of the Bill. I now put Clauses 3 and 4 before the House.

The question is that- Clauses 3 and 4 do stand part of the Bill.

'Ayes' have it, 'Ayes' have it, 'Ayes' have it Clauses 3 and 4 do form part of the Bill.

I now put Clause 1, Preamble, Enacting Formula and Short Title before the House for approval.

The question is that- Clause 1, Preamble, Enacting Formula and Short Title do stand part of the Bill.

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

Clause 1, Preamble, Enacting, Formula and Short Title do form part of the Bill.

Now, item No. 4 (c) Hon'ble Minister of State, W.P.T. & B.C. to move.

Shri Gomeswar Pegu, (Minister of State W.P.T. & B.C.) : I, Shri Gomeswar Pegu, Minister of State, WPT & BC move that the Assam Backward Classes Commission (Amendment) Bill, 1995 be passed.

Mr. Speaker : I now put the motion before the House, The motion is that- "The Assam Backward Classes Commission (Amendment) Bill, 1995 be passed.

'Ayes' have it, 'Ayes' have it, 'Ayes' have it,

The motion is passed, The Bill is passed.

There is a message under Article 207 (3) from the Hon'ble Governor of Assam, dated March 14, 1995.

"Under the provision of Article 207 (3) of the Constitution of India, I, Loknath Misra, Governor of Assam recommend that the Assam General Sales Tax (Amendment) Bill, 1995 be taken into consideration by the Assam Legislative Assembly.

Shri Jiba Kanta Gogoi, (Minister of Finance) : I, Shri Jibakanta Gogoi, Minister, Finance move that the Assam General Sales Tax (Amendment) Bill, 1995 be taken into consideration.

★ শ্রীপ্রমোদ গগৈ : মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই বিলখন সংক্রান্তত মই

★ Speech not corrected.

তিনিটা বিষয় মাননীয় মন্ত্রী ডাঙৰীয়াৰ দৃষ্টি আকর্ষণ কৰিব খুজিছো । বাজেট বক্তৃতা আৰু ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা আলোচনাত অংশ গ্রহণ কৰি মই কৈছিলো যে আজি অসমত বিক্রী কৰ সংগ্রহ কৰাৰ ক্ষেত্রত এই বছৰ সাত শ কোটি টকা পাব বুলি দেখুৱাইছে । কিন্তু বেচৰকাৰী হিচাব মতে অসমত বিক্রী কৰ অতি কমেও প্রতি মাহে এক কোটি টকা সংগ্রহ কৰিব পাৰে । এতিয়ালৈকে অসমত যিমানখিনি ব্যৱসায় বাণিজ্য আছে এই ব্যৱসায় বাণিজ্যৰ পৰা এই খিনি সংগ্রহ কৰিব পৰা সম্ভৱপৰ হয় । এই ক্ষেত্রত আচলতে আমাৰ সংগ্রহ কিয় নহয়, সেইটো হৈছে যে বিক্রী কৰ বিভাগৰ বিষয়া সকলে যেতিয়া এচেষ্ট কৰে, সেই এচেষ্টকৰাৰে হৈছে আচল আপত্তি আৰু বিষয়াৰ ক্ষেত্রত দুর্নীতিয়ে তাত প্রবেশ কৰিছে । এইটো ভবাৰ যথেষ্ট স্থল আছে । বিষয়া সকলে কেতিয়াবা সেই বিষয়া সকলৰ লগত এচেষ্ট ভালকৈ কৰে কেতিয়াবা এচেষ্ট কমকৈ কৰে । এই দিশত কি আইন আছে মই নাজানো এচেষ্ট কৰাৰ ক্ষেত্রত জিলা প্রশাসনৰ লগত কৰিব পাৰে নে নাই । আমি আলোচনা কৰোতে কৈছে যে যদি জিলা প্রশাসনক জড়িত কৰা হয় তেতিয়া হলে কৰ বিভাগৰ বিষয়া সকলে যিখিনি অন্যায় কৰে, পক্ষপাতিত্ব কৰে, দুর্নীতি হয় সেইটো কৰিব নোৱাৰিলে হয় । এইটো কৰিলে ৰাজ্যখনৰ কাৰণে ভাল হব । দোকানীৰ পৰা গ্রাহকে পইচা দিব বস্তু ক্রয় কৰে, দোকানীয়ে কেতিয়াবা বিচিপ্ট দিয়ে কেতিয়াবা নিদিয়ে । এই কথা বিলাক মই দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো । বিক্রী কৰ কেচ হাই কোর্টত দীর্ঘ দিন ধৰি পৰি থাকে । ইয়াৰ ফলত চৰকাৰৰ লাভৰ ক্ষেত্রত এনেকুৱা লোকচান হৈছে যে এক লাখ দুই লাখৰ কথা নহয় কোটি কোটি টকাৰ হৈছে । হাই কোর্টত যি বিলাক কেচ হয় সেই কেচ বিলাক নিষ্পত্তি হওঁতে পলম হয় । মই জনাত চৰকাৰে যি সকল উকীল নিয়োগ কৰে সেই সকলে উপযুক্ত সময়ত কোর্টত উপস্থিত নাথাকে । আৰু যি সকল ব্যৱসায়ী সেই সকলৰ লগত প্রত্যক্ষ বা পৰোক্ষ ভাবে সম্পর্ক ৰাখি কেচ পলম কৰে । যাৰ ফলত চৰকাৰৰ এনেকুৱা লোকচান হৈছে । মই সেই কাৰণে বিত্ত মন্ত্রী ডাঙৰীয়াৰ দৃষ্টি আকর্ষণ

কৰিব বিচাৰিছো যে এতিয়ালৈ হাই কোৰ্টত কিমান কেচ পেন্দিং হৈ আছে ? সেই কেচ বিলাকৰ সৰ্বমুঠ টকাৰ পৰিমাণ কিমান ? ভৱিষ্যতে এই কেচ বিলাক বিলম্ব নকৰি নিষ্পত্তি কৰাৰ ব্যৱস্থা কৰিব নেকি ? মই পুনৰাবৃত্তি কৰিব নিবিচাৰো, আমি টি চেছৰ কথা আলোচনা হৈছিলো। চৰকাৰে ৫০ পইচালৈ নিব পাৰে, সেই কাৰণে কেচ কৰিছে, কিন্তু চৰকাৰে ১৫ পইচাতে কমপ্ৰমাইজ কৰিছে। এড্‌ভোকেট সকলে কৈছে যে কেচত জিকিব নোৱাৰে, ৫০ পইচা হোৱা হলে যিমান পালেহেতেন ১৫ পইচাত সিমান নাপায়, মাত্ৰ ২০/২৫ কোটি টকাহে পাব। ইতিমধ্যে চুপ্ৰিম কোৰ্টৰ ৰায় হৈ গৈছে, পশ্চিমবঙ্গ চৰকাৰে চুপ্ৰিম কোৰ্টত যুজ কৰিছে। চুপ্ৰিম কোৰ্টে ৰায় দিছে ৫০ পইচা পাব, সেই হিচাবে আগৰ পৰা যিমান দিবলগীয়া আছে পশ্চিমবঙ্গ চৰকাৰক দিয়া বাবে চুপ্ৰিম কোৰ্টে নিৰ্দ্দেশ দিছে। প্ৰতি কেজিত পঞ্চাচ পইচা হলে চৰকাৰে ১২০ কোটি টকা পালে-হেতেন, কিন্তু এতিয়া ২০/২৫ কোটি টকাহে পাব, কিমান লোকচান হব ভাবি চাওঁক। সেই কাৰণে চৰকাৰে যি সকল আইনজ্ঞ নিয়োগ কৰে সেই ক্ষেত্ৰত চৰকাৰৰ সজাগ দৃষ্টি ৰাখিব লাগে। বিশেষকৈ হাইকোৰ্টত যিবিলাক কেচ পেন্দিং হৈ আছে, সেই বিলাকত যাতে চৰকাৰে মনোযোগ দিছে আৰু কৰ এচেছমেণ্ট কৰাৰ কাৰণে চৰকাৰে নিৰ্দ্দেশ দিয়ে, এইখিনি মই বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছো।

★ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মই তিনিটা কথাৰ ওপৰত বিত্ত মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। তেখেতক মই ধন্যবাদ দিছো যে যি বিলখন আনিছে সেই বিলখনৰ জড়িয়তে কৰ ফাকী ৰোধ কৰিব পাৰিব। বাকী যি কেইটা সংশোধনী ক্লজ ৭ আৰু ৮ আনিছে এই দুটাই যথেষ্ট উৎসাহিত কৰিব। এইটো ভাল কাম হৈছে। মই বিল খন চাইছো প্ৰিন্টিং মিচটেকৰ কাৰণে হৈছে, বোধকৰো সেই কাৰণে সংশোধনী অনা হৈছে। যি কেইটা ভুল হৈছে প্ৰিন্টিংৰ, সংশো-ধনীৰ কাৰণে অনাটো ভাল হৈছে। আমি যেতিয়া আইন প্ৰনয়ণ কৰো পাবলিচিটি হেচা দিয়ে তেতিয়া সতৰ্ক হব লাগে যাতে ভুল নহয়। এইটো

★ Speech not corrected.

সংশোধনী কৰি দিয়াৰ পিচত ছপা কৰোতে নজৰ ৰাখিব যাতে ভৱিষ্যতে ভুল নহয়। সংশোধনী অনাটো উচিত, বিশেষকৈ গোটেই আইন খনৰ ক্লজ ৮ আৰু ৯ ধাৰাত ৰাজ্য চৰকাৰক কিছুমান সুবিধা দিছে। যিবোৰ বস্তুৰ ওপৰত কোনো বিক্ৰী কৰ নাথাকে বা যিবিলাক বিক্ৰী কৰ লগায় সেই বিলাক সলনি কৰিবৰ কাৰণে চৰকাৰক সুবিধা দিছে। আইন খনৰ ৮ অনুচ্ছেদৰ ২ নম্বৰ উপ-বিধিত কৈছে- The state Government may by a notification in the official Gazette add to or omit any schedule. গতিকে এই ধৰণৰ তেখেত সকলক সুবিধা দিছে। এই কথা খিনি গোটেই টেক্স একজাম কৰিব লাগে। চৰকাৰে ইচ্ছা কৰি ধাৰ্য্য কৰিব পাৰে। যদি একজাম কৰিব পাৰে বিলখনৰ আইনৰ ৯ নম্বৰ ধাৰা উপ বিধি ২ নম্বৰত The state Government by a Notification in the official Gazatte add to or amend modify কিন্তু এই ক্ষেত্ৰত ধাৰাই এটা মত দিছে যে এনেকুৱা ধৰণে কামখিনি Provided that any exemption or reduction may extend to the whole of the state and subject to such restriction or to any specified are in the Notification Provided further that validity of notification shall not exceed for a period of three years. তাৰ মানে ৮ ধাৰা গোটেই বস্তুটো একজাম দিয়াৰ ৰায় প্ৰজোয্য হব। ৯ ধাৰা গোটেই বস্তুটো একজাম কৰিলে তিনি বছৰৰ কাৰণে হব। এই কাৰণে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে নতুন আইন প্ৰনয়ণ কৰিলে এই ধাৰাৰ অধীনত ওলাইছে কিছুমান বস্তুৰ ওপৰত টেক্স বৃদ্ধি কৰিছে, কিছুমানৰ উঠাই দিছে। ন'টিফিকেশ্বন বিলাক চাইছো, কিছুমান ক্ষেত্ৰত সন্দেহ হয়, আমি টেক্স বিক্ৰী কৰ বৃদ্ধিৰ দ্বাৰা ৰাজহ সংগ্ৰহ কৰিবলৈ চেষ্টা কৰিছো। বিভিন্ন বস্তুৰ মূল্য কম বেছি যদি কৰি থাকে টেক্স কালেকচনত স্থিৰতা ব্যাহত হব। এই বাৰ বাজেটত চাৰিখন মান ন'টিফিকেশ্বন দিছে. ইয়াৰ জৰিয়তে কিছুমান বস্তুৰ ওপৰত টেক্স বৃদ্ধি কৰিছে যেনে টায়াৰ, ডিজেল, মটৰ পাৰ্টচ, পেট্ৰোল

আদিৰ দাম বৃদ্ধি কৰিছে। আনহাতে কিছুমান বস্তুৰ টেক্স একজাম কৰিছে। পলট্রি, কেটেল ফীদ, বেবী ফুড আদিৰ ওপৰত টেক্স ৰেহাই দিছে। ১৯৯৩ চনত ৫ খন ন'টিফিকেশ্বন বাহিৰ কৰিছে। এই কাৰণে মই দেখিছো স্পেচিফিক নিদিয়াৰ ফলত তিনি বছৰে আণ্ডাৰ কল ৯ কৰিছে। যদি তিনি বছৰৰ পিচতো এইটো চলি থাকে তেতিয়া হলে কৰ আদায়ত বাধাপ্রাপ্ত হব।

মাননীয় অধ্যক্ষ মহোদয়, সেই কাৰণে কৈছো যদি তিনি বছৰৰ পিচতো এই আইন চলি থাকে তেতিয়াহলে কৰ আদায়ৰ ক্ষেত্রত বাধাপ্রাপ্ত হব। সেই কাৰণে আইনৰ ৮ আৰু ৯ ধাৰাৰ ফলত ন'টিফিকেচন ইচু কৰিব পাৰে। ন'টিফিকেচনৰ কাৰণে অথেন্টিচিটি ধাৰাৰ ৮ ঠিক আছে। ধাৰা ৯ত কৈছে Under Rule 9 of this Act of you have issued in the notification then the maximum period to which the rule applies must be specified. সেই ক্ষেত্রত স্পেচিফিক হব লাগে। নহলে ব্যৱসায়ী সকলে এই সুৰুঙাৰ জড়িয়তে কৰ ফাকি দিবলৈ সুবিধা পাব। তৃতীয়তে গুৰুত্বপূর্ণ বুলি ভাবো সদনৰ মাননীয় সদস্য সকলে এই আইনখন পাচ কৰিছিল। কিছুমান ক্ষেত্রত দায়বদ্ধ কৰি ৰাখিছে। সেইটো পালন কৰিব পৰা নাই। আপোনালোকে ন'টিফিকেচন লে কৰিছে। কিন্তু এই ক্ষেত্রত চৰকাৰৰ কোনো ধৰণৰ সংশোধন নাই। ৭৩ নং ধাৰা মতে প্রত্যেক বস্তুৰ দাম সলনি কৰোতে সংশোধনীৰ জৰিয়তে জানিব পাৰিলে- হেঁতেন। কিন্তু হঠাৎ কিছুমান ইমাৰজেন্সি আহে সেই ৭৩ ধাৰামতে এইটো দিয়া হৈছিল। Rules 73 of this act provides that any notification that shall be issued by the Govt. shall be laid down before the House. এই ক্ষেত্রত কিন্তু আমাৰ কি হৈছে। যোৱা বছৰ ন'টিফিকেচন প্লেচ হ'ল। কেচ হ'ল। এইবছৰ আমি এগ্রি কৰিম কেনেকুৱা কথা হৈছে। এই কলৰ ক্ষেত্রত অধ্যক্ষ মহোদয় কিবা এটা চিন্তা কৰিব লাগে। আমি হাউচত মত কেনেকৈ প্রকাশ কৰিম। এই ন'টিফিকেচনৰ জৰিয়তে আমাৰ কথা কোৱাৰ কোনো বস্কাপ নাই। কল

এমেণ্ডমেণ্ট কৰিব লাগে বুলি মাননীয় বিত্ত মন্ত্রী ডাঙৰীয়াই কৈছে। ৰাজহ বৃদ্ধি কৰিবৰ কাৰণে চেষ্টা কৰিছে। ৰাজহ কেনেকৈ বৃদ্ধি কৰিব। অসমৰ ৰাজহ বৃদ্ধিৰ মূল উৎস হৈছে বিক্রী কৰ। যদি এইটো কৰিব পৰা নাযায় চৰকাৰে বিধান সভাত জবাবদিহি হব লাগিব। গেচ, ডিজেল, পেট্রোলৰ ক্ষেত্রত কৰ বৃদ্ধি কৰিছে। কেন্দ্রিয়াবা ইমাৰজেন্ছিত ৰন্ধন গেচৰ দাম বৃদ্ধি কৰিবলগা হয়। আগতে ১১ পইচা আছিল এইবাৰ বোধকৰো ১৬ পইচা হৈছে। টায়াৰ আছিল ৮ পইচা এইবাৰ ১১ পইচা হৈছে। পেট্রল আছিল ১১ পইচা এইবাৰ ১৬ পইচা হৈছে। ডিজেল ১১ ৰ পৰা ১৭ পইচা হৈছে। পেট্রোলিয়াম ৮ পইচাৰ পৰা ১২ পইচা হৈছে। এইটো ৮ আগষ্ট ১৯৯৪ চনত কৰিছে। নিয়মমতে চেপ্তেম্বৰৰ অধিবেশনত লে কৰিব লাগিছিল। এনে ধৰণৰ কথাবিলাক বিক্রী কৰৰ ক্ষেত্রৰ মাৰাত্মক আঘাত হানিব পাৰে। ১৯৭৩ চনৰ যি আইন আছে কি ধৰণে সংশোধন কৰিব পৰা যায় সেইটো মাননীয় বিত্ত মন্ত্রী মহোদয়ে কৰিব লাগে। অধ্যক্ষ মহোদয় এই কেনে ধৰণৰ আলোচনা কৰিব পাৰি তাৰপ্রতি দৃষ্টি ৰাখিব লাগে। এইখিনি কৈয়ে মই সামৰিছো।

★ শ্রীযতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্ত মন্ত্রী ডাঙৰীয়াই যি আসাম জেনেৰেল চেলচটেক্স বিল ১৯৯৫ আনিছে তাৰ ওপৰত কেইটামান পৰামর্শ দিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আমি ৰৰকাৰৰ বাজেত বক্তিতা বা অর্থনৈতিক দিশ সম্পর্কত সময়ে সময়ে দি থকা বক্তিতা বিলাকৰ পৰা দেখিছো যে বিশেষকৈ চৰকাৰখন চলাৰ ক্ষেত্রত বিক্রী কৰ সংগ্রহৰ ওপৰত চৰকাৰে বেচি গুৰুত্ব দিয়া দেখা যায়। চৰকাৰৰ সেইটো নিয়মেই। বিক্রী কৰ যিমানে বেচি হয় চৰকাৰৰো বিত্তীয় পৰিস্থিতি সিমানে চম্বল বুলি ধাৰণা কৰিব পাৰি। কিন্তু দেখা গৈছে যোৱা দুই তিনিটা বিত্তীয় বছৰত চৰকাৰে এটা কথাই স্বীকাৰকৰিছে যে সেই বছৰত চেলচ টেক্স উৎসাহজনক হব কিন্তু পিচত নিৰুৎসাহ হৈ যায়। অধ্যক্ষ মহোদয় চৰকাৰে বিশেষকৈ বিত্ত বিভাগে বিষয়া সকলক লৈ এটা এৰাৰনেচ কেম্পেইন কৰিব লাগে

★ Speech not corrected.

চেল টেক্স সংগ্রহৰ কাৰণে। চেল টেক্সৰ লগত জড়িত সকলো পর্য্যায়ৰ কর্মীক লৈ চেনট্রেলী হওঁক বা ডিষ্ট্রিক বা জোনেল ওৱাইজ হওঁক তেখেতসকলে এটা এৱাৰনেচ কেম্পেইন কৰিব লাগে। চৰকাৰে কি কৰিব সেই কামত বিষয়া সকলে সহযোগিতা কৰিব লাগে।

অধ্যক্ষ মহোদয়, মই এটা উদাহৰণ দিব বিচাৰিছো, এই চৰকাৰখন চলি থাকোতে অসমৰ পৰা ৰাষ্ট্রীয় ঘাই পথেদি ট্রাক কিয় অসমৰ সীমান্ত পাৰ হৈ পশ্চিম বঙ্গ পাইছে। পশ্চিম বংঙ্গৰ পৰা সেই ট্রাকবোৰ ঘূৰাই আনি অসমত চেল টেক্স ক্লিয়াৰ কৰিবলৈ কোৱা হৈছে। অধ্যক্ষ মহোদয়, এতিয়া প্রশ্ন হ'ল আমাৰ বিষয়াসকলে কি কৰি আছে। তাত থকা বিষয়া সকলে সেই ট্রাক কিয় চেক কৰা নাছিল। সেই কাৰণে মই কৈছো বিষয়া সকলক মাতি এৱাৰনেচ কৰিব লাগে। এই ক্ষেত্রত বিষয়া সকলক এটা শিক্ষা দিয়াৰ প্রয়োজন আছে। বিক্রী কৰ সংগ্রহত বিষয়াসকল ব্যর্থ হৈছে। সময়ৰ কথাটো সময়ে সময়ে উপলব্ধি কৰিছো। বিষয়া সকলে বিষয়া পর্য্যায়ত সংগ্রহৰ কথাত জড়িত হোৱা সকলো বিষয়া সমানে উৎসাহ দেখুওৱা দেখা-নাযায়। বিষয়া ভেদে সেই উৎসাহ বেলেগ বেলেগ হোৱা দেখা যায়। গতিকে এই কথাত চৰকাৰে ব্যৱস্থা লব লাগে। এতিয়া কথা হৈছে আমাৰ মাননীয় সদস্য গৰে ডাঙৰীয়াই কৈছে আমিও লক্ষ্য কৰিছো তেখেতৰ লগতে কব খোজো যে এইটো চেল টেক্স সম্পর্কত বহুটো কেচ হাই কোর্টত পেণ্ডিং হৈ আছে।

মাননীয় অধ্যক্ষ মহোদয়, এতিয়া কথা হৈছে, যে আমাৰ এগৰাকী বিধায়ক মাননীয় গৰে দেৱে এযাৰ কথা কৈছে, তেখেতৰ লগত মইও একমত হৈ কব বিচাৰিছোঁ যে চেল টেক্স সম্পর্কত বহুতো কেচ বহুবছৰ ধৰি হাই-কোর্টত পেণ্ডিং হৈ পৰি আছে। ইয়াৰ বহুতো কাৰণ থাকিব পাৰে। মই এইমাত্র কেইটামান কথাহে কব বিচাৰিছো। বাকীখিনি কথা চৰকাৰে জানেই। কি কাৰণে কেচ বাকী পৰি থাকে। গতিকে কি কাৰণে কেচ পেণ্ডিং হৈ থাকে তাক তথ্য সহকাৰে আমাক জনাব লাগে। যিসকল লোকে কেচ কৰিছে, তেওঁলোকে জানেই এই চেল টেক্স সম্পর্কত ১৫ বছৰ ধৰি

একোটা কেচ চলি থাকে, শেষ নহয়হে নহয়। টেক্স দিবলগীয়া লোক সকলে ভালেই পায়, কেচ যিমানে দেৰিকৈ চিগে সিমানে কাৰণ তেতিয়া সিমান দিনলৈকে তেওঁলোকে টেক্সৰ টকা নিদিয়াকৈ থাকিব পাৰে গতিকে অধ্যক্ষ মহোদয়, এই হাই কোর্টৰ কেচবিলাক যাতে সোনকালে দিচ্‌পাজ কৰিব পাৰে তাৰ কাৰণে ব্যৱস্থা ললে ভাল হয়। মাননীয় অধ্যক্ষ মহোদয়, আমি এটা কথা লক্ষ্য কৰিছোঁ যে যিবিলাক বাজেট সম্পৰ্কত কিতাপ ছপা হৈ ওলাইছে, তাত কিছুমান প্ৰিন্টিং মিচ্‌টেক্‌ আছে। বাজেট উত্থাপনৰ সময়ত এই পৱিত্ৰ সদনত সদস্য হিচাবে এইবিলাক কথাৰ সাক্ষ্য দিবলৈ পাইছোঁ। গতিকে মই ভাবো চৰকাৰে যেতিয়া বাজেট প্লেচ কৰে তেতিয়া এই কথাটো ভালদৰে চাব লাগে। আটাইতকৈ ভাল কাগজ বাচি লোৱাৰ ব্যৱস্থা কৰিব লাগে। অন্ততঃ প্ৰিন্টিং ষ্টেণ্ডার্ড থাকিব লাগে। **Printing mistake** যোৱা বাজেটত কিছুমান ঠাইত প্ৰিন্টিং হৈ অহাৰ পিছত দেখা গৈছিল যে হাতেৰে লিখি শুদ্ধকৈ দিয়া আছে আৰু সেইবিলাক স্পষ্ট নহয়। কিছুমান সৰুকৈ হাতেৰে লিখা কাগজ, আখৰবোৰ অস্পষ্ট গতিকে অধ্যক্ষ মহোদয়, এইবিলাক ক্ষেত্ৰত দিচিপ্লিন মেনটেইন কৰিব লাগে, এটা ডেক'ৰাম থাকিব লাগে। গতিকে এইবাৰ বাজেটখন দেখাত ভাললগা নাছিল ভৱিষ্যতে যাতে এনেকুৱা নহয়, তাক চাব লাগে। বাজেটখনৰ ৭৩ পৃষ্ঠাৰ ৮ৰ ৯ ধাৰাত আছে, ইয়াত নটিচৰ কথা কোৱা হৈছে, অৰ্ডিনেন্সৰ সম্পৰ্কত কালি আহিছিল, বাইজৰ উন্নতিৰ কাৰণে এইটো আহিছিল। গতিকে ইয়াৰ মনোভাৱটো সম্পৰ্কে আমি কব বিচাৰিছোঁ। এইটো সকলো সময়তে, সকলো চৰকাৰেই আনে কিন্তু এচেম্বলী চলি থকাৰ আগ মূহুৰ্ত্তত অৰ্ডিনেন্স পাছকৰা কথাটো পুনৰ বিবেচনা কৰা ভাল। এই কথাটো ৭৩ পৃষ্ঠাৰ ৮ৰ পৰা ৯ ধাৰাত থকা বোলটোৰ বিষয়ে সদনক জনাব লাগে। আৰু যোৱা বছৰ কৈছিল চেল টেক্স সংগ্ৰহ কৰাৰ সময়ত কলে বিত্তীয় অৱস্থা ভাল নহয় গতিকে সংগ্ৰহ কৰিব পৰা নগ'ল। গতিকে এইবাৰ লক্ষ্য ৰখা উচিত হ'ব যাতে বছৰৰ শেষলৈ টেক্স সংগ্ৰহ কৰিবলৈ বাট নেচাই সময়মতে সংগ্ৰহ কৰা হয়, তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা লোৱা হয়, তাৰবাবে মাননীয় অধ্যক্ষ মহোদয়ৰ যোগেদি

মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ জনাই মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

